# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী





সম্পাদক

মানিক গগৈ

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়, আজাদ

উত্তৰ লক্ষীমপুৰ।

L.T.K. College Library
Estd 1977
Date
Azad, North Lakhimpur

# আলোচনী

প্ৰস্তাৱনা সংখ্যা

১৯-৮৯ ৯০চন।

সম্পাদক ঃ
শ্ৰীমানিক গগৈ।

উপদেষ্টা ঃ
শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা।

# ঃ আমি এই সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো ঃ



৺প্ৰভাত বৰগোহাঁই
ভাৰপ্ৰাপ্ত অধ্যক্ষ



৺ইন্দ্ৰেশ্বৰ শৰ্মা
প্ৰতিস্থাপক সভাপতি



৺করুণা, শৰ্মা,
অধ্যক্ষ

আমি প্ৰথমে সুঁৱৰিব লাগিব সেই সকলক, যি সকলে জন্ম ভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবে অতিতৰ পৰা বৰ্ত্তমানলৈকে অসম মাতৃৰ সন্তান হিচাবে নিজৰ প্ৰাণ বলীদান দি আহিছে। বিগত ৬ বছৰীয়া আন্দোলনত আমাৰ মহাবিদ্যালয়ৰ শ্বহীদ মহেন্দ্ৰ নাথক।

আনহাতে আমি পুনৰ সুঁৱৰিছো সেই সকলক যিসকলে সমাজৰ উন্নতিৰ বাবে বা দেশৰ নাগৰিকক মহাবিদ্যালয়ৰ জ্ঞানেৰে শিক্ষিত কৰাৰ কামনাৰে চিন্তা কৰা লোকসকলক। বিশেষকৈ মহা বিদ্যালয়ৰ প্ৰতিষ্ঠা কৰাৰে পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে যি সকলে কষ্ট কৰিলে আৰু আনহাতে যি সকল বৰ্ত্তমান আমাৰ মাজত নাই। সেই সকলৰ ভিতৰত আমি প্ৰথমতে নাম লব লাগিব — ৺ইন্দেশ্বৰ শাৰ্ম্মা ৺প্ৰভাত চন্দ্ৰ বৰগোহাঁই, ৺করুণা শৰ্ম্মা দেৱক। লগতে মহাবিদ্যালয়ৰ হকে অশেষ শ্ৰম দান দিয়া স্থানীয় ৰাইজ আৰু ৺দেৱব্ৰত গগৈদেৱক।



# শুভেচ্ছাবাণী

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ পৰা পোন প্ৰথমবাৰৰ বাবে এখনি আলোচনী প্ৰকাশ কৰিব বুলি জানি শুভেচ্ছা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়খন লক্ষীমপুৰ জিলাৰ তিনিটা বৃহৎ মৌজাৰ বাবে গুৰুত্বপূৰ্ণ তথা সমাজৰ দ্বায়িত্বশীল শিক্ষাকেন্দ্ৰ। পুথিগত শিক্ষাৰ উপৰিও মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ অন্যান্য সাহিত্য আৰু সাংস্কৃতিক দিশত থকা পাৰদৰ্শিতাখিনি আলোচনী এখনত প্ৰতিফলন ঘটে, ছাত্ৰ-ছাত্ৰীৰ মননশীল, উদ্ৰেককাৰী সৃষ্টিশীল চিন্তাচৰ্চাৰ বাহক আলোচনীখনে সমাজত এক সচেতনতা গঢ়ি তুলিব বুলি আশা কৰিছো। বৰ্তমান শৈক্ষিক দিশৰ ক্ষেত্ৰত হোৱা আসোঁৱাহ সমূহ দূৰ কৰিবৰ বাবেও মুখপত্ৰসমূহে বিশেষ ভূমিকা ল'ব লাগে। ছাত্ৰ-ছাত্ৰী সকলৰ ভাষা-সাহিত্য প্ৰতি থকা উদ্যমৰ কাৰক স্বৰূপেও আলোচনী এখনৰ দ্বায়িত্ব অধিক।

শেষত মহাবিদ্যালয়ৰ আলোচনী সম্পাদক প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ সদস্য সকলৰ এই ঐকান্তিক প্ৰচেষ্টাক আদৰণি জনাইছো।

প্ৰথম পৰিচালনা সমিতিৰ
সম্পাদক, প: সঃ, লঃ তেঃ কঃ মঃ
**শ্ৰীকুমুদ চন্দ্ৰ শৰ্ম্মা**
আজাদ, উত্তৰ লক্ষীমপুৰ
১৯।৮।৯০

# শুভেচ্ছাবাণী

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ আলোচনীখন (১৯৯০) প্ৰকাশ কৰিব বুলি জানি মই আনন্দিত হৈছো। শিক্ষা অনুস্থান সমূহ যিহেতুকে ছাত্ৰ-ছাত্ৰী সকলৰ গুপ্ত সৃজনী প্ৰতিভাৰ কেন্দ্ৰ বুলি গণ্য কৰা হয়, এই আলোচনীখনৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলে সমাজ, মানুহৰ জীৱন আৰু বিশ্বসম্পৰ্কে তেওঁলোকৰ কোমল বয়সতে লাভ কৰা অভিজ্ঞতাবোৰ প্ৰকাশ কৰাৰ বাবে সুবিধা পোৱাৰ উপৰিও মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সৃজনী প্ৰতিভা বিকাশৰ ক্ষেত্ৰত যথেষ্ঠ সহায়ক হব বুলি আশা ৰাখিলো । ইতি—

শ্ৰীযুত মানিক চন্দ্ৰ দাস
অতিৰিক্ত উপায়ুক্ত, লক্ষীমপুৰ ও
ব: পঃ সঃ লঃ, তেঃ কঃ মঃ

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| | ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হামিদুৰ ৰহমান | সভাপতি |
| অধ্যাপক, | শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰুৱা | উপদেষ্টা |
| ” | শ্ৰীযুত লীলা বৰা | সদস্য |
| ” | শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গগৈ | ” |
| ছাত্ৰ | শ্ৰীমানিক গগৈ | সম্পাদক |
| ” | শ্ৰীঅতুল চন্দ্ৰ নাথ | সদস্য |
| ” | শ্ৰীধৰ্ম্মেশ্বৰ নাথ | ” |
| ” | শ্ৰীযোগেন শইকীয়া | ” |
| ” | শ্ৰীভৱানন্দ সোণোৱাল | ” |
| ছাত্ৰী | শ্ৰীমতী লীলি বৰা | সদস্যা |
| ” | শ্ৰীমতী লাৱণ্য ৰাজখোৱা | ” |

বেতুপাত শিল্পী— শ্ৰীঅতুল চন্দ্ৰ নাথ

অঙ্গ সজ্জা— শ্ৰীমানিক গগৈ।

মূদ্ৰক— অজয় প্ৰিণ্টিং প্ৰেছ, কে, বি, ৰোড,

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ১৯৮৯-৯০ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীমানিক গগৈৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত।

# —একাষাৰ—

ইং ১২।১২।৯০ চন

জয়জয়তে আলোচনীখনৰ সকলো পঢ়োৰৈলৈকে আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। ১৯৭৭ চনতে প্ৰতিস্থা হোৱা এই মহাবিদ্যালয় খনিৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ মাধ্যম হিচাবে এখনি আলোচনী পলমকৈ হলেও প্ৰকাশ কৰি পঢ়োৱৈ সকলৰ হাতত তুলি দিব পৰাত আমি নিজকে ধন্য মানিছো। বৰ্ত্তমান শিক্ষা আৰু জ্ঞানৰ মাধ্যম বিভিন্ন গ্ৰন্থ, আলোচনীৰ প্ৰতি পঢ়োৱৈ সকলৰ যি ব্যাপক আগ্ৰহ দেখা গৈছে সেই ক্ষেত্ৰত আমাৰ এই আলোচনীখনে পঢ়োৱৈ সমাজলৈ যৎকিঞ্চিৎ হলেও অৰিহণা আগবঢ়াব পাৰিলে আমি কৃতাৰ্থ হ'ম। আমাৰ লিখক-লিখিকা সকলে অন্যান্য আলোচনী সমূহৰ লিখনিৰ দৰে সৰহবৰহী লিখনি প্ৰকাশ কৰিব নোৱাৰিলেও এই ক্ষেত্ৰত কিছু সফল হৈছে বুলি আমি ভাবিছো। সেয়ে পঢ়োৱৈ সমাজলৈ আমাৰ নিবেদন যাতে আমাৰ প্ৰবীন লিখাৰু সকলৰ লিখনি সমূহৰ বিৰুপ মন্তব্য প্ৰকাশ নকৰি দেশ আৰু দহৰ মঙ্গলৰ কাৰণে এই সকলৰ অৰিহনা অব্যাহত ৰখাত সহায় কৰে। শেষত আলোচনীখনৰ দীৰ্ঘায়ু কামণাৰে··· ··· ···।

শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা, অধ্যাপক,
উপদেষ্টা, আলোচনী শাখা।





# সম্পাদকীয় কলম

শ্ৰীমানিক গগৈ,
— আলোচনী সম্পাদক।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া আঞ্চলিক বাইজৰ প্ৰয়াত এক সুপ্ত [জ্ঞান] বিকাশৰ কেন্দ্ৰ হিচাপে অৱস্থিত এইখন মহাবিদ্যালয়। এইখনেই আমাৰ মহাবিদ্যালয়ৰ প্ৰকাশিত প্ৰথম মুখপত্ৰ। মুখপত্ৰ খনিৰ দায়িত্বত সম্পাদকীয় লিখাৰ কৰ্ত্তব্য। অৱশ্যে যি খন জন্মভূমিত মানুহ জীয়াই [থকাটো-]য়েই ভয়াবহতা; তাত আকৌ সাহিত্য সংস্কৃতিৰ কিমান ছুৰ স্থিতি আছে বা ইয়াৰ প্ৰয়োজনীয়তা কিমান ই এটা চিন্তাৰ বিষয়। বিশ্বৰ চৌদিশে কিহৰ আদনাদৰ সৃষ্টি পাঠকে কানপাতি শুনক, তথাপিতো সাহিত্য আৰু সংস্কৃতিক জীয়াই ৰাখিব লাগিব সাহিত্য আৰু সংস্কৃতিয়েই মানৱ সভ্যতাৰ নাপ কাঠি বুলিব পাৰি।

অথচ কেউপিনে মানুহৰ সংখ্যাৰ আধাত কৈয়ো অধিক মানৱ কল্যানৰ সংগঠনৰ জন্ম। মানৱ সম্পদৰ বিকাশৰ তাড়নাতে এই বোৰ জন্ম। কিন্তু সংগতি কিমান বিৰ্চাৰ্য্যৰ বিষয়।

আমি অসমত বাস কৰা অসমীয়া মানুহ। আমাৰ দেশত বৰ্ত্তমান এই মুহুৰ্ত্তত কি হৈছে? মানুহ ব্যক্তিগত স্বাধীনতা লুপ্ত পাইছে। কেউফালে হাহাকাৰ, সন্ত্ৰাস, ধৰ্ষণ, আদি যাৰ বৰ্ণণাতিত অশান্ত অঞ্চল বুলি প্ৰধান মন্ত্ৰীয়ে ৰামস্বামীৰ হতুৱাই অসমত বান্দৰ বাহিনী মেলি দিলে। হনুমানে স্বৰ্ণলংকা ধ্বংশ কৰাৰ দৰেই বজৰঙ্গই অসমত কি কৰা নাই। একেখন জন্মভূমিতে ডাঙৰ দীঘল হোৱা আমাৰ লগৰে বাইভনী, বান্ধৱী, ছাত্ৰী সকলে জীৱনভৰ স্বাক্ষৰ বহন কৰিব লগা হৈছে। সময় আহিব এইবোৰ সময়ে বিচাৰ কৰিব। এইবোৰ লিখি কলংকিত সময়ৰ প্ৰতিভূ সকলৰ লগত নিজকে তথা পৱিত্ৰ অনুষ্ঠানটিৰ অতি পৱিত্ৰ আলোচনী খন আৰু কলংকিত নকৰো।

বৰ্ত্তমান আমি কলেজীয়া ছাত্ৰ। গণতন্ত্ৰ ৰাষ্ট্ৰত ছাত্ৰ হিচাপে আমাৰ দায়িত্ব যথেষ্ট। অৱশ্যে আমি নিৰপেক্ষ ছাত্ৰ হিচাপে ৰাজনীতি দিশত হাত দিবৰ আমাৰ অধিকাৰ নাই। আজিৰ ছাত্ৰই কাইলৈ দেশৰ প্ৰধান নাগৰিক। গতিকে ছাত্ৰৰ ও দেশৰ জনসাধাৰণৰ দায়িত্ব যথেষ্ট। অৱশ্যে বৰ্ত্তমান ছাত্ৰই নিজৰ কৰ্ত্তব্য পালন কৰিবলৈ গৈ কৰ্ত্তব্যৰ পৰা বিচলিত হৈছে। আনহাতে কিছুমানে নিজৰ স্বাৰ্থৰ হেতু ৰাজনীতিত হাত দিছে। এইটো এটা দুঃকাৰ্য্য।

সম্পাদকীয় কলমতে আৰু দুষাৰ মান লিখিলো। ১৯৭৭ চনতে মহাবিদ্যায় খনি প্ৰতিষ্ঠিত প্ৰতিষ্ঠাৰ দিশৰ পৰা মহাবিদ্যালয় খনি চালুকীয়াই বুলিব পাৰি। যাইকীনহওঁক এইখনেই প্ৰথম আলোচনী। ইয়াৰ আগৰ কেইজন সম্পাদকে এখনো প্ৰকাশ কৰিব নোৱাৰিলে।

১৯৯০ চনৰ লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সেৱা আগবঢ়াবলৈ পায় মই নিজকে কৃতাৰ্থ মানিছো। আকাশৰ বহুদিনিয়া কলীয়া ডাৱৰ গুচাবলৈ পাই মই সুখী হৈছো। মহা-বিদ্যালয়ৰ সাহিত্য চৰ্চাৰ ঐতিহ্য ৰক্ষা কৰিবলৈ মই অলপো ক্ৰুটি কৰা নাছিলো। ইংৰাজী ১৯৯০ চনৰ ১০ জানুৱাৰীৰ দিনা ছাত্ৰ একতা সভাৰ সকলো সম্পাদকৰ লগত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰীৰ সন্মুখত মই প্ৰতিশ্ৰুটি বদ্ধ হৈ কাৰ্য্যভাৰ লৈছিলো তাক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ আশানুৰূপে প্ৰতিফলিত কৰাব নোৱাৰিলো। ইয়াৰ মূলত কাৰণ হল মহাবিদ্যালৰ খনিৰ অৱস্থা শোচনীয় হোৱা। গতিকে মই নিজকে দুখিত অনুভৱ কৰিছো। মহাবিদ্যালয়ৰ এই মুখপত্ৰ খনিত হয়তো অজ্ঞাত ভাৱে দুই এটা তথ্য আৰু ভুল ক্ৰুটি থাকি যাব পাৰে। মহাবিদ্যালয় খনিৰ সোণালী অতিতৰ বিষয়ে প্ৰস্তাৰনা সংখ্যাটিত দুই এটা তথ্য ডাঙি ধৰিব নোৱাৰাতো এজন নতুন যুৱকৰ বাবে অস্বাভাবিক নোহোৱা নহয়। তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী তথা শুভাকাংশী পঢ়োৱৈৰ ওচৰত ক্ষমা বিচাৰিলো।

মোৰ এই প্ৰচেষ্টাত আৰু কাৰ্য্য কাল ছোৱাত সকলো পিনৰ পৰা সহায় কৰা মাননীয় উপদেষ্টা মহোদয়ৰ প্ৰমুখ্যে সম্পাদনা সমিতিৰ সদস্য বৃন্দ তথা শিক্ষাগুৰু আৰু ছাত্ৰ বন্ধু সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ভৱিষ্যতে যাতে কোনো ব্যাঘাট নজন্মে, তাৰ বাবে সকলো ছাত্ৰ ছাত্ৰীলৈকে মোৰ আন্তৰিক কামণা জ্ঞাপন কৰিলো।

=X=

# সূচীপত্ৰ

## প্ৰবন্ধঃ

ঐক্যৰ প্ৰতিক শঙ্কৰদেৱ, চালেমা বেগম ॥১॥ ছাত্ৰ আৰু সমাজ সেৱা, বদন কলিতা ॥৪॥ অসমৰ প্ৰাচীন খেল-ধেমালী, পুষ্পধৰ শইকীয়া ॥৭॥

## কবিতা

অনিৰ্ব্বান, নাৰায়ণ চন্দ্ৰ বৰুৱা ॥৯॥ যি মৃত্যু নিৰৱে আহে, ৺কৰুণা শৰ্মা ॥১০॥ এপাহ ফুল, মানিক গগৈ ॥১০॥ জাতিৰ জনক, হিৰেন নাথ ॥১১॥ নৱ সূৰ্য্য যোগেন শইকীয়া ॥১২॥ আবেগ, দয়াল চন্দ্ৰ নাথ ॥১২॥ পোহৰ, হেমন্ত দোলাকাষৰীয়া ॥১৩॥ জাগৰণ, বিপুল দত্ত ॥১৩॥ প্ৰগতি, হেম কান্ত বৰা ॥১৪॥ হৃদয় আহ্বান, দুলাল শইকীয়া ॥১৪॥ কলেজিয়া মতিগতি, ভৱানন্দ সোনোৱাল ॥১৫॥ ভাৰতীয় সতীয় জী, অতুল চন্দ্ৰ নাথ ॥৩৪॥ নিদাষ, লীলা বৰা ॥৩৪॥

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ চমু ইতি হাস, মঃ হামিদুৰ ৰহমান ॥১৬॥


এটি খতীয়ান, নাৰায়ণ চন্দ্ৰ বৰগোহাঁই ॥৩৮॥ মহাপুৰুষৰ বাণী, যোগল শৰ্মা ॥২২॥ কৌতুক প্ৰশান্ত ফুকন ॥২২॥ মুকলি চিঠি, অজয় গগৈ ॥২৩॥

## গল্পঃ

অন্ধকাৰ, বুদ্ধিন বৰা ॥২৫॥ মহাসমুদ্ৰ, হেমন্ত দোলাকাষৰীয়া ॥২৮॥ চিৰমুক্তি, ভৱানন্দ সোনোৱাল ॥৩০॥ অসমত আকৌ জুই জ্বলাই দিয়া হ'ল, বুদ্ধিন কুমাৰ দাস ॥৩৫॥

## প্ৰতিবেদনঃ

সাধাৰণ সম্পাদক, অতুল চন্দ্ৰ নাথ ॥৪৪॥ সঃ সাধাৰন সম্পাদক, গুণকান্ত নাথ ॥৫০॥ আভ্যন্তৰীন ক্ৰীড়া বিভাগৰ সম্পাদক তুলন দাস ॥৫২॥ সমাজ সেৱা বিভাগৰ সম্পাদক ৰঞ্জু দত্ত ॥৫৪॥ বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদক সোনাৰাম নাথ ॥৫৫॥ কৃষ্টি ও সংস্কৃতি বিভাগৰ সম্পাদক ভোলা কলিতা ॥৫৬॥ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক দিগন্ত বৰা ॥৫৭॥



# ঐক্যৰ প্ৰতীক শঙ্কৰদেৱ

চালেমা বেগম,
প্ৰৱক্তা, (অসমীয়া বিভাগ)
লঃ তেঃ কঃ মহাবিদ্যালয়।

১৫ শ শতিকাৰ পৰা ১৬ শতিকাৰ ভিতৰত পৃথিৱীৰ বিভিন্ন ঠাইত দেখা দিছিল ভাৱৰ বিপ্লৱে। ফলশ্ৰুতিত কলা, সংস্কৃতি, ধৰ্ম্ম আৰু সাহিত্যত নৱ-জাগৰণ হৈছিল। ইউৰোপত মাৰ্টিন লুথাৰে খৃষ্টধৰ্ম্মত সংস্কাৰ আনিবলৈ বিচাৰিছিল। লিঅ'নাৰ্ড'-ডা-ভিন্সি আছিল সব্যসাচী। তেওঁ কেৱল কলা, সংস্কৃতি, সাহিত্য, চিত্ৰতে নহয় বিজ্ঞানৰ ক্ষেত্ৰতো এক আমুল পৰিবৰ্ত্তন আনিব বিচাৰিছিল। সমসাময়িক ভাবে ভাৰতৰো বিভিন্ন ঠাইত বৈষ্ণৱ আন্দোলনে দেখা দিছিল। কৰ্ণাটকত এই আন্দোলনৰ নেতা শ্ৰীপাদৰায় আৰু তেওঁৰ পুত্ৰ ব্যাসৰায় আছিল, মহাৰাষ্ট্ৰত সন্ত জ্ঞানেশ্বৰে এই আন্দোলনৰ নেতৃত্ব দিছিল। উত্তৰ ভাৰতৰ বৈষ্ণৱ আন্দোলনৰ নেতাসকলৰ ভিতৰত অগ্ৰজ আছিল ৰামানন্দ। উত্তৰ ভাৰতৰ প্ৰসিদ্ধতম ভক্ত কবীৰ জন্ম সূত্ৰে হিন্দু নে মুছলমান এই সম্পৰ্কে মতভেদ আছে। তেওঁ মন্দিৰ মছজিদ দুইটাৰ পৰা ওলাই আহি হিন্দু মুছলমানৰ কটকটীয়া বিভেদৰ বুকুত কুঠাৰাঘাট কৰিছিল। পোন্ধৰ শতিকাত পঞ্জাৱ অঞ্চলত অবি াব হৈছিল গুৰু নানকৰ। হিন্দু আৰু মুছলমান দুয়োটা ধৰ্ম্মকে সন্মিলিত কৰি তেওঁ অভিনৱ ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰে। বঙ্গ দেশৰ আৰু উৰিষ্যাৰো কোনো কোনো অঞ্চলত ভক্তি আন্দোলনৰ নেতৃত্ব দিছিল বঙ্গ দেশৰ চৈতন্য দেৱে। ভক্তি আন্দোলনৰ প্ৰায়বোৰ নেতাৰ অনুকৰণত চৈতন্যয়ো জাতি-কুলৰ নিয়ম ভঙা নাছিল, কিন্তু সকলো জাতিৰ মানুহকে তেওঁ শিষ্যত্ব দিছিল আৰু তেওঁলোকৰ সৈতে একে-লগে খোৱা-বোৱা কৰিছিল। "মুচি হৈলেও শুচি যদি হৰি ভজে। শুচি হৈলেও মুচি যদি হৰি ত্যজে।"

পঞ্চদশ শতিকাৰ অসমীয়া সমাজখন ছেদেলি ভেদেলি হৈ আছিল। ৰাজনৈতিক অস্থিৰতা, সংকীৰ্ণ ধৰ্ম্ম বিশ্বাস আদি নানা কাৰণত আমাৰ বৃহত্তৰ অসমীয়া জাতিটোৰ মাজত সামগ্ৰিক ঐক্য নাছিল। সেই সময়ত অসম কেইবাটাও ৰাজকীয় শক্তিত বিভক্ত হৈ আছিল। পূৱফালে চুটীয়া বিলাকে, দক্ষিণ-পূৱে কছাৰী বিলাকে, চুটীয়াৰ পশ্চিম ফালে বাৰভূঞা সকলে, পশ্চিমফালে কমতা ৰাজ্যৰ কোচ সকলে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম সকলে ৰাজত্ব কৰিছিল। এনে ৰাজনৈতিক অৰিয়া অৰিৰ সময়ত শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাব হৈ সকলো সম্প্ৰদায়কে সামৰা এটা ধৰ্ম্ম আৰু এটা উমৈহতীয়া জাতীয় ভাষাৰে জাতীয় ঐক্য সাধন কৰি সৰ্ব্ব ভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত অসমৰ জাতীয় জীৱনৰ ঐক্যভাৱ স্থাপন কৰে।

মহাপুৰুষ শঙ্কৰদেৱে ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্ম পুৰাণৰ সহস্ৰ নাম খণ্ডৰ পৰা নাম ধৰ্ম্ম লৈ অসম, কামৰূপ আৰু কোচ-বিহাৰত যি ভক্তি ধৰ্ম্ম তথা একশৰণ নামধৰ্ম্ম প্ৰচাৰ কৰিলে তাৰ ফলত নানান ধৰ্ম্ম, বিভিন্ন আচাৰ পদ্ধতি, বিভিন্ন জাতি-উপজাতি আৰু ভাষা আদিৰে বহুধা

বিভক্ত হৈ থকা অসমৰ জন-সাধাৰণ এডাল সুতাৰে গ্ৰথিত হৈ বৃহৎ অসমীজাতি গঠিত হ'ল।

গীতা আৰু ভাগৱতত প্ৰকাশিত একশৰণ নাম ধৰ্ম্ম প্ৰচাৰেই হ'ল তেওঁৰ জীৱনৰ ব্ৰত। এই একশৰণ ধৰ্ম্মৰে নামান্তৰ ভাগৱত ধৰ্ম বা ভক্তি ধৰ্ম। কেৱল এজন পৰমেশ্বৰ বুলি তেওঁক উপাসনা কৰা, তেওঁত শৰণ লোৱাই একশৰণৰ একমাত্ৰ তাৎপৰ্য নহয়। কীৰ্ত্তনত কৈছে —

"কুক্কুৰ চণ্ডাল গদৰ্ভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম॥
সমস্ত ভূতত বিষ্ণু বুদ্ধি নোহে যাৰে।
কায় বাক্য মনে অভ্যাসিবা এহি ভাৰে॥
বিষ্ণুময় দেখে যিটো সমস্ত জগত।
জীৱন্তে মুকুত হোৱে অচিৰ কালত"॥

এনে উদাৰ বাণীৰ কাৰণেই সমাজৰ সকলো শ্ৰেণীৰ লোক একত্ৰিত হোৱা সহজ হ'ল। এনেকৈ একগোট হোৱা সমাজক "এক দেৱ এক সেৱ এক বিনে নাই কেৱ" বুলি কোৱাত পাহাৰ ভৈয়ামৰ বিভিন্ন সম্প্ৰদায়ৰ সম্প্ৰদায়িকতা লোপ পাবলৈ উপক্ৰম হ'ল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ সমাজ আছিল সামন্ত যুগীয় অনেক ধৰ্ম্মৰ আচাৰ নীতি সৰ্ব্বস্বতাৰে দ্বন্দ্বমুখৰ সমাজ। সামন্ত যুগত ৰাজধৰ্ম্ম'ই হব লাগিব প্ৰজাধৰ্ম্ম'। সেয়েহে ৰাজধৰ্ম্ম'ৰ বাদে অন্যধৰ্ম্ম'ৰ বিচৰণভূমি নিৰাপদ নাছিল। তথাপি সেইটো যুগত নানান ধৰ্ম্ম'ৰ ব্যাপক প্ৰচলন আছিল। নানা তন্ত্ৰ মন্ত্ৰ, বলি বিধান, অন্ধ বিশ্বাস আৰু জঘন্য কুসংস্কাৰে পৰিপূৰ্ণ সমাজখনক নিকা কৰি এটা শুদ্ধ আদৰ্শৰ আবেষ্টনীলৈ আনিবৰ বাবে শঙ্কৰদেৱে বেদ উপনিষদৰ প্ৰতি পান্থ বৈষ্ণৱ ধৰ্ম্ম'ক যুগ আৰু সমাজৰ উপযোগীকৈ সজাই ললে। সমকালীন ধৰ্ম্ম'বোৰত উশৃংখলতা, অসামাজিকতা আদি দেখি বুজিও সেই ধৰ্ম্ম'বোৰৰ ওপৰত নিন্দা আৰু সমালোচনাৰ পোনপটীয়া আঘাট নাসানিলে। মাথো আশ্ৰয় ললে ৰূপান্তৰৰ। কুসংস্কাৰপূৰ্ণ ধৰ্ম্ম'বোৰৰ দুই এক আদৰ্শক ইফাল সিফাল কৰি ৰূপান্তৰ ঘটাই তেওঁৰ গতিশীল ধৰ্ম্মীয় আদৰ্শত সামৰি ললে। আনকি অতি তান্ত্ৰিকৰূপ লাভ কৰা সেই সময়ৰ শক্তি-শালী শৈৱধৰ্ম্ম'-কো শুদ্ধ ৰূপ দি বৈষ্ণৱাদৰ্শৰ লগত মিলাই দিয়া হ'ল। সেইটো চাহাবে 'Sensus of India'-ত কৈছে যে আগ্নিয়ামেছ সকলে শিৱ মূৰ্ত্তিৰ আগত ম'হ, ছাগলী, পাৰ আদি বলি দিছিল। এনে বৰ্ব্বৰ নীতিৰ পতন ঘটোৱা সহজ নহয়। গতিকে শ্ৰীমন্ত শঙ্কৰদেৱে নামৰ দহোটা অপৰাধ কৰি ক'লে—

"গুণ নাম যত বিষ্ণু শিৱৰ।
তাক ভিন্ন বুদ্ধি কৰে যি নৰ॥
নামৰ সিও মহা অপৰাধী।
নৰকত পৰে দৈৱে নৰাধি॥

শঙ্কৰ দেৱৰ উপাস্য দেৱতা বিষ্ণুৰ সমমৰ্য্যদা যেতিয়া শিৱকো দিয়া হ'ল, তেতিয়া শিৱ উপাসক সকলে শঙ্কৰদেৱৰ বিৰুধিতা কৰে কেনেকৈ ?

শঙ্কৰদেৱ নিজে অব্ৰাহ্মণ আছিল। পিছে যি সকলে তেওঁক আধ্যাত্মিক গুৰু বুলি মানি লব পাৰিছিল তেনে ব্ৰাহ্মণকো তেওঁ শিষ্যৰূপে গ্ৰহণ কৰিছিল। জাতিভেদ প্ৰথাৰ ৰক্ষণশীল সমৰ্থক সকলে সমৰ্থন নকৰা কামবিলাকৰ ভিতৰত এইটোও এটা। কোচ ৰাজসভাত এই কামৰ কাৰণে শঙ্কৰদেৱে কৈফিয়ৎ দিব লগাও হৈছিল। এজন শূদ্ৰৰ ধৰ্ম্ম গ্ৰহণ কৰা কাৰণে দামোদৰ দেৱকো তিৰস্কাৰ কৰা হৈছিল। এই বিষয়ে যি যুক্তি দিয়া হৈছিল সেইটো এয়ে যে আনক বেদৰ মন্ত্ৰ দিয়াৰ বিষয়ত এজন শূদ্ৰৰ হয়তো বাধা থাকিব পাৰে, কিন্তু যাকে তাকে নাম মন্ত্ৰ দিবৰ কাৰণে তেওঁৰ সম্পূৰ্ণ অধিকাৰ আছে। সেয়েহে শঙ্কৰদেৱৰ পন্থত আমি শূদ্ৰ আচাৰ্যৰ ব্ৰাহ্মণ শিষ্য ও থকা দেখা পাওঁ। ভাৰতৰ আন ঠাইত যি সকলক অস্পৃশ্য বুলি গণ্য কৰা হয় তেনে লোককো ব্ৰাহ্মণ মহন্তৰ শিষ্যৰূপে দেখা পাওঁ। আনহাতে এই পন্থত

জাতিৰ ভিত্তিত কাকো শৰণ লবৰ কাৰণে অযোগ্য বুলি বিবেচনা কৰা নহয়। শঙ্কৰদেৱে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, কছাৰীৰ ৰমাই, ভোটৰ দামোদৰ, গিচিঙৰ পৰমানন্দ, কৈৱৰ্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, যৱনৰ চাঁদসাই, ব্ৰাহ্মণৰ ৰাম ৰাম গুৰু, দামোদৰদেৱ, অনন্ত-কন্দলি আদি বাৰজন শিষ্যক প্ৰধান ভকতৰ শাৰীত একেলগে সমমৰ্যদা দিলে। আহোম, কোচ, মিৰি-কছাৰী, মৰাণ আদি আন বহুতো জাতিৰ লোকক অবাধে শঙ্কৰদেৱৰ পন্থৰ বৈষ্ণৱ ধৰ্ম্মলৈ ধৰ্মান্তৰ গ্ৰহণ কৰোৱা হৈছিল। এই ধৰ্ম্মৰ উদাৰ মানাভাৱেই বিভিন্ন জাতিৰ লোকক একতাৰ ডোলেৰে বান্ধি একেটা ধৰ্ম সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত কৰিব পাৰিছিল।

শঙ্কৰদেৱ আছিল বহুধা বিভক্ত মধ্যযুগীয়া অসমীয়া সমাজখনৰ প্ৰধান ঐক্য শাক্তি। বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ ভাষাত কব লাগিলে তেওঁ আছিল "a cementing force"। তেওঁৰ ভক্তি ধৰ্ম্মই ভাগ ভাগ হৈ থকা অসমৰ কেৱল সামন্তীয় সমাজ বিলাককেই নহয়, সমতল অঞ্চলত থকা জন জাতীয় সমাজবিলাককো বৃহত্তৰ অসমীয়া সমাজৰ লগত একাকাৰ কৰি পেলাবলৈ বহু পৰিমানে সক্ষম হৈছিল। আহোম আৰু কোঁচৰ নেতৃত্বত ৰাজনৈতিক আৰু অৰ্থনৈতিক ভাৱে অসমখন একত্ৰিত হৈ আহিবলৈ ধৰিছিল যদিও ইয়াৰ বিভিন্ন জনগোষ্ঠীৰবোৰৰ মাজত ভাৱাদৰ্শগানিত ঐক্য তেতিয়ালৈকে প্ৰতিষ্ঠা হোৱা নাছিল। ভক্তিধৰ্ম্মৰ কোবাল সোঁতেৰে বিভেদৰ এই সৰু-সৰু গাই গুটীয়া জান জুৰি বোৰৰ একত্ৰিকৰণেৰে "শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা। বহে ব্ৰাহ্মাণুক ভেদি।"

অৱশ্য শঙ্কৰদেৱ জাতি ভেদৰ বিৰোধী নাছিল সেয়েহে মহেশ্বৰনেওগদেৱে লিখিছে "Sankara did ot venture to pull down caste distinctions," শঙ্কৰী ধৰ্ম্ম জাতিভেদ বিৰোধী নোহোৱাৰ কাৰণেই আজিও সত্ৰৰ ভকত সকলৰ মাজত অসবৰ্ণ বিবাহ নচলে বা একেলগে নাম প্ৰসংগত বহিলেও তেওঁলোক সকলেৰে জাতিবৰ্ণ নিৰ্ব্বিশেৰে খোৱা বোৱা ও কৰে। যদিও তেওঁ জাতিভেদৰ বিৰোধী নাছিল তথাপি হৰি ভক্তিৰ দুৱাৰ তেওঁ মুকলি কৰি দিছিল সমাজৰ সকলো জাতিৰ মানুহৰ কাৰণে। শূদ্ৰ, চণ্ডাল সকলোৰে তেওঁৰ ধৰ্ম্মত অধিকাৰ আছিল সমান। এইদৰে জাতিভেদ প্ৰথা উলংঘা নকৰিও তেওঁ সমাজত সাম্যৰ ভাৱ আনিবলৈ সক্ষম হৈছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া সংস্কৃতিৰ মনিকোঠাত সোমাই জাতি তথা সমাজ গঠনত আধ্যাত্মিক দিশত, মানৱ সেৱা সংগঠনত, সমাজ সংস্কাৰত, দাৰ্শনিক তত্ব উদ্ধাৰত, জাতিৰ চেতনা প্ৰবাহত, কলা-সংস্কৃতি শিল্পৰ নৱজাগৰণত, সমন্বয়ৰ সংহতিৰ আধাৰত যিখিনি অৰিহনা সমগ্ৰ মানৱ জাতিৰ বাবে দি গৈছে, আন কোনো মহাপুৰুষৰ জীৱনতে এইখিনিৰ সমাৱেশ হোৱা দেখিবলৈ পোৱা নাযায়।

শঙ্কৰদেৱ আছিল অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰথম আৰু প্ৰধান হোতা। ছেদেলি-ভেদেলি হৈ থকা অসমৰ জনগোষ্ঠি সমূহৰ ভেদাভেদবোৰ হ্ৰাস কৰি, সিবোৰক একতাৰ ডোলেৰে বান্ধি তেওঁ গঢ়ি তুলিছিল এক বৃহৎ অসমীয়া সমাজ আৰু জাতিটোক কৰি তুলিছিল ন ন সমন্বয়ৰ আদৰ্শেৰে উন্মুখ। বৰ্ত্তমান অসমীয়া জাতিটো ছেদেলি ভেদেলি হৈ পৰিব খোজা দিনত 'কিছু দিব লাগিব, কিছু লব লাগিব'

তাহানিতে শঙ্ক দেৱে আৰু আজি জ্যোতি প্ৰসাদে দেখুৱাই থৈ যোৱা এই সমন্বয় নীতি গ্ৰহণৰ অবিহনে আৰু আমাৰ গত্যন্তৰ নাই। কোনো সচেতন অসমীয়াকে এই কথা বুজাই কব নালাগে যে এক ঔদাৰ্যপূৰ্ণ সমন্বয়ৰ অবিহনে অসমীয়া জাতিটোৰ এটা গৌৰৱোজ্জল অতীতহে মাথোন থাকিব, সন্মুখত থাকিব মাথো এন্ধাৰ। ভাই ভাইৰ মাজত হোৱা হিংসা, আৰু শত্ৰু ভাৱ নাশ কৰি এখন সবল সুস্থ নিকা অসমীয়া সমাজ আমি গঢ়ি তুলিব পাৰিম মাথোন তেতিয়াহে, যেতিয়া জাতি-ধৰ্ম্ম-বৰ্ণ নিৰ্ব্বিশেষে আমি সকলোৱেই উপলব্ধি কৰিব পাৰিম শঙ্কৰদেৱৰ সেই অমৰ বাক্যামৃতঃ

পৰৰ ধৰ্ম্মক নিহিংসিবা কদাচিত।
কৰিবা ভুতক দায়া সকৰুণা চিত্ত ॥

শেষত কওঁ —হাততে পোৱা মাত্ৰ কেইখনিমান কিতাপ আৰু কেইটামান প্ৰবন্ধৰ আধাৰত শঙ্কৰ দেৱক বুজাৰ আমাৰ ই এটা প্ৰাৰম্ভিক প্ৰয়াস মাত্ৰ। এই হেগা চোৰোকা প্ৰবন্ধটিৰ অঙ্গস ভুল ভ্ৰান্তি গুণী জ্ঞানী সকলৰ চকুত সহজেই ধৰা পৰিব। তেখেত সকলৈ নিবেদন শঙ্কৰদেৱৰ ভাষাৰেই—

কৰযোৰে বুদ্ধলোক বোলো ক্ষমিয়োক মোক
আমাৰ অযোগ্য ইটো কৰ্ম্ম।
পদত দুষণ পাই নিন্দিবেক নুযুৱাই
মহন্ত জনৰ ক্ষমা ধৰ্ম্ম ॥
ৰামায়ণ উত্তৰাকাণ্ড

=×=

---

# ছাত্ৰ আৰু সমাজ সেৱা

শ্ৰীবদন কলিতা,
স্নাতক তৃতীয় বাৰ্ষিক,
লঃ তেঃ কঃ মহাবিদ্যালয়।

মানুহ সামাজিক জীৱ। সমাজক বাদ দি মানুহ জীয়াই থাকিব নোৱাৰে। সমাজৰ উন্নতি হলে ব্যক্তিৰো উন্নতি হয়। যি কামে সমাজৰ হিত সাধন কৰে সেই কামে ব্যক্তিৰো উন্নতি সাধন কৰিব পাৰে। সেই কাৰণে সমাজ সেৱা কৰা ব্যক্তি মাত্ৰৰে কৰ্ত্তব্য। ছাত্ৰ সকলো সমাজৰে এক অংগ। সমাজৰ প্ৰতি ছাত্ৰৰো কৰিব লগীয়া বহুত আছে।

আমাৰ দেশ বৰ পাছ পৰা। ইয়াৰ অধিকাংশ লোক গাঁৱত বাস কৰে এওঁলোক প্ৰায় অশিক্ষিত। এওলোকৰ মানত ছাত্ৰ সকলেই শিক্ষিতলোক। গাঁৱলীয়া লোকে ছাত্ৰক শিক্ষিত

লোকৰ সন্মান দিয়ে আৰু আপোন মানুহৰ নিচিনাই ছাত্ৰৰ মঙ্গল কামনা কৰে। ইয়াৰ বিনিময়ত ছাত্ৰসকলে তেওঁলোকক কিছু সেৱা কৰা নিতান্ত উচিত।

ছাত্ৰৰ প্ৰধান কাম অধ্যয়ণ। অধ্যয়ণৰ হানি হব পৰা তেনেকোনো কাম ছাত্ৰই কৰিব নালাগে। কিন্তু অধ্যয়ণত বিঘিনি নোহোৱাকৈ ছাত্ৰই সমাজৰ হিত কাম কিছু কৰিব পাৰে। সেই বাবে আজি কালি স্কুল কলেজৰ ছাত্ৰ সভাবোৰত Social service বা সমাজসেৱা বিভাগৰ দিহা কৰা হৈছে। এ চি· চি, এন· চি· চি· আৰু স্কাউটগাইড আদিও এক প্ৰকাৰৰ সমাজসেৱা অনুষ্ঠান খোলা হৈছে। স্কুল, কলেজৰ বাহিৰতো আজি কালি বিভিন্ন ছাত্ৰ সংগঠন আছে। কিন্তু এই সংগঠনবোৰে ৰাজনীতিত যিমান গুৰুত্ব দিয়ে, সমাজসেৱাত সিমান গুৰুত্ব নিদিয়ে। ইয়াৰ অন্তৰালত বহুত কথাই আছে। গভীৰ ভাবে চালে ইয়াৰ চালুকীয়া তত্ত্ব ওলাই পৰিব। অৱশ্যে যদি কৰবাত ছাত্ৰই সমাজ সেৱাত অংশ গ্ৰহণ কৰে তেতিয়া তেনে ছাত্ৰৰ অকৃতকাৰ্য্য আমি শুনি পোৱা নাই। আমাৰ অসমতো ছাত্ৰসকলে জাতীয় জীৱনৰ অগ্ৰগতিত আগভাগ নোলোৱাকৈ থকা নাই। এসময়ত অসম ছাত্ৰ সন্মিলনে সমাজসেৱা কামত যি অৰিহনা যোগাইছিল তাৰ তুলনা দি শেষ কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে ভাষা আন্দোলন, যেতিয়া বঙালী ভাষাই অসমত খোপনি পুতিছিল, তেতিয়া শিক্ষিত ছাত্ৰ-ছাত্ৰীয়ে গাওঁবাসীক ইয়াৰ অসাৰ্থকতাৰ কথা বুজাই সমাজ সংস্কাৰত আগভাগ লৈছিল। কাণিৰ খোলাৰ পৰা কাণীয়া লোকক উঠাই আনি সহজ ভাবাৰে বুজাই কাণি ত্যাগৰ মূল্যায়ন দিছিল। সেই সমাজসেৱাৰ বীজে আজিও অসমৰ জনসাধাৰণক উন্নতি কৰি ৰাখিছে। কিন্তু বৰ্ত্তমান সমাজ সেৱাত প্ৰতিমূহুৰ্ত্ততে ৰাজনীতিৰ ছাঁ পৰিছে আৰু সমাজসেৱাৰ যোগেদি ৰাজনৈতিক স্বাৰ্থত উপনিত হৈছে। অসমত এয়ে বৰ্ত্তমান সমাজসেৱা গুৰুত্ব।

আমাৰ দেশত প্ৰাকৃতিক দুৰ্য্যোগ, মাৰিমৰক আদি সঘনে হৈ থাকে। ইয়াৰ প্ৰতিবিধান আৰু প্ৰতিকাৰৰ বিষয়ে সৰ্ব্বসাধাৰন লোক অজ্ঞাত। ছাত্ৰ সকলে এই বিষয়ে মানুহক উপদেশ দি শান্তনা দিব পাৰে। দান বৰঙণি তুলি দুৰ্গত সকলক সাময়িক সাহাৰ্য্য দিব পাৰে। নিজৰ শ্ৰম দানেৰেও ছাত্ৰ সকলে বহু সকাহ দিব পাৰে। যেনে গাঁৱত আলি পদুলি বাট ঘাট, পুখুৰী আদি মেৰামতি আৰু সংস্কাৰ কামত সহায় কৰিব পাৰে। অশিক্ষিত সমাজত কু-ৰীতি-নীতিৰ বাবে দেশৰ গতি বিপক্ষে যাব পাৰে তাক ছাত্ৰ সকলে সৎ পৰামৰ্শৰে নিৰপেক্ষতাৰে নিৰ্মূল কৰাৰ বৱ্যস্থা লব লাগে। বেমাৰ আজাৰৰ ক্ষেত্ৰত জনসাধাৰণক পৰিষ্কাৰ পৰিচ্ছন্নতা হবলৈ উপদেশ যাচিব লাগে। আৰু ছাত্ৰই নিজকে বেমাৰৰ পৰা হাত সৰাই পথ-পদৰ্শক হিচাবে সমাজক দেখাব লাগে। আকস্মিক দুৰ্ঘটনাত প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰি দিব পাৰে। স্কুল কলেজ বন্ধৰ সময়ত ছাত্ৰ সকলে নিৰক্ষৰ লোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে সমাজ উন্নতিৰ পথে আগ বাঢ়িব পাৰে। গাৱঁত পুথি-ভঁৰাল পাতি অধ্যয়নৰ বাতাবৰণ সৃষ্টি কৰাৰ লগতে যুৱকক ব্যস্ত ৰখাৰ ব্যৱস্থা কৰিব লাগে। সক্ষমতা অনুসাৰে দুখীয়া লোকক সহায় কৰা আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সকলে আৰ্থিক সাহাৰ্য্যৰে অগবঢ়াব লাগে প্ৰাকৃতিক দুৰ্য্যোগ মাৰি-মৰকৰ সময়ত ৰোগীক

শুশ্রূষা কৰিব লাগে। এই কামত ছাত্ৰৰ বিশেষ পঢ়া-শুনাত ক্ষতি নহয় অথচ বাইজৰ বৰ উপকাৰ হয়। এই কাম ব্যক্তিগত ভাৱে নকৰি দলবদ্ধ ভাৱে কৰিলে বেছি কৃতকাৰ্য্য হোৱাৰ থল আছে। ইয়াৰ পৰা পৰম্পৰৰ ভাব উপজি ছাত্ৰ সকলৰ একত্ৰাৰ ভাব ৰূপকপীয়া হব পাৰে।

সমাজসেৱা মহৎ কাম। জীৱৰ সেৱাই "শিৱৰ সেৱা" বুলি এষাৰ কথা শাস্ত্ৰ বোৰত আছে। অনেক পুৰুষে সমাজসেৱা কৰি আদৰ্শ সমাজত ৰাখি থৈ গৈছে। মহৎ লোকে অকল নিজৰ কাৰণে বা নাম যশস্যাৰ কাৰণে কাম নকৰে। দেশ আৰু দহৰ কাম কৰিহে তেওঁ লোকে ভাল পায়। সৎ কামৰ যশস্যা স্থায়ী। বিপদগ্ৰস্ত বা দুৰ্গত লোকক সহায় কৰাৰ নিচিনা মহৎ কাম একোৱেই নাই।

গতিকে আমি ছাত্ৰ সকলে নিজকে দায়-বদ্ধ বুলি বিবেচনা কৰি পৰিকল্পিত ভাৱে সমাজ সেৱা কাম কৰিবলৈ আগবাঢ়ি অহা উচিত। ইয়াৰ পৰা আমাৰ নিজৰ উপকাৰৰ লগতে দেশৰ উপকাৰ হয়। যিহেতু যিদেশত আমি সমাজসেৱা কৰো তাত আমিও বাস কৰো আৰু তাৰ ফল আমি তথা আমাৰ পৰৱৰ্ত্তি পুৰুষে পাব। আমি আন্দোলন কৰি, বিদ্ৰোহ কৰি, বিক্ষোপ কৰি আমাৰ সমাজৰ পৰা আৱৰ্জনা তথা কু-সংস্কাৰ দূৰ কৰিব নোৱাৰো, সমাজক উন্নতিৰ পথলৈ নিব নোৱাৰো, নতুন দিগন্তক স্পৰ্শ কৰাব নোৱাৰো এইটো সত্য। পাৰিম মাথো সমাজসেৱাৰ যোগেদি। সমাজত সৃষ্টি হোৱা বিভিন্ন সমস্যাৰ সমষ্টিয়েই হৈছে দেশৰ সমস্যা। গতিকে সমাজৰ সমস্যাবোৰ আমি নিজে হাতে কামে লাগি দূৰ কৰিলে দেশৰ সমস্যা পাতলি যাব। ফলত সমাজ নতুন পথলৈ পুনৰ গতি কৰিব। ইয়াকে নকৰি আমি ছাত্ৰই যদি লোকৰ পৰোচনাত পৰি সমাজ সংস্কাৰৰ মুখা পিন্ধি নিজক প্ৰতিষ্ঠা কৰিব বিছৰা হয় তেতিয়া হলে দেশৰ পৰা সমস্যা দূৰৰ কৰাৰ ঠাইত ওচৰহে চাপিব।

## মহৎ বাণী

[১] "যুক্তিবাদী মানুহে নিজকে পৃথিৱীৰ লগত খাপ খুৱাই লয়। যুক্তি নথকা মানুহে পৃথিৱীখনক নিজৰ লগত খাপ খুৱাই লবলৈহে অবিৰাম চেষ্টা কৰি থাকে"।
জৰ্জ বাৰ্ণাড শ্ব

সংগ্ৰাহক - দয়াল কৃষ্ণ নাথ
উচ্চতৰ প্ৰথম বাৰ্ষিক,

[২] "ভাব অনুভূতি আৰু আবেগৰ মনোভাৱেৰে আমি জীৱন উপলব্ধি কৰিব নোৱাৰো। মুকলি অন্তৰেৰে আৰু সাহসেৰে বাস্তৱতাৰ সন্মুখীন হলেহে সেইটো কৰিব পাৰি"।
জৱাহৰলাল নেহেৰু

# অসমৰ প্ৰাচীন খেল ধেমালী

শ্ৰীপুষ্পধৰ শইকীয়া ।
স্নাতক তৃতীয় বাৰ্ষিক
লঃ তেঃ কঃ মঃ

প্ৰাচীন অসমৰ খেল-ধেমালীৰ কথা কবলৈ যোৱাৰ আগতে সেই কালৰ সমাজৰ ছবিখনি অবলোকন কৰিব লাগিব । যান্ত্ৰিকতাই স্পৰ্শ কৰা আজিৰ সমাজখনৰ দৰে তেতিয়াৰ সমাজখন নাছিল; সেই সমাজখন আছিল কেৱল কৃষিনিৰ্ভশীল সমাজহে । কৃষিয়েই সেইকালৰ জীৱন আৰু জীৱিকাৰ সমাজৰ সম্বল । গতিকে কৃষিৰ আউজনীতে আজৰি পৰত পৰিবেশ আৰু পৰিস্থিতি সাপেক্ষে মানুহৰ মাজত কিছুমান খেল-ধেমালীৰ সৃষ্টি হৈছিল; যিবোৰৰ সুসংস্কাৰিত ৰূপ কালৰ বুকুত ক্ষয় নোযোৱাকৈ জনমানসত বৰ্ত্তি থাকিল । সময় সলনি হৈ যোৱাৰ লগে লগে সেই খেল ধেমালী সমূহ পৰিৱৰ্ত্তন হৈ গাওঁ সমূহত থাকি গ'ল ।

প্ৰাচীন অসমৰ খেল-ধেমালী সমূহৰ পট ভূমি গাওঁ হলেও ক্ৰমান্বয়ে সেই খেলসমূহ গাঁৱৰ পৰা দেশৰ চুকে-কোনে বিয়পি পৰা পৰিলক্ষিত হয় । যিহেতু কিছুমান খেল-ধেমালীৰ পৰিসৰে অসম তথা সৰ্ব্বভাৰতীয় মৰ্য্যদা পোৱা কথাও নুই কৰিব নোৱাৰি । এনে খেল সমূহৰ জনপ্ৰিয়তা সৰ্ব্বভাৰতীয় ক্ষেত্ৰত ইমান অধিক যে, খেল সমূহৰ উৎস অসমৰ পৰা গৈ ভাৰতৰ অন্য ঠাইত প্ৰবেশিলেনে অন্য প্ৰদেশৰ পৰা আহি অসমত থিতাপি ললে কোৱা টান । পাশাখেল লুকালুকি খেল সৰ্ব্বভাৰতীয়, খেল ই ৰামায়ণ মহাভাৰতৰ যুগতো জনমানসত জিলিকি আছিল । লুকালুকি খেলৰ কথা বাৎসায়ণৰ কাম সুত্ৰতো উল্লেখ আছে । এই খেল শিশুকালৰ যৌন উদ্দীপক খেল বুলি বাৎসায়ণে অভিহিত কৰিছে ।

সাধাৰণ লোকৰ সামাজিক পৰিবেশত উদ্ভৱ হৈ যিবোৰ খেলে জনমানসত জনপ্ৰিয়তা অৰ্জন কৰিছিল, সেইখেল সমূহক কেবাটাও ভাগত ভগাব পাৰি ।

(ক) ল'ৰা ছোৱালীৰ খেল ।

(খ) ডেকা গাভৰুৰ খেল ।

(গ) ডেকা-গাভৰু বা ল'ৰা-ছোৱালী সকলোৱে খেলিব পৰা খেল ।

এনে খেল সমূহৰ ভিতৰত কিছুমান বাহিৰ চ'ৰাৰ খেল, তাৰে কিছুমান ভিতৰ চ'ৰাৰ খেল । ভিতৰ-চৰা খেলৰ সৰহ ভাগতে পুৰুষ মহিলা উভয়ে ভাগ ল'ব পাৰে । কিন্তু বাহিৰ চৰা খেলত কেৱল পুৰুষ সকলেহে ভাগ লয়; হলেও ঢোপ খেলৰ লেখীয়া খেলত কেৱল নাৰীসকলৰ ভূমিকা উল্লেখনীয় ।

আধুনিক যুগৰ ক্ৰিকেট খেলৰ নাম নজনা মানুহ নাই । এই খেলত খেলুৱৈ হিচাবে প্ৰতি জনে ভাগ লব নোৱাৰিলেও ৰেডিঅ' টেলিভিশ্যনৰ

সহায়েৰে দৰ্শক শ্ৰুতা হিচাবে ভাগ লোৱা লোকৰ অভাৱ নাই। অসমীয়া মানুহে পুৰণি দিনত কঠিয়া তলীত, নৈ চাপৰিত, মুকলি খেল পথাৰত ক্ৰিকেট খেলৰ দৰে এবিধ খেল খেলিছিল যাৰনাম টাংগুটি বা বি-ই-টি। এই খেল অবিকল ক্ৰিকেটৰ দৰেই, টাংগুটিৰ খেলৰ উৎস অনুধাৱন কৰিলে টাংগুটিৰ পৰাই যে ক্ৰিকেট খেলৰ ৰূপান্তৰ হৈছে এইকথা ভবাৰ অৱকাশ ওলায়, তদুপৰি ৰচি টনা খেল (Tug of war) খনো পুৰণি অসমৰ কৰ্কাল টনা খেলৰে ৰূপান্তৰ বুলিব পাৰি।

বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰে পৰা অসমীয়া মানুহৰ মাজত যিবোৰ খেল ধেমালী আছিল সকলো খেলৰ পূৰ্ণতা প্ৰকাশ পাই আহোম যুগত। ইয়াৰ সাক্ষী ৰংপুৰৰ ৰংঘৰ। ৰংঘৰৰ সন্মুখত আজিৰ পৰত বিশেষকৈ বহাগ বিহুত স্বৰ্গদেউসকলে বিবিধ প্ৰকাৰৰ খেল-ধেমালী আয়োজন কৰি নিপুণ খেলুৱৈ সকলৰ বুদ্ধি, বৃত্তি, শাৰীৰিক মানসিক শক্তি পৰীক্ষা কৰি খেল সমূহক উন্নীত কৰি খেলুৱৈক ৰাজকীয় মৰ্য্যদা দিছিল। ৰংঘৰৰ সন্মুখত ৰূপহী পথাৰত বিবিধ প্ৰকাৰৰ জীৱ জন্তু, পশু-পক্ষীৰ যুঁজৰ বাহিৰেও মালযুঁজ, লাঠিখেল, কৰ্কাল যুঁজ আদি এশ একুৰি খেলৰ আয়োজন কৰাৰ কথা বুৰঞ্জী সমূহত পোৱা যায়। ঘৰিয়াল যুজ, ম'হৰ যুঁজ, ঘোৰা যুঁজ, হাতী যুজ বাঘ যুঁজ, শেন চৰাই যুঁজ, কন্দুৰা যুঁজ, পাৰ যুঁজ আদিৰ ইতিবৃত্তি বুৰঞ্জীত পোৱা যায়। এই যুঁজ সমূহৰ বুৰঞ্জীত প্ৰনয়ণ কৰা হৈছিল। বিহুৰ পৰিৱেশত বিবিধ প্ৰকাৰৰ যুঁজ আৰু খেল-ধেমালী অয়োজন কৰি স্বৰ্গদেও সকলে ৰজা প্ৰজাৰ মাজত খেল ধেমালীৰ যোগেদি সম্প্ৰীতি আৰু সংহতিৰ বান্ধ কটকটীয়া কৰিছিল। বিহুৰ লগত সংগতি ৰাখি কৃষিজীৱি লোকে কড়িখেল, কণী যুজ, কুকুৰা যুঁজ, হুচৰিৰ লহৰীয়া খেল আদি আয়োজন কৰি শস্য বৃদ্ধিৰ কামনা কৰিছিল। ঘিলা খেল অসমীয়া মানুহৰ অতি জনপ্ৰিয় খেল আছিল। আজিৰ পৰত অসমীয়া ডেকা সকলে ঘিলা খেল আয়োজন কৰি খেলুৱৈৰ খেলৰ নিপুণতা প্ৰকাশ কৰাই নহয়, ধৈৰ্য্য, একনিষ্ঠতা মনোযোগ আৰু স্থিৰ লক্ষ্য নিৰূপণ কৰাত আগ ভাগ লৈছিল তদুপৰি ঘিলাৰ সহায়েৰে যুদ্ধত ঘোৰাক কাৰ্য্যক্ষমতাৰ শিক্ষা দিছিল। এনে আপুৰুগীয়া খেলৰ সম্যক বুৰঞ্জী ঘোৰাৰ বুৰঞ্জী সমূহত উল্লেখ আছে।

ৰংপুৰৰ ৰংঘৰৰ বাকৰিত প্ৰদশন কৰিবলগীয়া সকলোবোৰ খেলৰ আখৰাতলী আছিল গাওঁ সমূহ বিবিধ প্ৰকাৰৰ জীৱ-জন্তুক খেলৰ বাবে পাকৈত কৰাত ওস্তাদ সকলে নিজৰ বুদ্ধি বৃত্তি প্ৰয়োগ কৰাৰ লগে লগে পৰম্পৰাগত বুৰঞ্জী আৰু মন্ত্ৰ পুথিৰ মন্ত্ৰ সমূহ প্ৰয়োগ কৰি জীৱ-জন্তু সমূহ যুঁজৰ বাবে পাকৈত কৰিছিল গতিকে গাওঁ সমূহত আজিৰ পৰত ল'ৰাৰ পৰা বুঢ়ালৈকে আটায়ে খেল ধেমালীৰ আখৰা গোটেই বছৰতেই কৰিছিল বুলি কব পাৰি। চেমনীয়া ডেকা হতে গৰু ম'হ চৰাওতে সুৰুঙা চাই লুকালুকি খেলে, হাজামৰণি খেল শিয়াল চুকনী খেল, গুটি খেল, ঘিলা খেলা হাডুডু খেল, দবা কইনা খেল, গাগিনী খেল, মাদোমদোম, উকুলি মুকুলি খেল আতুগী গাধুৰী খেল খোলাকটি মালাকটি খেল, খুলি খেল, বান্দৰ পোৱালী খেল, শিয়ালবাগী খেল, আদি অনেক খেল গাওঁ অঞ্চলত সজীৱ হৈ আছিল। এইবোৰ খেলৰ যোগেদি স্বাস্থ্য চৰ্চ্চাৰ লগতে ল'ৰা-ছোৱালীৰ বাহ্যিক অনুভূতি সঞ্চাৰ হোৱা কথাও নুই কৰিব নোৱাৰি। অসম নদ-নদীৰে আৱৰা দেশ। নদ-নদী সাঁতুৰি পাৰদৰ্শিতা দেখুৱাৰ পৰা লোকৰ সংখ্যা অনেক। পানীৰ মাজত ভৰি দুটা ওপৰলৈ কৰি মূৰটো তলত বুৰ মাৰি কলপুলি বোৱা এক প্ৰকাৰ অভ্যাসৰ কথা। সাতোঁৰ বিখ্যাত অসমীয়া মানুহৰ নিপুণতা লক্ষ্য কৰিব লগীয়া। থিয় সাঁতোৰা. চিলনী সাঁতোৰ আদি অনেক অসমীয়া ডেকা গাভৰুয়ে জানিছিল। থিয় সাঁতোৰ অতি কৌতুকপূৰ্ণ। এই সাঁতোৰ দি কাণত ভাৰ বৈ আহিব পৰা লোকো আছিল। সাঁতোৰা লোকজনৰ অতি দ-পানীতো চুবিয়া নিতিতাকৈ অহা কথা আজিৰ চাম মানুহে বিশ্বাস কৰিবলৈ টান পাব। নৈ নলা আদিত সাঁতোৰ দিয়া এক প্ৰকাৰে অসমীয়া খেল। স্বৰূপতে উজনিৰ পৰা নামনিলৈকে থকা অসমৰ বিভিন্ন গাঁৱত যিবোৰ খেল ধেমালী বৰ্ত্তি আছিল সকলো-

বোৰ খেল, ধেমালীৰ কথা বৰ্ণনা কৰিবলৈ হলে খেলৰ বিশাল বুৰঞ্জী এখন হল। উজনি অসমত যিবোৰ খেল ধেমালী আছিল, নামনি অসমতো সেই প্ৰায়বোৰ খেলেই আছিল যিবোৰৰ ৰূপান্তৰ সুকীয়া সুকীয়া। উজনিত মাঘবিহুৰ সময়ত ম'হযুঁজৰ লগতে গাভৰুৰ ঢোপখেল আৰু নামনিত ফাকুৱা উছৰৰ সময়ত গোৱা নাও খেল, ঢুলীয়া ভাওআদি খেল ধেমালীৰ ইতিকথা ব্যাপক।

প্ৰাচীন অসমৰ খেল-ধেমালীৰ অন্তত খেলুৱৈ অনুৰাগী সকলক এটি কথা অৱগত কৰা সমীচিন। সেয়ে হ'ল, প্ৰাচীন খেল-ধেমালীৰ এখন বুৰঞ্জী প্ৰণয়ণ কৰি প্ৰশিক্ষনৰ বাবে এখনি মঞ্চ কেন্দ্ৰ মুকলি কৰাৰ ব্যৱস্থা ৰাইজৰ সহযোগত চৰকাৰে লব লাগে। প্ৰতিতো খেলৰ উৎস উদ্ধাৰ কৰিবলৈ বৈজ্ঞানিক বিচাৰ বিশ্লেষণেৰে উন্নীত কৰি বিশ্বৰ খেল জগতলৈ অসমীয়া খেলক আগবঢ়াই নিয়াৰ সময় হ'ল। তেতিয়াহে অসমীয়া খেল ধেমালীৰ স্বকীয়তা হানি নোহেৰাকৈ পুণৰুত্থান হ'ব। :: ::

---

## —কবিতা—

## =অনিৰ্ব্বান=

শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা,
অধ্যাপক, অৰ্থনীতি বিভাগ।

স-শব্দে আগবাঢ়ি অহা
সেই তেজাল ঘোঁৰাজাকৰ
কথিন খুৰাৰ শব্দ
মই এতিয়াও শুনি আছো।
সিহঁতৰ গতিত ভয়খাই উৰা ধূলিৰ মাজত
মই দেখিয়েই আছো
সেই বেছেৰা ৰথীয়াটো
সি উজুটি খাই পৰিলেই
দাঁত নিকটাই হঁহা সেই ধূৰ্ত্ত ল'ৰা জাক
এতিয়া ঘৰলৈ গ'ল।

ফুট গধূলীতে টৌপনিত লালকাল
সিহঁতৰ ভৰিৰ পতাত
কেচাঁ গোবৰো শুকাই কঁড়াল মাৰিছে।
মাক হঁতৰ এতিয়া চাবৰ সময় নাই
দেউতাক বা কেতিয়া পাবহি
আখলৰ চাকিত তেলেই নাই। :: ::

# যি মৃত্যু নিৰবে আহে

(৺ৰুৰুগা শৰ্ম্মা, (অধ্যক্ষ) চাৰৰ প্ৰৱিত্ৰ স্মৃতিত)

শ্ৰীধৰ্ম্মেশ্বৰ নাথ, স্নাতক ২য় বাৰ্ষিক

বন্ধ কোঠাত একান্তমনে
ইতিয়ে সিটিৰ লগত আলোচনা কৰি,
জ্ঞান-দ্বীপ প্ৰশ্নবানৰ প্ৰত্যুত্বৰ দিবলৈ
মোৰ সতীৰ্থ সকল আজি উদ্দীপ্ত নহয়,।
মুখত এমোকুবা হাঁহিৰ লগতে প্ৰচন্দ প্ৰশ্নৰ
ভাণ্ডাৰ লৈ
'চাৰ' আৰু নাহে জ্ঞানৰ জ্যোতি বিলাবলৈ
এতিয়া, বন্ধ কোঠাৰ বায়ুখিনি,
মুখৰিত নহয়, শব্দ স্ফুলিংগত।
এতিয়া মাত্ৰ,
কোঠাৰ কাষৰ পৰা দীঘল বাৰান্দাখনত
শাৰী পাতি থকা কাষৰ বনানিকৰণত
বিস্তৃন্ন চাহবাগানৰ সুৰ-সুৰীয়া পথত
বাটে-পথে কেৱল বিষাদৰহে ছাঁ
হয়তো অজ্ঞানিতে ভুলহ'ল স্ৰষ্টাৰ,
তেওঁৰ ভাগ্যৰ (?)
হয়তো অক্ষ্যম হয় যান্ত্ৰিক সভ্যতা
হয় ভুল কৰিয়েই আল্লা কিম্বা ঈশ্বৰে
তেওঁক বেহেস্ত নতুবা স্বৰ্গলৈ লৈ গ'ল,
অসময়ত— ।

৺চাৰ,
আপুনি শান্তিত থাকক
আপুনি বিচৰাৰ দৰে,
নেদেখা জনৰ ওচৰত নিবৰে,
তাকেই এইয়া প্ৰৰ্থনা কৰিছোঁ।

# এপাহ ফুল

শ্ৰীমানিক গগৈ,
স্নাতক ২য় বাৰ্ষিক, সম্পাদক

অ' ছোৰাচোন সৌপাহ গোলাপ
মোক মাতিছে
নে, আন কাৰোবাক?
অ' নহয় ছোৰাচোন,
পচোৱা বতাহে যেন,
আন কাৰোবাৰ লগত
আলিংগনহে কৰাইছে।
অ' নহয় ছোৰাচোন,
ইযেন কাষৰ পাহিৰ লগত
কিবা সম্বন্ধৰ হেতু
কান্ধে কান্ধে হৈ
কথাহে পাতিছে।
অ' নহয় ছোৰাচোন
ই যেন বৰ দুৰ্ভগীয়া,
কোনোবা আত্মীয়ৰ লগত
অন্তৰৰ বেদনা বিলাক
প্ৰকাশহে কৰিছে।
অ' নহয় ছোৰাচোন
ই যেন বৰ নিৰুপায়,
প্ৰাণ ৰক্ষাৰ হেতুকে
কাৰোবাৰ ওচৰত
সহায় ভিক্ষা মাগিছে।
অ' নহয় বুজিছো
এতিয়া সকলো বুজিছো
গোলাপ পাহীৰ সৌন্দৰ্য্য
পচোৱা বতাহ জাকে
প্ৰকৃতিৰ মাজত বিলাই দিছে।

= × =

# জাতিৰ জনক

শ্ৰীহিৰেণ নাথ, উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক লঃ তেঃ কঃ মঃ বিঃ

হে মহান মানৱ দেৱতা
আবিৰ্ভাৱ দিনত তোমাক
সহস্ৰ ভক্তিৰে মোৰ
শতবাৰ জনাও প্ৰনতি।
তোমাৰ গুণ গৰিমা
আকাশৰ লক্ষ্য লক্ষ্য
জ্যোতিস্কৰ কিৰণ
পৰে আজি অসমৰ শীতল পাটিত।
শাৰীৰিক, মানসিক
কিবা আধ্যাত্মিক
বহু মূখী প্ৰতিভাবে
দিলা তুমি স্ব পৰিচয়।
আন্ধাৰ অসমৰ
কলষু বুকুত
মিলিল তোমাৰ
করুণাৰ প্ৰভা।
জ্বলালা জ্ঞানৰ প্ৰদীপ
কৰি তুমি ক'ত পৰিশ্ৰম
আজি অসমৰ ঘৰে ঘৰে
কীৰ্ত্তন দৰ্শনৰ সুৰ।

তুমি মুক্তিৰ মন্ত্ৰৰে
অসমীয়া ভাষা আৰু
অসমীয়া জাতিৰ
তুমি জাতিৰ জনক।
দুখীয়া অসম মাতৃৰ
জাতীয় ধৰ্ম্ম বৰ্ণ
কৰি পৰিহাৰ
গঢ়ি গ'লা প্ৰেমৰ সৰগ।
উদ্ধাৰিলা মৃত্যু-মূখী
অসমৰ, অসম বাসীক
হে মহা পুৰুষ
তুমি জাতিৰ জনক।
দিলা দান সাহিত্য,
সু-নীতি, সংগীত তোমাৰ
জাতীয়তা সদাচাৰ
অসমৰ গৌৰৱ ৰবি।
হে সৌভাগ্য বিধাতা
আকৌ আহ্বান প্ৰভু
আবিৰ্ভাৱ হোৱা তুমি
আমাৰ মাজত
হে জাতিৰ জনক।

## =নৱ-সূৰ্য্য=

শ্ৰীয়োগেন শইকীয়া, স্নাতক ২য় বাৰ্ষিক

সিহঁতৰ ক্ৰন্দনত স্তব্ধ হৈ যায়
সমগ্ৰ পৃথিৱী,
তথাপিতো সিহঁত জীয়াই আছে
জীয়াই থাকিব লাগিব।
হাঁহাকাৰ কৰি কৰি
মৰণৰ লগত
যুঁজি যুঁজি,.........

(তথাপিও)
সিহঁতে পৰাজয় নকৰে স্বীকাৰ,।

মানুহ সিহঁত,
(যদিওঁ) এমুঠি অন্নৰ বাবে,
এটি পঁজাৰ বাবে
হাবাথুৰী খাই ফুৰিছে,

(তথাপিও)
অবিৰত সমস্ত সংগ্ৰাম কৰিবই লাগিছে,
সিহঁত নমৰে, মৃত্যুলৈ ভয় নাই,
(সিহঁতৰ)
কংকাল বোৰ,
দেখিলে ভাৱ হয়,
কিজানি মানুহ নহয়,
কোনো মানুহ ৰূপী প্ৰেতাত্মা
বাট চাই আছে সিহঁতে
"নৱসূৰ্য্য'ৰ উদিত ক্ষণলৈ আৰু কিমান পৰ ?

=×=

## আবেগ

শ্ৰীদয়ালকৃষ্ণ নাথ,
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক।

আমাৰ কি হ'ল ?
আমি কি কৰো !
শান্তি, ক'ত পাম ?
অসমৰ সকলোৱে সাৰে আছে,
কটাইছে নিদ্ৰাবিহীণ ৰাতি।
কিয় ? কিয় ? কিয় ?
সমীধান কোনে দিব ?
নোৱাৰে দিব।
কাৰণ—
আমি অভিশপ্ত,
আমাৰ স্বাধীনতা নাই,
আছে মাথো প্ৰৱঞ্চনা।
ভাৰতৰ সকলোৱেই মুক্তি,
কেৱল আমাৰহে নাই।
আমি পাপ্যখিনি পোৱা নাই,
পাইছো মাহীআইৰ লেৰেলা সাদৰ।
মাথো— আবেগ !
বুঢ়া লুইতেও খঙেৰে চাইছে,
আৰু কেতিয়াও খং মাৰ নাযায়।
কিয় ?..........
কিয়েতু —
তাহানিৰ পৰা শ্বহীদৰ কেঁচা তেজেৰে
লুইতৰপাৰ ৰাঙলি হৈছে
তথাপিও মুক্তি নাই
মাথো আবেগ !
মাথো আবেগ ?

# কবিতা

## পোহৰ

শ্ৰীহেমন্ত দোলাকাষৰীয়া,
উচ্চতৰ ২য় বাৰ্ষিক

আমাক পোহৰ লাগে
আমি পোহৰৰ অভিযাত্ৰী দল
সভ্য পূজাৰ বেদীত
প্ৰদীপ জ্বলাই যাম
ভাষা জননীৰ ৰূপজ্যোতি চাম।
আমাক সংহতি লাগে
নিবিচাৰো দুনীতিৰ দানৱ সমাজ
আৰ্য্য অনাৰ্য্যৰ এনে মিলন থলিত।
কই যাম ফুল পাৰিজাত ;
অসমৰ অসমীয়া আমি
এই দেশ অতিকৈ আপোন,
দেখো য'ত সোণৰ সপোন।
আহা আজি পূজাৰী সাধক
আমি যাওঁ পোহৰৰ সন্ধানত।
অস্পৃশ্যতাৰ ভেদনীতি কৰি পৰিহাৰ
কৰো আমি জ্যোতি স্নান।

=×=

## জাগৰণ

শ্ৰীবিপুল দত্ত,
স্নাতক ২য় বাৰ্ষিক

এবাৰ উলটি চোৱা
এইবোৰ কিহৰ চেকা ?
এইবোৰটো তেজৰ
অ' এইবোৰ কেচা তেজৰ।
কিন্তু
কাৰ কিহৰ বাবে, কিয় ?
পাহৰিলা তোমাৰ সন্তান ?
মাতৃ উদ্ধাৰৰ বাবে
বওহে মওহ খালে
কিন্তু আমি ?
অ' পাহৰি গৈছো
ৰাজনীতিৰ মেৰপাক আৰু
ক্ষুদ্ৰ স্বাৰ্থৰ লালসাত
নিজৰ মূৰ বিক্ৰী কৰিছো।
তেন্তে
সিহঁত দালাল
সিহঁতে আমাক কিনিলে।

×

# প্ৰগতি

শ্ৰীহেমকান্ত বৰা,
স্নাতক ২য় বাৰ্ষিক



জাতীয় দাপোনত আমি দেখিছো,
সেইয়া নিজৰেই নগ্ন প্ৰতিচ্ছবি
সেই প্ৰতিচ্ছবিত এইয়া কিহৰ চাপ ?
দুৰ্ভাগ্যৰ আৰু নিৰানন্দৰ ।
চিৰা প্ৰবাহিনী ব্ৰহ্মপুত্ৰত
এটি বালিৰ বান্ধ,
নিৰ্ম্মানিছে কোনে ?
অসম্ভৱৰ অৱস্থিতি
উটুৱাই নিব গভীৰ নিনাদেৰে
প্ৰৱল বানে ।
আমি নতুন পুৰুষ
আমি মালা গাঠিছো
সুগন্ধি ফুলৰ পাহিৰে
য'ত আছে প্ৰেমৰ, কৰ্ত্তব্যৰ
আৰু ভাতৃত্বৰ গাঠি ।
স্বাৰ্থান্বেষী নিগনী বোৰৰ
সেইয়া কিহৰ সভা ?
সুখৰ তৃপ্তিৰ বাবে
সুখন্ধি ফুলৰ মালাধাৰিৰ
ৰছী ডাল কুটি দিয়াৰ ।
আমি নতুন পুৰুষ
আমি মালা গাঠিছো
এডাল নতুন ৰচীৰে
যি ডাল ৰচী নিগনীৰ বাবে
কুটি দিয়াৰ দুঃসাধ্য ।

# হৃদয়ৰ আ আহবান ন

শ্ৰীদুলাল শইকীয়া
উঃ মাঃ ২য়ঃ বাঃ

যিদিনা মোক বিচাৰি নাপাবা
সেই দিনা তুমি বুজিবা।
লাগে যদি মোৰ খবৰ
সন্ধ্যা তৰাকে সুধিবা ॥
নীলা আকাশৰ মেঘ সীমান্তত
খিৰিকিৰে চকু থই,
চকু পানী টুকি সেই দিনা তুমি
নাথাকিবা দেই বৈ।
মন গহনৰ বেদনা ঢাকি
পাৰিলে মিচিকি হাঁহিবা।
হাস্নাহানাই সুবাস বিলালে
উদাস নহবা তুমি ।
উভতি উভতি স্থিতিৰ কোঠাত
একোকে নাচাবা জুমি।
পাবা যদি তুমি সেই দিনা
মই ৰছা গীতটি জুৰিবা।


# কলেজিয়াৰ

## মতি গতি

শ্ৰীভৱানন্দ সোনোৱাল,
উঃ মাঃ ২য় বাৰ্ষিক

মই এজন কলেজিয়া ল'ৰা।
কৈ গৈছো মই প্ৰথমৰ পৰা।
মেট্ৰিক পাছ কৰিলো তিনিবাৰৰ মূৰত।
কিতাপ ফালি কৰা নকলৰ বলত॥
মাটি এবিঘাকে বন্ধকত থলো
কলেজত মই নাম ভৰ্ত্তি কৰি ললো।
যিহেতু মই কলেজলৈ যাওঁ।
সেয়েহে মই সদায় গৰম ভাত খাওঁ।
যদি মই কলেজৰ ছাত্ৰ
কলেজলৈ যাওঁ নামতহে মাত্ৰ।
ঘৰত মই কওঁ কলেজলৈ যাওঁ
কিন্তু মই গৈ চিনেমাহে চাওঁ।
চিনেমাৰ টিকত মই ব্লেকাৰ কৰো
কেতিয়াবা মই মানুহকো মাৰো।
যদিও পুলিচৰ মাৰ খাই মৰো
তথাপি টিকত মই ব্লেক কৰিহে এৰো।
চিনেমা চাই মই ঘৰলৈ আহো,
আহিয়েই মই জুৱা খেলত বহো।
ৰাতি ৰাতি মই সদায় ঘূৰি ফুৰো,
গোটেই ৰাতিটোৰেই টোপনি খতি কৰো।
চাইকেল লৈ, চলাই মই কলেজলৈ যাওঁ,
সদায় বাটত মই ছোৱালী জোকাওঁ।
ভাওনা, থিয়েটাৰ, মেলা সকলোকে চাওঁ,
বিড়ি, চেদা, চিগাৰেট সকলো খাওঁ।
লংপেণ্ট চাৰ্ট আৰু পিন্ধো গাগলচ,
ছোৱালী দেখিলেই মই হওঁ পাগল।
শ্ৰেণীৰ শেষৰ বেঞ্চত বহোঁ,
পৰীক্ষাত নোটচ ফালি নকলত ধৰো।
কলেজত মোৰ বহুতো ৰেকৰ্ড
কতবাৰ মই পৰিছো ঠেকত।
অধ্যক্ষই এদিন মোক নিলেহি মাতি,
কলেজৰ পৰা নাম মোৰ হেনো দিলে কাটি।
বহুবাৰ অধ্যক্ষক কাকুতি কৰিলো,
কলেজত মই আৰু স্থান নেপালো।
এইবাৰহে ভাবিলো মই কি কৰিলো,
ভীষণ পৰিণাম কি এতিয়াহে বুজিলো।

××××



# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ চমু ইতিহাস

মঃ হামিদুৰ ৰহমান,
ভাৰপ্ৰাপ্ত অধ্যক্ষ
লঃ তেঃ কঃ মহাবিদ্যালয়।

মহাবিদ্যালয়খনিৰ চমু ইতিহাসৰ পাতনি মেলিবলৈ লোৱাৰ আৰম্ভনিতে উচ্চ শিক্ষাত পিছ... আজাদ অঞ্চলত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ সপোন দেখি বাস্তৱত ৰূপদান দিয়া মহান ব্যক্তি প্ৰবিন স্বাধীনতা সংগ্ৰামী মুক্তিযোদ্ধা ৺ইন্দ্ৰেশ্বৰ শৰ্ম্মাৰ নাম প্ৰথমে উল্লেখ কৰিব লাগিব। তেখেতৰ প্ৰচেষ্টাত লক্ষীমপুৰা তেলাহী আৰু কমলাবৰীয়া এই তিনিটা মৌজাৰ ৰাইজক একত্ৰিত কৰি আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ সমীপতে সোমদিৰি নৈৰ পাৰত মহাবিদ্যালয়ৰ স্থায়ী ভেটিয়ে গঢ় লৈ উঠে। এই তিনিটা মৌজাৰ ৰাইজৰ প্ৰচেষ্টাত গঢ়লৈ উঠা বাবে মহাবিদ্যালয় খনিৰ নামো "লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়" ৰখা হয়। সংক্ষেপতে "লঃ তেঃ কঃ মহাবিদ্যালয়" বা "এল, টি, কে, কলেজ" নামেৰে সকলোৰে পৰিচিত।

১৯৭৭ চনৰ ১৭ জুন তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে ৺ইন্দ্ৰেশ্বৰ শৰ্ম্মাদেৱে তেখেতৰ বাসভৱনতে আহ্বায়ক কমিটিৰ প্ৰথম বৈঠক অনুষ্ঠিত কৰে। পিচত ২৪ জুন ৭৭ তাৰিখে শ'লাল তেলাহী কমলাবৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত এখন প্ৰতিনিধি মূলক ৰাজহুৱা সভা অনুষ্ঠিত কৰি মহাবিদ্যালয় প্ৰতিষ্ঠা সম্পৰ্কে ৰাইজৰ মতামত বিচাৰে। প্ৰতিনিধি সভাই মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সম্পৰ্কে মত প্ৰদান কৰা বাবে ৩ জুলাই ৭৭ তাৰিখে প্ৰাক্তন বিধায়ক ৺গোবিন চন্দ্ৰ বৰা দেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত মহাবিদ্যালয় পৰিচালনাৰ বাবে ৺ইন্দ্ৰেশ্বৰ শৰ্ম্মাক সভাপতি আৰু শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্ম্মাদেৱক সম্পাদক হিচাপে লৈ এখন ৩৩ জনীয়া পৰিচালনা সমিতি গঠন কৰে।

৪ আগষ্ট ৭৭ তাৰিখৰ পৰা মহাবিদ্যালয়ৰ প্ৰথম নাম ভৰ্ত্তিকৰণৰ কাম আৰম্ভ হয়। নাম ভৰ্ত্তিকৰণৰ সময়চোৱাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৺প্ৰভাত চন্দ্ৰ বৰগোহাঁইক দায়িত্ব দিয়া হয়। ২২ আগষ্ট ৭৭ তাৰিখৰ পৰা গড়েহগা বাইপাতি উচ্চ মাধ্যমিক বিদ্যালয়ত (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) মহাবিদ্যালয়ৰ প্ৰথম পাঠদান কাৰ্য্যৰ শুভাৰম্ভ কৰা হয়। প্ৰথম তিনিমাহৰ পাঠদান গঃ বাঃ উঃ মাঃ বিদ্যালয়ত কৰাৰ পাছত আজাদ ডাকঘৰৰ লগতে গাওঁ পঞ্চায়তৰ এটি কোঠা কাৰ্য্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ পোৱাৰ বাবে মহাবিদ্যালয়ৰ সুবিধাৰ বাবে পাঠদান কাৰ্য্য লক্ষিনী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰিত কৰা হয়। কলেজৰ পাঠদান আৰম্ভ হোৱা তাৰিখৰ পৰা ৺দেৱব্ৰত গগৈ দেৱে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে।

১৯৭৭ চনত মহাবিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষক ৺প্ৰভাত চন্দ্ৰ বৰগোহাঁই, মঃ হামিদুৰ ৰহমান, শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই, শ্ৰীমতী বীণা শইকীয়া, শ্ৰীমতী অঙ্গিকা ৰাজখোৱা আৰু শ্ৰীমতী স্বপ্না চেতিয়াৰ উপৰিও শ্ৰীযুত আনন্দ চন্দ্ৰ দত্ত, অধ্যাপক, হৰেণ বৰা, অধ্যাপক অচ্যুত মহন্ত আৰু শ্ৰীযুত গুণ কান্ত গগৈ দেৱে তেখেতলোকৰ বিনামূলীয়া সেৱা আগবঢ়ায়। প্ৰথম অৱস্থাত তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী হিচাপে শ্ৰীমানিক দাস, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে শ্ৰীমিনাৰাম বৰা আৰু শ্ৰীপ্ৰফুল্ল চন্দ্ৰ হাজৰিকাই নিযুক্তি লাভ কৰে। ৫ জুন ৭৮ তাৰিখে অধ্যক্ষ ৺দেৱব্ৰত গগৈদেৱে অসুখৰ বাবে দীঘলীয়া ছুটী লোৱাত শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই দেৱক মহাবিদ্যালয়ৰ

ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়ে। (বৰ্ত্তমানলৈকে নিযুক্তি পোৱা শিক্ষক কৰ্মচাৰী সকলৰ এখন তালিকা তলত দিয়া হ'ল।

মহাবিদ্যালয়ৰ আৰ্থিক দিশৰ পুতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে ১০ ডিচেম্বৰ ৭৭ তাৰিখে শ্ৰীযুত খগেন হিলৈদাৰীক সভাপতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্তক সংগঠক সম্পাদক আৰু শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্মাক সম্পাদক হিচাপে লৈ এখন ৮ জনীয়া পুঁজি কমিটি গঠন কৰে। পুঁজি কমিটি পৰিচালনা সমিতি, প্ৰভাত চন্দ্ৰ বৰগোহাঁই শ্ৰীযুত যোগেন গগৈ, শ্ৰীযুত ঘন মহন্ত আদি লোক সকলৰ আপ্ৰাণ চেষ্টাৰ ফলত দান বৰঙণি সংগ্ৰহৰ উপৰিও ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহত এখনি ভাগ্য পৰীক্ষা অনুষ্ঠিত কৰি মুঠ ৩০১৫০·০০ টকা লাভ কৰিবলৈ সক্ষম হয়।

প্ৰথম পৰিচালনা সমিতিৰ কাৰ্য্যকাল শেষ হোৱাত ৮ মে' ৭৮ তাৰিখে পুনৰ ৪৭ জনীয়া এখন পৰিচালনা সমিতি গঠন কৰে। এই সমিতিৰ সভাপতি হিচাবে ৺ ইন্দ্ৰেশ্বৰ শৰ্মা আৰু সম্পাদক হিচাবে শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্মা পুনৰ নিৰ্ব্বাচিত হয়। এই সভাতেই শ্ৰীযুত খগেন হিলৈদাৰীক সভাপতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্তক সম্পাদক, শ্ৰীযুত গোলাপ বৰুৱা আৰু শ্ৰীযুত পূৰ্ণ বৰাক সহকাৰী সম্পাদক হিচাপে লৈ এখন ১১ জনীয়া পুঁজি কমিটি আৰু ৺ ইন্দ্ৰেশ্বৰ দত্তক সভাপতি শ্ৰীযুত ভদ্ৰ হাজৰিকাক উপ সভাপতি, শ্ৰীযুত হেম চন্দ্ৰ মহন্তক সম্পাদক আৰু শ্ৰীযুত ভদ্ৰেশ্বৰ দাসক যুঃ সঃ হিচাপে লৈ এখন ১৭ জনীয়া গৃহ নিৰ্ম্মান কমিটি গঠন কৰে।

১৯৭৮ চনৰ আগষ্ট মাহত মহাবিদ্যালয় খনিয়ে আঠাকটীয়া গ্ৰেজিংৰ ৬০ বিঘা মাটি বিভাগীয় কৰ্তৃপক্ষৰ পৰা সীমা চমজি লোৱাৰ পিচত গৃহ নিৰ্ম্মাণৰ কথা চিন্তা কৰে যদিও মহাবিদ্যালয়ৰ নিজা মাটিলৈ যোৱাৰ কোনো পথ নথকাৰ বাবে কৰ্তৃপক্ষ অসুবিধাত পৰে। এই অসুবিধাৰ পৰা মহাবিদ্যালয় খনিক উদ্ধাৰ কৰাৰ বাবে গড়েহঁগা গাৱৰ নিবাসী ৺ ভাগীৰাম দত্তদেৱে তেখেতে পূৰ্ব্বতে মুঠ [illegible]০০·০০ টকাত কিনি ৰখা মাটিখিনি কিনা দামতে দিবলৈ আগবাঢ়ি আহিল। কিন্তু তেখেতৰ মাটি মহাবিদ্যালয়ৰ মাটিৰ লগত সংলগ্ন নোহোৱাৰ বাবে কৰ্ত্তৃপক্ষ পুনৰ অসুবিধাৰ সন্মুখীন হয়। এই অসুবিধাৰ স্থায়ী সমাধানৰ বাবে তিনি-কুৰীয়া গাৱৰ নিবাসী শ্ৰীযুত লেখন চন্দ্ৰ ফুকন দেৱে তেখেতৰ নিজা মাটিৰ পৰা ১৮ ফুট বহলকৈ আজাদ গড়কাপ্তানি পথৰ পৰা মহাবিদ্যালয়ৰ নিজা মাটিত সংলগ্ন হোৱাকৈ এটি পথ দান দিয়ে। মহাবিদ্যালয়ে এই পথটি শ্ৰীযুত ফুকন দেৱৰ বৰপুতেক ৺ মিণ্টু ফুকনৰ নামেৰে নামাকৰণ কৰি এই দান গ্ৰহণ কৰে। তেখেতৰ এই মহান দানৰ বাবে মহাবিদ্যালয় খনিয়ে তেখেতৰ ওচৰত চিৰ কৃতজ্ঞতাৰে থাকিব। পথটি পোৱাৰ পিচত ২৭ জুন ৭৯ তাৰিখে মাননীয় গড়মূৰীয়া সত্ৰাধিকাৰ ৺ কৃষ্ণকান্ত দেৱ গোস্বামীৰ দ্বাৰা মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপন কৰে। উক্ত দিনাই সত্ৰাধিকাৰ দেৱৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত মৌ নুৰুদ্দিন আহমদক সভাপতি আৰু শ্ৰীযুত ভোলা নাথ মহন্তদেৱক সম্পাদক হিচাপে লৈ এখন ৯৬ জনীয়া পৰিচালনা সমিতি, ৺ ইন্দ্ৰেশ্বৰ দত্তক সভাপতি শ্ৰীযুত মদন চেতিয়াক উপসভাপতি, শ্ৰীযুত হেমচন্দ্ৰ মহন্তক সম্পাদক আৰু শ্ৰীযুত যজ্ঞোনাৰায়ণ সন্দিকৈক সহকাৰী সম্পাদক হিচাপে লৈ এখন গৃহ নিৰ্ম্মান কমিটি, শ্ৰীযুত খগেশ্বৰ বৰুৱাক সভাপতি, শ্ৰীযুত ধৰণী দাস আৰু শ্ৰীযুত মানিক চুতীয়াক উপসভাপতি, শ্ৰীযুত পূৰ্ণ বৰাক সম্পাদক শ্ৰীযুত ঘন মহন্তক যুটীয়া সম্পাদক হিচাপে লৈ এখন পুঁজি কমিটি আৰু শ্ৰীযুত টবীন ৰাজখোৱা আৰু শ্ৰীমতী ক্ষীৰদা বাকতিক লৈ এখন কৃষ্টি কমিটি গঠন কৰে। মহাবিদ্যালয়ৰ মিণ্টু ফুকন পথ"টি ১৯৮৬ চনত গড় কাপ্তানি বিভাগৰ অধীনলৈ যোৱাৰ আগতে এই পথটি নিৰ্মাণৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰিও মৌঃ কেৰামত আলিৰ নেতৃত্বত এলেংমৰা গাৱৰ ৰাইজ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত উত্তৰ লক্ষীমপুৰ ছাত্ৰ সন্থাই আগবঢ়োৱা বিনামূলীয়া শ্ৰমদানৰ কথা স্মৰণীয়।

লগতে উত্তৰ লক্ষীমপুৰ উন্নয়ণ খণ্ডৰ দ্বাৰা জাতীয় গাম্য কৰ্ম্মনিয়োগ আচনিৰ অধীনত এই পথটিৰ উন্নয়ণৰ বাবে যি অবিহণা আগবঢ়ালে তাৰ বাবে তেখেলোকৰ ওচৰতো আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল।

৫ ডিচেম্বৰ ৭৯ তাৰিখে মহাবিদ্যালয়ৰ প্ৰথম স্থায়ীঘৰৰ কামৰ শুভাৰম্ভ কৰা হয়। প্ৰথমে ১০০´ ×২৫´ ফুট দীঘল এটি পকী ঘৰৰ কাম হাতত লয়। এই স্থায়ী ঘৰ নিৰ্ম্মাণৰ বাবে শ্ৰীযুত দেবেন্দ্ৰ নাথ ভূঞা দেৰে ৭ টা খুটাৰ বাবে লোহাৰ জঁকা, ৩বেগ চিমেণ্ট, আধা ট্ৰাক ডাণ্ডৰ সৰুশিল আৰু এক ট্ৰাক বালি দান দিয়ে। লগতে শ্ৰীমতী ক্ষীৰদা কাকতি, শ্ৰীযুত বিপিন চন্দ্ৰ দত্ত, শ্ৰীযুত ভোলা মহন্ত আৰু ৺প্ৰভাত চন্দ্ৰ বৰগোহাঁই দেৰেও খুটাৰ বাবে একোটিকৈ লোহাৰ জঁকা আগবঢ়ায়। স্থায়ী ঘৰৰ কাম ১৯৭৯ চনতেই আৰম্ভ কৰা হয় যদিও ১৯৮৩ চনতহে এই ঘৰৰ দ্বাৰ উন্মোচন কৰিব পৰা হয়। ইয়াৰ আগতেই মহাবিদ্যালয়ৰ বাবে মদাৰগুৰি গাৱঁৰ ৰাইজে ১৫ হাত দীঘল এটি খেৰী ঘৰ দান সূত্ৰে বনাই দিয়ে। ১৯৮০ চনৰ শিক্ষা বছৰৰ পৰা পাঠদান কৰিব পৰাকৈ আজাদ, আঠাটীকয়া, জৰিটুপ, কৰ্চ্চন, সোনাৰী আৰু তেলীয়া গাৱঁৰ ৰাইজৰ পৰা বাহঁ, বেত, খেৰ আদি সংগ্ৰহ কৰি স্থানীয় ৰাইজ, আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী সকলৰ সহযোগত ৭৫´×২০´ ফুট দীঘল এটি খেৰীঘৰ নিৰ্ম্মাণ কৰি ১৩ মে ৮০ তাৰিখে দ্বাৰ উন্মোচন কৰা হয়। ১৯৮০ চনৰ শিক্ষা বছৰৰ পৰা মহাবিদ্যালয়ৰ নিজা ঘৰত পুৰা শাখাৰ পৰিবৰ্ত্তে দিবা শাখাত পাঠদান কৰা হয়। ১৯৮১ চনৰ পৰা বৰ্ত্তমান লৈকে বিভিন্ন সময়ত পোৱা চৰকাৰী অনুদানৰ সহায়ত সেই অস্থায়ী ঘৰৰ পৰিবৰ্ত্তে ২৮০´×২৫´ ফুট দীঘল স্থায়ীঘৰত ছাত্ৰ-ছাত্ৰী সকলক পাঠগ্ৰহণৰ সুবিধা দিব পৰা হৈছে।

১৯৭৯-৮০ চনত মহাবিদ্যালয় খনিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰাক-স্নাতক শ্ৰেণী খোলাৰ অনুমতি ১৯৮১-৮২ চনত প্ৰাক-স্নাতক শ্ৰেণীৰ স্বীকৃতি, ১৯৮২-৮৩ চনত স্নাতক শ্ৰেণীৰ অনুমতি আৰু ১৯৮৩-৮৪ চনত স্নাতক শ্ৰেণীৰ স্বীকৃতি লাভ কৰে। ১৯৮৭ চনৰ ১ জানুৱাৰী পৰা মহাবিদ্যালয় খনিয়ে ঘাটি মঞ্জুৰী লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ১৯৮৫ চনৰ স্নাতক শেষান্ত পৰীক্ষাৰ্থী সকলে বুৰঞ্জী আৰু অৰ্থবিজ্ঞান বিষয়ত সন্মানৰ পৰীক্ষা দিবলৈ বিশেষ অনুমতি লাভ কৰি পৰীক্ষাৰ ফলাফলত সুখ্যাতি অৰ্জন কৰিছিল যদিও ১৯৮৯-৯০ চনৰ পৰাহে আনুষ্ঠানিক ভাৱে বুৰঞ্জী আৰু অৰ্থবিজ্ঞান বিষয়ত সন্মান Majc খোলাৰ অনুমতি লাভ কৰে। ১৯৮৯-৯০ চনৰ পৰা সন্মান শ্ৰেণী খোলাৰ অনুমতি লাভ কৰাৰ ক্ষেত্ৰত উত্তৰ লক্ষীমপুৰ ছাত্ৰ-সন্থাই আগবঢ়োৱা সহায়ৰ বাবে তেওঁলোকলৈ আমাৰ আৰ্শীবাদ ও ধন্যবাদ থাকিল।

মহাবিদ্যালয়খনিয়ে চৰকাৰৰ পৰা তদৰ্থ মঞ্জুৰি লাভ কৰাৰ লগে লগে চৰকাৰী নীতিমতে পৰিচালনা সমিতি গঠন কৰে। সেয়ে ২৪ এপ্ৰিল ৮১ তাৰিখে সদৰ মহকুমাধিপতিক সভাপতি, লক্ষীমপুৰ জিলাৰ বিদ্যালয় সমূহৰ সহকাৰী পৰিদৰ্শক শ্ৰীযুত ফুলেন্দ্ৰ নাথ চহৰীয়াক সম্পাদক আৰু মঃ হামিদুৰ ৰহমানক যুটীয়া সম্পাদক হিচাপে মনোনীত কৰি শিক্ষাধিকাৰ মহোদয়ে এখন পৰিচালনা সমিতি গঠন কৰে। (প্ৰতিষ্ঠাৰে পৰা বৰ্ত্তমানলৈকে পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ এখন তালিকা দিয়া হল। আলোচনী খনিৰ প্ৰস্তাৱনা সংখ্যা লোৱা সদস্য সকলৰ নাম উল্লেখ কৰিব নোৱাৰি আমি দুঃখিত। এই চৰকাৰী পৰিচালনা সমিতি গঠন কৰি দিয়াৰ পিচত ৰাইজৰ দায়িত্ব বহু পৰিমানে কমি আহিল। এই সময়লৈকে লক্ষীমপুৰ, তেলাহী আৰু কয়লা বাৰীয়া মৌজাৰ ৰাইজে আৰ্থিক, কায়িক মানসিক আদি দিশত আগবঢ়োৱা অৱদানৰ কথা মহাবিদ্যালয় খনিয়ে পাহৰিব নোৱাৰিব। বিভিন্ন সময়ত বিভিন্ন কমিটিৰ দায়িত্ব পোৱা লোক সকলৰ উপৰিও যিসকল ব্যক্তিয়ে মহাবিদ্যালয় খনিৰ বাবে বিশেষ অৱদান আগবঢ়ালে তেখেতসকলৰ ভিতৰত প্ৰাক্তন বিধায়ক শ্ৰীযুত শূল বৰা,

শ্ৰীযুত হেমন্ত কুমাৰ বৰুৱা, শ্ৰীযুত গুণকান্ত, গগৈ, শ্ৰীযুত ভোগেশ্বৰ দত্ত, শ্ৰীযুত লিকেশ্বৰ হাজৰীকা, শ্ৰীযুত টঙ্ক দত্ত, শ্ৰীযুত পোনাৰাম পুখুৰীপৰীয়া আদিৰ নাম স্মৰণযোগ্য। এই চমু ইতিহাসৰ ভিতৰত সকলো দাতা আৰু সকলো কৰ্মিৰ নাম উল্লেখ কৰিব নোৱাৰাৰ বাবে তেখেত সকলৰ ওচৰত ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ অগ্ৰগতিৰ ক্ষেত্ৰত গঃ বাঃ উঃ মাঃ বিদ্যালয়, লক্ষিমী বালিকা বিদ্যালয়, আজাদ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ, আজাদ উচ্চ বুনিয়াদী বিদ্যালয় আদি অনুষ্ঠানে যি অৰিহণা আগবঢ়ালে তাৰ বাবে আমি সেই অনুষ্ঠান সমূহৰ ওচৰত চিৰঋণী।

১৯৮০ চনত মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ ৺ দেৱব্ৰত গগৈ মৃত্যু হোৱাৰ পাচত স্থায়ী অধ্যক্ষ হিচাপে ১৯৮২ চনত ৺ কৰুণা শৰ্ম্মা দেৱে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল যদিও ১৯৮৭ চনৰ আগষ্ট মাহত তেখেত পৰলোকগামী হয়। ৺ কৰুণা শৰ্ম্মা দেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বত থকাৰ সময়ছোৱাতেই মহাবিদ্যালয় খনিয়ে প্ৰাক স্নাতক শ্ৰেণীৰ স্বীকৃতি, স্নাতক শ্ৰেণীৰ অনুমতি আৰু স্বীকৃতি, প্ৰাক-স্নাতক শেষান্ত পৰীক্ষাৰ পৰীক্ষা কেন্দ্ৰ আৰু স্নাতক শেষান্ত পৰীক্ষাৰ পৰীক্ষা কেন্দ্ৰ লাভ কৰে। ইয়াৰ আগলৈকে পৰীক্ষাৰ্থী সকলে উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত পৰীক্ষা দিব লাগিছিল। তেখেতৰ দিনতেই মহাবিদ্যালয় খনিয়ে ঘাটি মঞ্জুৰী লাভ কৰে।

১৯৮৬ চনত ৺ কৰুণা শৰ্ম্মাদেৱে অসুখৰ চিকিৎসাৰ বাবে দীঘলীয়া "চিকিৎসা ছুটী" লোৱাত এই অভাজনে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰিব লগা হয়। ৺ কৰুণা শৰ্ম্মাৰ মৃত্যুৰ পিচত ১৯৮৮ চনত ডঃ জিতৰাম দত্তদেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। কিন্তু ১৯৮৯ চনৰ অক্টোবৰ মাহত তেখেতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ উপসচিব পদত যোগদান কৰাত পুনৰ এই অভাজনে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰিব লগা হয়।

১৯৭৭ চনত মাত্ৰ ২৩ জন ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভ কৰা মহাবিদ্যালয় খনিয়ে বৰ্ত্তমান প্ৰায় ৫০০ ছাত্ৰ ছাত্ৰী আৰু ২৬ জন শিক্ষক কৰ্ম্মচাৰীৰ সহায়ত কলা শাখাত পৰিচালিত হৈ আছে। বৰ্ত্তমান পৰিচালনা সমিতিৰ সভাপতি হিচাপে লক্ষীমপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত চৈয়দ হাচিনুৰ ৰহমান দেৱ আৰু সম্পাদক হিচাপে উত্তৰ লক্ষীমপুৰ মহকুমা পৰিষদৰ মূখ্য প্ৰশাসক শ্ৰীযুত ফনীধৰ বৰুৱা দেৱে কাৰ্যভাৰ চলাই আছে।

মহাবিদ্যলয় খনিৰ চমু ইতিহাসত সকলো দিশ বিতংভাৱে প্ৰকাশ কৰিব নোৱাৰি নিজকে অপৰাধী অনুভৱ কৰিছো। যিহেতু এই মহাবিদ্যালয় প্ৰতিষ্ঠা দিনৰে পৰা আজিলৈকে তিনিটা মৌজাৰ ৰাইজ আৰু প্ৰতিষ্ঠানৰ উপৰিও স্থানীয় বিধায়ক তথা ৰাজ্যিক মন্ত্ৰী শ্ৰীযুত উৎপল দত্ত, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়, লক্ষীপুৰৰ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, শিক্ষাধিকৰ্তাৰ কাৰ্য্যালয়, অসম চৰকাৰকে আদি কৰি বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানে বিভিন্ন সময়ত আগবঢ়োৱা অৱদানৰ সহায়ত মহাবিদ্যালয় খনিয়ে বৰ্ত্তমান অৱস্থাত উপনীত হৈছে। সেয়েহে সমূহ শুভাকাঙ্খীলৈকে মহাবিদ্যালয় তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ভৱিষ্যতেও এনে সহায়

সংযোগিতা পোৱা আশা ৰাখিলো।

"জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়"।

মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীসকলঃ—

(একাদিক্রমে)

অধ্যক্ষঃ

১। ৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই— ভাৰপ্ৰাপ্ত অধ্যক্ষ।

২। ৺ দেবব্ৰত গগৈ— অধ্যক্ষ।

৩। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই— ভাৰপ্ৰাপ্ত অধ্যক্ষ।

৪। ৺ কৰুণা শৰ্ম্মা —অধ্যক্ষ।

৫। মঃ হামিদুৰ ৰহমান— ভাৰপ্ৰাপ্ত অধ্যক্ষ।

৬। ডঃ জিতৰাম দত্ত— অধ্যক্ষ।

৭। মঃ হামিদুৰ ৰহমান— ভাৰপ্ৰাপ্ত অধ্যক্ষ

উপাধ্যক্ষঃ

১। মঃ হামিদুৰ ৰহমান।

২। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই।

৩। বৰ্ত্তমান কলেজত উপাধ্যক্ষ পদ নাই।

শিক্ষকসকলঃ

ইংৰাজী বিভাগ

১। শ্ৰীযুত হলিৰাম পেগু (বৰ্ত্তমান ক্ষেত্ৰ প্ৰচাৰ বিষয়া)

২। শ্ৰীযুত অমিয় সন্দিকৈ (বৰ্ত্তমান ঢকুৱাখানা কলেজৰ প্ৰবক্তা)

৩। শ্ৰীযুত থগীৰাম ভূঞা (বৰ্ত্তমান পানীগাওঁ উঃ মাঃ বিঃ শিক্ষক)

৪। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গগৈ।

৫। " বাহাৰুল ইচলাম।

ৰাজনীতি বিজ্ঞান বিভাগ

১। ৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই।

২। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই।

৩। শ্ৰীমতী পদ্মাৱতী গোহাঁই।

৪। " সোনেশ্বৰী শইকীয়া।

অৰ্থবিজ্ঞান বিভাগ

১। মঃ হামিদুৰ ৰহমান।

২। শ্ৰীযুত আনন্দ চন্দ্ৰ দত্ত (বৰ্ত্তমান গঃ বাঃ উঃ মাঃ বিঃ শিক্ষক)

৩। শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰুৱা।

৪। " ৰমেশ কুমাৰ কাকতি।

বুৰঞ্জী বিভাগ

১। শ্ৰীমতী বীণা শইকীয়া।

২। " লবণ্য বুঢ়াগোহাঁই।

৩। " এলিচ বেগ।

৪। " মীৰা দেবী (বৰ্ত্তমান কলেজত নাই)

৫। শ্ৰীবিদ্যুত চুতীয়া।

অসমীয়া বিভাগ

১। শ্ৰীমতী স্বপ্না চেতিয়া (বৰ্ত্তমান লক্ষীমপুৰ বালিকা মহাবিদ্যালয়ৰ প্ৰবক্তা)

২। " অঞ্জলীকা ৰাজখোৱা

৩। " লীলা বৰা

৪। শ্ৰীমতী চাৰ্লেমা বেগম

সমাজ-শাস্ত্ৰ বিভাগ

১। শ্ৰীযুত হেৰম্বদেৱ শৰ্ম্ম (বৰ্তমান অ. পি, ডি, কলেজৰ অধ্যক্ষ)

২। শ্ৰীমতী মঞ্জুআৰা আহমদ (বৰ্তমান কলেজত নাই)

৩। " কল্পনা গগৈ

৪। " অম্বিকা দত্ত হাজৰীকা (বৰ্ত্তমান অ, পি, ডি কলেজৰ প্ৰবক্তা)

শিক্ষা বিভাগ

১। শ্ৰীমতী জানাত তাজমি আহমদ (বৰ্ত্তমান কলেজত নাই)

২। শ্ৰীযুত উত্তম চন্দ্ৰ হাতীবৰুৱা (বৰ্ত্তমান লালুক উঃ মাঃ বিঃ শিক্ষক)

লালুক উঃ মাঃ বিঃ শিক্ষক)

৩। শ্ৰীমতী উষা দেৱী ( ” ) বঙ্গালমৰা উঃ মাঃ বিদ্যালয়ৰ শিক্ষয়িত্ৰী)

৪। শ্ৰীযুত গোলোক দত্ত ( বৰ্ত্তমান উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ প্ৰবক্তা

৫। শ্ৰীমতী সম্পূৰ্ণা চলিহা।

” জ্যোতি বৰুৱা।

অঙ্ক বিভাগ—

১। ডঃ জিতৰাম দত্ত (বৰ্ত্তমান অঃ উঃ মাঃ শিক্ষা সংসদৰ উপ-সচিব)

কৰ্মচাৰী সকল

তৃতীয় শ্ৰেণী—

১। শ্ৰী মানিক দাস (মুখ্য সহায়ক)

২। ” মিনাৰাম বৰা।

৩। ” হৰেণ বৰা।

চতুৰ্থ শ্ৰেণী—

১। শ্ৰী থানোৰাম বৰা।

২। ” হেম গগৈ।

৩। ” প্ৰদীপ নাথ।

৪। ” বস্তেশ্বৰ নাথ।

পুথিভঁৰাল শাখা—

১। শ্ৰী গোলাপ কোঁচ (পুথিভঁৰালী)

” প্ৰফুল্ল চন্দ্ৰ হাজৰীকা (পুথিভঁৰাল সহায়ক )

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ বিষয়-ববীয়া সকলঃ—

১৯৭৭-৭৮ চন

সভাপতি—৺ ইন্দ্ৰেশ্বৰ শৰ্ম্মা।

উপসভাপতি— শ্ৰীযুত তীৰ্থনাথ দত্ত।

সম্পাদক— ” কুমুদ চন্দ্ৰ শৰ্ম্মা।

যুটীয়া সম্পাদক— ” নিৰ্ম্মল চন্দ্ৰ বৰা।

৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই।

১৯৭৮-৭৯ চন

সভাপতি—৺ ইন্দ্ৰেশ্বৰ শৰ্ম্মা।

উপসভাপতি— মৌঃ নুৰুদ্দিন আহমদ।

সম্পাদক— শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্ম্মা।

যুটীয়া সম্পাদক— নিৰ্ম্মল চন্দ্ৰ বৰা।

৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই

সহকাৰী সম্পাদক— মঃ হামিদুৰ ৰহমান।

শ্ৰীযুত আনন্দ চন্দ্ৰ দত্ত।

কোষাধ্যক্ষ— শ্ৰীযুত দেবেন্দ্ৰ নাথ ভূঞা

১৯৭৯-৮১ চন

উপদেষ্টা—৺ ইন্দ্ৰেশ্বৰ শৰ্ম্মা।

সভাপতি— মৌঃ নুৰুদ্দিন আহমদ।

উপসসাপতি—শ্ৰীযুত তীৰ্থনাথ দত্ত।

” কালীৰাম দত্ত।

সম্পাদক— ” ভোলানাথ মহন্ত।

যুটীয়া সম্পাদক - ” নিৰ্ম্মল চন্দ্ৰ বৰা।

৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই।

সহঃ সম্পাদক — মঃ হামিদুৰ ৰহমান।

শ্ৰীযুত আনন্দ চন্দ্ৰ দত্ত।

কোষাধ্যক্ষ— ” দেবেন্দ্ৰ নাথ ভূঞা।

১৯৮১ ৮৩ চন

সভাপতি সদৰ মহকুমাধিপতি—

শ্ৰীযুত শিশুৰাম পেগু(২৪।৪।৮১ ৰ পৰা ২৭।১০।৮২ লৈ)

২। ” নুৰুল হক (২৮।১০।৮২ ৰ পৰা ২।৭।৮৩ লৈ)

সম্পাদক — শ্ৰীযুত ফুলেন্দ্ৰ নাথ চহৰীয়া (২৪ ৪।৮১ ৰ পৰা।২৬।১।৮২ লৈ)

২। মঃ হামিদুৰ ৰহমান (২৭।১।৮২ ৰ পৰা ২২।৭।৮৩)

যুটীয়া সম্পাদক—মঃ হামিদুৰ ৰহমান।

১৯৮৩-৮৫ চন

সভাপতি— ৺ লেখন লাহন প্ৰাক্তন বিধায়ক

সম্পাদক— শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰগোহাঁই

১৯৮৫-৮৬ চন

সভাপতি ১। শ্ৰীযুত কে, দিহিঙ্গীয়া সদৰ মহকুমাধিপতি। (১৫।৭।৮৬ ৰ পৰা ২৯।৬।৮৭ লৈ)

২। ৺ জিয়াউৰ ৰহমান অতিৰিক্ত উপায়ুক্ত (৩০।৬।৮৭ ৰ পৰা ২৩।৮।৮৯ লৈ)

৩। ১৯৮৯-৯২ চন

সভাপতি চৈয়দ হাচিনুৰ ৰহমান অতিৰিক্ত উপায়ুক্ত

সম্পাদক ১। ডঃ জিতৰাম দত্ত (২৪।৮।৮৯ তাৰিখৰ পৰা ৩০।১০।৮৯ তাৰিখলৈ

২। শ্ৰীযুত ফনীধৰ বৰুৱা (১।১১।৮৯ তাৰিখৰ পৰা বৰ্ত্তমানলৈকে)

= × =

—মহাপুৰুষৰ বাণী—

"আমাৰ ভাগ্য আৰু ভৱিষ্যত যি সকলৰ হাতত সেই অসমীয়া স্কুলীয়া ল'ৰা কলেজৰ অসমীয়া ছাত্ৰ আৰু অসমীয়া বেপাৰী সকলৰ প্ৰতি প্ৰত্যেক স্বদেশানুৰাগী অসমীয়াৰ অনুৰোধ হোৱা যুগুত যেন তেওঁলোকে কোনো স্বদেশীৰ লগত বিদেশী কি। বঙালী ভাষাৰে কথা নকয়। অন্ততঃ অসমত এই বিলাক মানুহৰ লগত বিদেশী ভাষাৰে কথা কোৱা অসমীয়াৰ পক্ষে কেৱল দুৰ্ব্বলতাৰ চিনহে। বিদেশী অসমলৈ আহে যেতিয়া সিহঁতে অসমীয়া ভাষা শিকি লোৱা উচিত। কিন্তু বিকৃত বিদেশীভাষা শিকি বিদেশীৰ মনত সন্তোষ জন্মাবলৈ অসমীয়াই সাজু হৈ থকা হাহিয়াতৰ কথা"।

## কৌতুক

হাজৰীকাঃ— অহা জনমত আপুনি কি হবলৈ আশা কৰা ?

বৰদলৈঃ— মই গৰু হবলৈ ভাল পাম, কাৰণ এওঁ কেৱল গৰুলৈকেহে ভয় খাবে।

# মুকলি চিঠি

(সম্পাদক দায়ী নহয়)

শ্ৰীঅজয় গগৈ।
স্নাতক তৃতীয় বাৰ্ষিক।

প্ৰিয়

সম্পাদক ডাঙৰীয়া,

নৱবছৰৰ নৱ পত্ৰিকাৰ শুভেচ্ছা গ্ৰহণ কৰিব। আপোনাৰ প্ৰাচীৰ পত্ৰিকাৰ যোগেৰে চৰহা চকুৰ খচ খচনিত ফটামুখৰ খজুৰতীত দুষ্ট হাতৰ উত্তপ্তালীত কলিয়া চিয়াহীৰ বল-কনিত মহাবিদ্যালয়খনিৰ বিষয়ে সচেতন সকললৈ উত্তৰ নিবিছাৰি প্ৰশ্ন আকাৰে অৱগত কৰালো।

প্ৰথমতে— শৈক্ষিক পৰিবেশ - মহাবিদ্যালয় খনিত শিক্ষকৰ অনুপাত বৃদ্ধি পালে। কিন্তু সেই অনুপাতে পাঠ-দান বৃদ্ধি নাপালে। বৰঞ্চ পাঠ-দানৰ প্ৰতি অৱজ্ঞাহে কৰা হৈছে। দুই এক শিক্ষক শিক্ষয়ত্ৰীয়ে ২ বজাত আহি উপস্থিতিৰ বহীত চহী কৰি ঘৰ-মুৱা হয়। এনেকুৱা শিক্ষকে কৰিব লাগেনে ? প্ৰশ্ন হয় এনে মনোভাৱেৰেই তেওঁলোকে শিক্ষকতাৰ ব্ৰত গ্ৰহণ কৰিছেনে বাৰু ?

দ্বিতীয়তে— মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ মতানৈক্যই ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰভাৱ পেলাইছে। কৰ্তৃপক্ষৰ এনে নিন্দনীয় বিষয় লৈ ছাত্ৰ ছাত্ৰী প্ৰভাৱম্বিত হোৱা। কাৰণ কি ?

তৃতীয়তে— মহাবিদ্যালয়ৰ পৰীক্ষাত হেনো বৰ শাসন কৰে(শুনা কথাহে)। প্ৰশ্ন হয় ছাত্ৰ-ছাত্ৰীক যদি বিষয় সমূহ পঢ়ুৱাই নহয়, তেনে হলে পৰীক্ষাত কি কৰিব পাৰে বাৰু ?

চতুৰ্থতে— মহাবিদ্যালৰখনি প্ৰতিষ্ঠা হোৱাৰ দিন ধৰি আলোচনীৰ বাবত মাচুল লোৱা হৈছে। কিন্তু দুখৰ বিষয়, আলোচনীৰ মুখেই দেখা নাই। তদুপৰি প্ৰাচীৰ প্ৰতিকাৰ প্ৰকাশৰ বাবে নুন্যতম খৰচপাতি দিবলৈও কৰ্তৃপক্ষ অপাৰগ। কাৰণটোনো কি ? যদি সঁচাকৈয়ে অপাৰগ তেনে হলে উক্ত মাচুল ছাত্ৰ-ছাত্ৰী সকলৰ পৰা লৈছেই বা কিয় ?

পঞ্চমতে— মহাবিদ্যালয় চিনাক্তৰ বাবে চাইন বৰ্ড অৰ্থাৎ এখনি গেট নাই। ৰাষ্টাৰ পৰা ষ্টেটফেডৰ গুডাম ঘৰ যেন হে লাগে। ছাত্ৰ-ছাত্ৰীক বা কৰ্তৃপক্ষৰ কাৰোবাক যদি সৌটো-কিহৰ ঘৰ বুলি সোধে, তেতিয়া কি বুলি উত্তৰ দিব বাৰু ?

ষষ্ঠতে,— জিৰণী কোঠাৰ অভাৱত ছাত্ৰ-ছাত্ৰীৰ তথৈবচ অৱস্থা। ছাত্ৰ-ছাত্ৰী সকল বাৰান্দা খেল পথাৰত সিঁচৰিত হৈ থকা অৱস্থাত দূৰৰ পৰা বগলীৰ জাকৰ দৰে নালাগেনে বাৰু ?

সপ্তমতে— ছাত্ৰ ছাত্ৰী আৰু শিক্ষক সকলৰ বাৰু স্বকীয়াকৈ পেচাৰগাৰ নথকাৰ বাবে কেতিয়াবা বিপৰ্য্যয়ৰ সন্মুখীন হব লগা হয়। তেতিয়া শিক্ষক আৰু ছাত্ৰ ছাত্ৰী সকলৰ কেনে লাগে বাৰু ?

অষ্টমতে— মহাবিদ্যালয়ৰ পৰ্ব্ব সমূহত যেনে বিদ্যালয় সপ্তাহ, নৱাগতা আদৰণী সভা আদিও ৰাজনৈতিক নেতা সকলক নিমন্ত্ৰণ কৰি অনাৰ কাৰণটোনো কি ? শিক্ষানুস্থানত নেতাৰ প্ৰয়োজন ক'ত ? শিক্ষাবিদৰহে প্ৰয়োজন নহয়নে বাৰু ?

নৱমতে— শুনা কথাহে, মহাবিদ্যালয়ৰ ছাত্ৰ

একাত্ৰা সভাৰ সম্পাদক জন হেনো মূৰব্বী জনৰ হিতাকাঙ্খী হব লাগে। কিয় বাৰু ?

ডাঙৰীয়া আৰু বহুতো আছে। সংবিধানৰ মৌলিক অধিকাৰৰ বলতহে অৱগত কৰিলো বুইছে। মান হানি বিধেয়কলৈ মনত পৰিছে। বুকু কঁপিব লাগিছে। তথাপি বাক্ স্বাধীনতালৈ মনত পৰিলে কিহলৈ ভয় লাগিব একা। উত্তৰ নিবিছাৰি।

ইতি

পিঠিত চকু গজা।

# সম্পাদনা সমিতি




বহি বাওঁফালৰ পৰা ক্ৰমেঃ— অধ্যাপক সৰ্বশ্ৰীলীলা বৰা, ভাৰপ্ৰাপ্ত অধ্যক্ষ হামিদুৰ ৰহমান, অধ্যাপক নাৰায়ণ চন্দ্ৰ বৰুৱা, মানিক গগৈ, অতুল চন্দ নাথ।

থিয় হৈঃ— ধৰ্মেশ্বৰ নাথ, যোগেন শইকীয়া, ভৰানন্দ সোনোৱাল, লাৱণ্য ৰাজখোৱা, লিলি বৰা ভোলা কলিতা।

অনুপস্থিতঃ— অধ্যাপক নাৰায়ণ চন্দ্ৰ গগৈ।

# ১৯৮৯-৯০ চনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



বহি (বাওঁফালৰ পৰা ক্ৰমে):- অধ্যাপিকা জ্যোতি বৰুৱা (উপদেষ্টা কলা আৰু সাংস্কৃতি শাখা) অধ্যাপিকা চালেমা বেগম (উপদেষ্টা ছাত্ৰীজিৰণী কোঠা) অধ্যাপিকা লাৱণ্য বুঢ়াগোহাঁই (উপদেষ্টা তৰ্ক আৰু আলোচনাচক্ৰ শাখা) অধ্যাপিকা বীণা শইকীয়া, ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হামিদুৰ ৰহমান (সভাপতি ছাত্ৰ একতা সভা) অধ্যাপক নাৰায়ণ চন্দ্ৰ বৰুৱা, উপদেষ্টা আলোচনী শাখা অধ্যাপক বাহাৰুল ইছলাম [উপদেষ্টা আন্তঃক্ৰীড়া শাখা] অধ্যাপক নীলা বৰা [উপদেষ্টা ছাত্ৰ জিৰণী কোঠা] অধ্যাপক ৰমেশ কুমাৰ কাকতি [উপদেষ্টা বহিঃক্ৰীড়া শাখা] শ্ৰীবিতু শইকীয়া উপ-সভাপতি ছাত্ৰ একতা সভা।


থিয় হৈ — শ্ৰীৰঞ্জু দত্ত [সমাজ সেৱা সম্পাদক] ভোলা কলিতা [কলা ও সাংস্কৃতি সম্পাদক] ধৰ্ম্মেশ্বৰ নাথ, দিগন্ত বৰা [সম্পাদক তৰ্ক ও আলোচক্ৰ শাখা তুলন দাস [সম্পাদক আন্তঃক্ৰীয়া শাখা] সৰ্ব শ্ৰীসোণাৰাম নাথ, সম্পাদক,বহিঃক্ৰীয়া শাখা, পৰমা শৰ্মা, শ্ৰেণী প্ৰতিনিধি ৰোগেন শইকীয়া, গুণকান্ত নাথ, সহঃ সাধাৰণ সম্পাদক, কমল চন্দ্ৰ নাথ, সম্পাদক ছাত্ৰ জিৰণী কোঠা, ভবানন্দ সোণোৱাল শেণী প্ৰতিনিধি, সৰ্ব শ্ৰীমতী লাৱণ্য ৰাজখোৱা, শেণী প্ৰতিনিধি, যোগমায়া হাজৰীকা, লিপি বৰা, সম্পাদিকা ছাত্ৰী জিৰণী কোঠা, শ্ৰীমানিক গগৈ, সম্পাদক আলোচনী শাখা, শ্ৰীঅতুল চন্দ্ৰ নাথ, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা।

অনুপস্থিতঃ- অধ্যাপক না ৰা ণ চন্দ্ৰ গগৈ, [উদেষ্টা সমাজ সেৱা শাখা], বদন কলিতা [শ্ৰেণী প্ৰতিনিধি, স্নাতক ৩য় বাৰ্ষিক।



কৰ্ত্তব্যৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ, মঃ হামিদুৰ ৰহমান ।

# মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকল



বহি— (বাওঁফালৰ পৰা ক্ৰমে)— অধ্যাপিকা চালেমা বেগম, কল্পনা গগৈ, বীণা শইকীয়া, লাবণ্য বুঢ়াগোহাঁই, ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হামিদুৰ ৰহমান, অধ্যাপক লীলা বৰা, নাৰায়ণ চন্দ্ৰ বৰুৱা, মাহাৰুল ইচলাম, ৰমেশ কুমাৰ কাকতি, বিদ্যুৎ চুতিয়া।

থিয়হৈ— (") গোলাপ কোঁচ, (পুথিভড়ালী), গিনাৰাম বৰা (কাৰ্যালয় সহায়ক), মানিক দাস, (মুখ্য সহায়ক), প্ৰদীপ নাথ (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী)।

অনুপস্থিত— অধ্যাপিকা অঞ্জলীকা বাৰুখোৱা, পদ্মাৱতী গোহাঁই, এলিচ বেগ যোগেশ্বৰী শইকীয়া, সম্পূৰ্ণা চলিহা, জ্যোতি বৰুৱা, ৰুমি দত্ত, অধ্যাপক নাৰায়ণ চন্দ্ৰ গগৈ, নাৰায়ণ চন্দ্ৰ বৰগোহাঁই, হৰেণ বৰা, (কাৰ্যালয় সহায়ক) থানুৰাম বৰা (৪ৰ্থ শ্ৰেণী কৰ্মচাৰী) হেম গগৈ, বত্নেশ্বৰ নাথ, প্ৰফুল্ল চন্দ্ৰ হাজৰীকা (পুথিভড়াল কৰ্মচাৰী)।

# অন্ধকাৰ

শ্ৰী বুধিন বৰা
উঃ মাঃ ১ম বাৰ্ষিক
লঃ তেঃ কঃ মহাবিদ্যালয়

মোৰ মনত নপৰে দেউতাৰ কিমান দিনৰ আগতে মৃত্যু হৈছিল। মই কোৱা শুনো মই জন্ম হোৱাৰ তিনিমাহৰ আগতেই দেউতাই আমাৰ পৰা বিদায় লৈছিল। সংসাৰত দেউতাই এৰিথৈ গৈছিল মোৰ বাইদেউ কেইজনী, মাক আৰু মোক।

যেতিয়া মই অলপ অলপ কথা বুজিব পৰা হৈ আহিলো, তেতিয়াই মই গম পালো যে আমাৰ দেউতা নাই। কিন্তু মোৰ যে দেউতাক বৰ প্ৰয়োজন হৈছিল। মাত্ৰ এযাৰ কথা সুধিবৰ কাৰণে। উপায় নাপায় মই মাকেই সুধিছিলো মা, আমাৰ এনে অৱস্থাত তোমালোকে বাৰু ইমান সন্তান কিয় জন্ম দিছিলা? তেতিয়া মায়ে বৰ করুণ চাৱনিয়ে চাই মোক কৈছিল অকল তোমাৰ বাবেই মই ইমান সন্তানৰ মাক হব লগাত পৰিলো। মাৰ কথাবাৰত মই বুজি পাইছিলো যে এজন ল'ৰাৰ আশাতে মা-দেউতা নিমগ্ন হৈছিল। তেতিয়া মোৰ এনে কিছুমান ভাৱ মনলৈ আহিছিল যেন মা আৰু বাইদেউ কেইজনীকলৈ মোৰ সংসাৰত ভালেমান দায়িত্ব আহি পৰিছে।

প্ৰকাশ কৰিবলে লাজ লাগে। মোৰ বাইদেউ আছিল আঠজনী। মা আৰু মোৰে সৈতে আমাৰ ঘৰত মানুহ আছিল দহজন। কিন্তু ঘৰত বৰ্ত্তমান দহজন নাই। মোৰ ডাঙৰ জনী বাইদেউ পলাই গৈছিল গাৱঁৰে ল'ৰা সোণাৰামলৈ। বছৰটো ভৰালৰ ধানেৰে খাবলৈ নোজোৰে যদিও সোণাৰামে এচবত্তে এখন চাহৰ দোকান দি কোনোমতে চলি আছে। আৰু তাই তলৰ জনীও গ'ল গাৱঁৰে ল'ৰা ৰাজেনলৈ। সি নগৰৰ কোনোবা এটা অফিচত পিয়ন কাম এটা কৰি আছে। তাইও কিছুপৰিমানে সুখতে খাই আছে।

এতিয়া সিহঁতক বাদদি বাইদেউ ছয়জনীৰ সৈতে মা আৰু মই ঘৰত আছো। ঘৰ বুলিবলে আমাৰ ঘৰৰ আকৃতিটোহে আছে। কাম কিন্তু একো নাই। যেতিয়া এজাক বৰষুণ দিয়ে তেতিয়া বাহিৰত পৰাৰ আগতেই বৰষুণ ভিতৰতহে আগতে পৰে। তেতিয়াই মোৰ দেউতালৈ মনত পৰে কিজানি দেউতা থকাহেঁতেন আমাৰ এনেকুৱা অৱস্থা হবলৈ কেতিয়াও নাপালে হেঁতেন। মাটি বুলিবলৈ আমাৰ মাত্ৰ তিনি-বিঘা। বাবীৰ মাটি মুঠেই একথা। তাৰে দুবিঘা মাটি বন্ধকত আছে। সেইয়া বন্ধক থৈছিল হেনো দেউতাৰ বেমাৰ ভাল কৰিবলৈ।

আজি সংসাৰত দেউতাও নাই মাটিও নাই। আমাৰ মাটি বন্ধক লোৱা বেৰত গাওঁবুঢ়াই আজি কিছুদিনৰ আগতে মাক কোৱা মোৰ মনত আছে। সেই দিনা মোৰ গাটো সিমান ভাল নাছিল। সেই কাৰণে ভাত পানী খাই মায়ে বিচনাত পৰি আছিল। তেনে সময়তে বেৰত গাওঁবুঢ়া আমাৰ ঘৰলৈ আহিছিল তেতিয়া বেৰত মামা আহিছে বুলি মাক মযে খবৰ দিছিলো। মায়ে জৰৰ গাবেই বিছনাৰ পৰা উঠি আহিছিল। সৰু বাইদেউ বিজুৱে বেৰত মামাক এখন তামোল দি গৈছিল। কিছুসময় কথা পতাৰ পাছত মামাই মাক কৈছিল, "দৰৱ পাতি আনিবৰ বাবে পা-পইচা জানো হাতত আছে? নাই যদি মোৰ পৰাই লোৱা পাছত দিবা"। তেতিয়া মায়ে কৈছিল, আপোনাৰ পৰা পইচা ধাৰ নকৰো আৰু। মাটি কেইডৰা খোলাৰ চিন্তাই মোৰ চুলি পকিব ধৰিছে। তেতিয়া বেৰত মামাই কলে, কি মাটি খোলাৰ কথা কৈছা। মাটিটো সি মোক বিক্ৰী কৰিলে। তাৰ বেমাৰ টান

হোৱাৰ সময়ত মোক মতাই আনি সি নগদ দুহাজাৰ টকা ললে। তোমাৰ দুবিঘা মাটিত মই দুহাজাৰ টকা বেছিহে ভৰিলো। বেৰত মামাৰ কথা শুনি মা শিল পৰা কপৌৰ দৰে মাটিত পৰি গৈছিল। বেৰতে যাওঁ বুলি মাত লগাই আমাৰ ঘৰৰ পৰা বিদায় লৈছিল।

বৰ্ত্তমান আমাৰ ঘৰৰ উপাৰ্জন বুলিবলৈ একো নাই। মায়ে তাঁত বয়, বাইদেউ হঁতে কাৰোবাৰ ঘৰত ধান বনা, পানী অনা কাম কৰে, আৰু মই স্কুললৈ যাওঁ। সিমান দুখতো মায়ে মোক দুখত পৰিবলৈ দিয়া নাছিল। মাৰ এটাই চিন্তা আছিল মই পঢ়ি কেনেকৈ ডাঙৰ মানুহ হওঁ আৰু কেনেকৈ ডাঙৰ চাকৰি কৰো ?

আমাৰ ঘৰখনক প্ৰায় লোকেই ঘৃণা কৰে। কাৰণ মোৰ বাইদেউ হতঁৰ চৰিত্ৰ বোৰ বৰ বেয়া হেনো। আমাৰ ঘৰলৈ কোনোবা অহা দেখিলে বেলেগ মানুহে কেতিয়াবা ৰাস্তাৰ পৰা চিঞৰা কিছুমান ঘিন লগা চিঞৰ আহি আমাৰ কাণত সোমায়। অকল মোৰে নহয়। আমাৰ ঘৰৰ সকলোৰে। কিন্তু মোৰ মনতো তেতিয়া যিমান ভাগি পৰে আন কাৰো মনত তেনে একো দেখা নাপাওঁ। ফলত ময়ো মনে মনে থাকো।

দিনৰ পোহৰত চিঞৰা সেই কেইজন ভদ্ৰ লোকক কেইবাবাৰো আমাৰ ঘৰত ৰাতি আন্ধাৰত লগ পাইছো। আৰু সিহঁতক আমাৰ ঘৰলৈ অহাটো বন্ধ কৰিম বুলি ভাবিছিলো। কিন্তু মোৰ কথাত জেওৰা হিচাপে বাধা দিলে মোৰ বাইদেউ কেইজনীয়ে। আৰু তেতিয়াৰ পৰাই মই চকু থাকিও হলে অন্ধ।

মোৰ ঘৰৰ অৱস্থা বেয়া যদিও মই বৰ মনোযোগেৰে স্কুল পঢ়িছিলো। এইবাৰ মই মেট্ৰিক পৰীক্ষা দিম। মোতকৈও মাৰ এতিয়া বেছি চিন্তা হৈ পৰিছে। পঢ়াৰ ক্ষেত্ৰত মায়ে মোক একেবাৰে ব্যস্ত কৰি ৰাখিব বিছাৰিছে যে, যেন মই কোনো দিনে কোনো বস্তুতে অভাৱ অনুভৱ কৰিব নালাগে। কেতিয়াবা মনে মনে মোৰ এনে কিছুমান ধাৰণা আহে মই যেন মাহঁতৰ বাবে কলঙ্ক হৈ জন্ম ললো।

চাওঁতে চাওঁতে মোৰ মেট্ৰিক পৰীক্ষাৰ ফৰ্ম পুৰাবৰ সময় হ'ল। মাক কথাতো কম বুলি ভাবোতেই মায়ে আগতেই পঞ্চাশ (৫০) টকা মোৰ হাতত দি কৈছিল, "পোনা তোক লাগিব বুলিয়েই এইকেইটা পইচা মই গোটাই আনিছো। যা তোৰ ফৰ্ম খনকে পূৰাই আহ"। মায়ে মোক টকা কৰ পৰা দিছিল তাক মই জনা নাছিলো। কিন্তু কেইদিন মানৰ পিছত মোৰ চকু পৰিল মাৰ কানৰ থুৰীয়া মোৰ নাই। কিন্তু মাক মই একোকেই সোধা নাছিলো।

আজি মেট্ৰিকৰ ৰিজাল্ট ওলাল। মোৰ নম্বৰটো দ্বিতীয় বিভাগত ওলাল। ৰিজাল্ট পাই মনটো যিমান আনন্দ লাগিছিল সিমান বেজাৰও লাগিছিল। আনন্দত মা অশ্ৰুধাৰা হৈ পৰিছিল। তেনে আনন্দ কৰা মাক মই কেতিয়াও দেখা নাছিলো আজিয়ে প্ৰথম দেখিছো।

মোক আৰু মায়ে পঢ়াব নোৱাৰিলে। মাৰ অৱস্থা বৰ্ত্তমান বেয়াৰ ফালে আহি আছে। খাব নোৱাৰে, শুব নোৱাৰে। মোৰ যে এতিয়া মাক এটা ঔষধ আনি দিয়াৰ ক্ষমতা নাই। ময়ো চকুৰে অন্ধকাৰ দেখাৰ দৰে অনুভৱ কৰিলো।

বেৰত মামাৰ ভায়েক জয়ন্ত মামাৰ মুখত কালি জানিব পাৰিলো তেখেতৰ অফিচত এটা চাকৰি ওলাইছে। তেখেতে মোক সকলো কাগজ পত্ৰ লৈ মাতি পঠাইছে। যাবৰ সময়ত মাক মাত লগাই মই বহুত আশা মনত লৈ ওলাই গলো। মই যেতিয়া জয়ন্ত মামাৰ অফিচ পাওঁ তেতিয়া ইণ্টাৰভিউ প্ৰায় শেষ হওঁ হওঁ। মামাই মোক দেখি মাতি নিলে। মই ঠিয় হোৱাৰ লগে লগে তেওঁলোকে হাঁহিলে আৰু কলে, তোমাৰ বাইদেউ হঁতৰ দেখোন বহুত টকা। তুমি পোনাকনৰ ল'ৰা নহয় জানো। তাৰ পাছত কলে চিন্তা কৰি চাম বাৰু। লাহে লাহে মই ওলাই আহিলো। মোৰ পাছতে জয়ন্ত মামা ওলাই আহিল আৰু কলে বেয়া নাপাবি, আজি-কালি টকাৰ লগতহে কথা টকা নহলে চাকৰি পোৱা টান। সেই সময়ত মই জয়ন্ত মামাৰ ফালে চাব পৰা নাছিলো।

সঁচাকৈ মোৰ বাইদেউ কেইজনীৰ চৰিত্ৰ বৰ বেয়া নেকি? কিন্তু এই বেয়া পথ সিঁহতক কোনে দেখুৱালে বাৰু? মোৰ হাত ভৰি অচল হৈ গৈছে আৰু চকুৰ আগত ভাঁহি উঠিছে কেইখন মান উপলুঙা ভাৱে হঁহা মুখ আৰু এনে লাগিছে আমি দুখীয়া মানুহবোৰে পঢ়িলেও সেই বোৰ পঢ়া নহয়। এইবোৰ ভাবি মই অনুভৱ কৰিলো মোৰ যেন বাহুত বহুত শক্তি মই যেন সেই অসভ্য কেইটাক নেলু টিপি মাৰিব পাৰো। মোৰ শক্তিয় সেইটো কৰিব বিচাৰিলেও বিবেকে কৰিব নিদিয়ে। সেই সকলোবোৰ ভাৱ বুৰবুৰণীত মই বিভোৰ, মাই চাৰিও ফালে দেখো কেৱল অন্ধকাৰ অ ন্ধ...কা...ৰ। অ ন্ধ ..কা ..ৰ।

শ্ৰীবুধিন বৰা
প্ৰাক স্নাতক ১ম বাৰ্ষিক।
লঃ তেঃ কঃ মহাবিদ্যালয়।

# মহা সমুদ্ৰ

শ্ৰী হেমন্ত দোলাকাষৰীয়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক।
লঃ তেঃ কঃ মহাবিদ্যালয়।

এই অনুপ, কি ভাবিছা? হঠাৎ গীতাঞ্জলীৰ মাতত মই চক খাই উঠিলো। সঁচাই মই কিবা এটা ভাবি আছিলো। ভাবিছিলো কালি নিদ্ৰাহীন নিশাটিৰ কথা। ইবাগৰ সিবাগৰ কৰি কটাই দিছিলো গোটেই ৰাতিটো। নিৰিবিলি গহীন ৰাতি, শুনিছিলো গীতাঞ্জলীৰ মৃদু কণ্ঠস্বৰ। দূৰত ঘড়ীৰ সময়ৰ সংকেত আৰু ফেঁচা এটাৰ নিউ নিউ কৰা ভয় লগা মাত। ফেঁচাৰ করুণ বিননিয়ে মোৰ গোটেই গা শিঁহৰাই পেলাইছিল। কোনো বিপদৰ আগজাননী নহয়তো? মনটো উৰি গ'ল বহুত দূৰৈত থকা মোৰ ঘৰখনলৈ। মোৰ মানস পটত এটি এটিকৈ ভাঁহি উঠিবলৈ ধৰিলে ঘৰখনৰ সকলো প্ৰতিচ্ছবি দেউতাই চাগৈ এতিয়া দিনটোৰ হাড়ভগা পৰিশ্ৰমৰ পিছত নিদ্ৰাদেৱীক আঁকোৱালি লৈছে। বেয়া লাগে মোৰ চিৰনমস্য দেউতালৈ। আমাৰ বাবে কিযে নকৰিছে দেউতাই? দেউতাৰ অকৃত্ৰিম মৰম স্নেহৰ মাজত থাকি কোনো দিন মাক বিছাৰি ছোৱা নাছিলো। আজি কিয় জানো মালৈ খুউব মনত পৰিছে। কিয় বাৰু মায়ে আমাক সৰুতে এৰি গুচি গ'ল? কাৰোবাৰ মুখত 'মা' শব্দটো শুনিলে মোৰ গোটেই শৰীৰটো অৱস হৈ যায়। গীতাঞ্জলীয়ে মোৰ কথা জানে, সেয়েহে পৰাপক্ষত তাই মাক মোৰ আগত নুলিয়ায়।

ধেৎ একো ভবা নাই বুলি কৈ গীতাঞ্জলীক ৰুমতে এৰি মই বাৰাণ্ডাত ঠিয় দিছোহে মাত্ৰ। হঠাৎ পিয়ন জন এই ফালেই আহিছে। মোৰ আশা, দেউতাই মোলৈ চিঠি পঠাইছে। সঁচাই পালো। কিন্তু চি নহয় টেলিগ্ৰাম দিছে খুৰাৰ ল'ৰা মদনে আৰু মোক আজিয়েই ঘৰলৈ মাতিছে। মূৰটো যেন ঘূৰাই গ'ল। কিছুসময়ৰ কাৰণে মোৰ চাৰিও ফালৰ জগতখন অন্ধকাৰ দেখিলো। দেউতাৰ পুৰণা অসুখটোৱে গা কৰি উঠা নাইতো?

মামা, মামীক টেলিগ্ৰাম দেখুৱাই ঘৰলৈ যোৱাৰ অনুমতি ললো। আৰু তৎ গতিৰে ৰুমৰ ফালে আগবাঢ়িলো। ইতিমধ্যে গীতাই চাহ ঠিক কৰি মোৰ বাবেই বৈ আছিল। ৰুমত প্ৰৱেশ কৰাৰ লগে লগে তাই কিবা কবলৈ লৈছিল কিন্তু মোৰ অসংঘাত অৱস্থা দেখি তাই স্তব্ধ হ'ল।

গীতা ........ ?

কি হৈছে তোমাৰ? (গীতাই সুধিলে)

ঘৰলৈ যাওঁ।

কিয় যোৱা, পৰীক্ষা চোন নিচেই কাষত।

টেলিগ্ৰাম আহিছে।

কাৰোবাৰ অসুখ নেকি?

নাই, একো লিখা নাই।

চাহ আৰু খোৱা নহল। মোৰ বেগটো তাই ঠিক কৰিবলৈ দি মই ওলোৱাত ব্যস্ত

হলো। ঘৰমুখী হোৱাৰ সময়ত মাত্ৰ গীতাই ক'লে, যিমান পাৰা সোনকালে ঘূৰিবা। মই গীতাৰ কথা কেইষাৰি চকুলোৰে সঁহাৰি জনালো। চিন্তা ক্লিষ্ট ঘৰমুখী মনটিলৈ বাছষ্টৈগু পালোহি। দেউতা আৰু ভাইটি-ভন্টি দুটাৰ বাবে দুই এটা খোৱা বস্তুলৈ বাছত উঠিলো। বাছত উঠি এখনো চিনাকী মুখ দেখাৰ সৌভাগ্য মোৰ নঘটিল। গোটেই ৰাস্তাটো ভাবুকৰ দৰে মাত্ৰ ভাবি আহিছো, ভাইটি-ভন্টি আৰু দেউতাৰ কথা। কাৰো একো হোৱা নাইটো? যিমানে ঘৰৰ ওচৰ চাপিছো সিমানে মনটো অস্থিৰ হৈ আহিছে। হিয়া খন দুৰু দুৰু কপিবলৈ ধৰিছে। বাছ ৰৈ গ'ল ঘৰৰ সন্মুখত। কিন্তু মোৰ ওচৰলৈ চোন কোনো আগবাঢ়ি অহা নাই। লাহে লাহে পদুলি অতিক্ৰম কৰি চোতালত ভৰিদিলো। দেখিলো বহুত মানুহ আমাৰ ঘৰত। মোৰ বুকুখন চিৰিংকৈ মাৰিলে। লৰা-লৰিকৈ ভিতৰ সোমালো আৰু দেউতাৰ-শোৱনি কোঠাত প্ৰৱেশ কৰিলো। কিন্তু ক'ত্ৰা দেউতাৰ বিছনা খালী হৈ পৰি আছে। খুৰী আৰু সৰু ভন্টিজনীয়ে মোক দেখি কান্দিবলৈ আৰম্ভ কৰিলে আৰু ভাইটি, সি দেখোন এখন ধুতি পিন্ধি হাতত এডাল মাৰি লৈ আছে। মই তাৰ পৰিহিত কাপোৰ দেখি স্থিৰেৰে থাকিব নোৱাৰিলো। তাৰ মানে........দেউতা........? মোৰ মূৰটো ঘূৰাই গ'ল। চাৰিওফালৰ জগতখন অন্ধকাৰ দেখিলো। মই পৰি গলো মহাসমুদ্ৰৰ এক অটল গহ্বৰত।


## অন্ত

বাষ্ট্ৰী প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষৰ ১১০ নিযুত ১৫ ৰ পৰা ৩৫ বছৰৰ বয়স্ক নিৰক্ষৰ লোকক ১৯৯৫ চনৰ ভিতৰত সাক্ষৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। লক্ষীমপুৰ (অবিভক্ত) জিলাত ওপৰত উল্লেখ কৰা বয়সৰ নিৰক্ষৰ লোকৰ সংখ্যা ৪,২৮,০০০(Estimated Population) স্থিৰ কৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সাক্ষৰ কৰাৰ লক্ষ্য লোৱা হৈছে।

প্ৰাপ্ত বয়স্ক শিক্ষা হ'ল কৰ্ম্মঠ, উপাৰ্জনক্ষম নিৰক্ষৰ বয়স্কলোকক লিখা-পঢ়া শিকোৱাৰ লগতে বৃত্তিমূলক শিক্ষা প্ৰদানেৰে সমাজ সচেতন নাগৰিক কৰি গঢ়ি তোলা। এই জাতীয় সমস্যা সমাধানৰ বাবে চৰকাৰী বিভাগৰ লগতে সকলো স্বেচ্ছাসেৱী অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, যুৱক-যুৱতী আৰু প্ৰতিজন সাক্ষৰ লোকেই নিৰক্ষৰতা দূৰীকৰণ অভিযানত অংশ গ্ৰহণ কৰা অপৰিহাৰ্য্য হৈ পৰিছে।

সেয়ে এই "আন্তৰ্জাতিকবৰ্ষত" সকলো শিক্ষিত লোকেই "দেশৰ পাপ আৰু কলংক স্বৰূপে" নিৰক্ষৰতা দূৰ কৰিবলৈ আগবাঢ়ি আহক।

লক্ষীমপুৰ জিলা প্ৰাপ্ত বয়স্ক শিক্ষা বিভাগৰ জিলা প্ৰাধিকাৰী শ্ৰীদুৰ্লভ চেতিয়াৰ দ্বাৰা প্ৰচাৰিত।



# চিৰ মুক্তি

শ্ৰীভৱানন্দ সোনোৱাল।
উঃ মাঃ ১ম বাৰ্ষিক

মোৰ নাম ৰিজুমনি। মোৰ নাম যেনে ঠিক স্বভাৱ চৰিত্ৰ, চাল চলন বিলাকো ৰিজু-শান্ত আৰু সৎ মই অতি ধুনীয়া নাছিলো যদিওঁ গাৱঁৰ অন্যছোৱালীয়ে মোৰ লগত ফেৰ মাৰিব পৰা নাছিল। যদিওঁ মই সাধাৰণ গাৱলীয়া ছোৱালী, মই খেলাধুলা, গীতমাত, বোৱাকতা আৰু অন্যান্য ঘৰৰ কামবন কৰা এই সকলো বিলাকতে পাৰ্গত। পঢ়াত মই আমাৰ শ্ৰেণীৰ সকলোৰে ভিতৰত প্ৰথম। মোৰ ভাইটিও পঢ়াত শ্ৰেণীৰ ভিতৰত প্ৰথম। আমি আমাৰ গাৱঁৰ পৰা প্ৰায় পাঁচ কিলমিটাৰ আতৰৰ এখন বিদ্যালয়ত পঢ়োঁ, মই নৱম মানৰ ছাত্ৰী আৰু ভাইটি সপ্তমমানৰ আমি বিদ্যালয়ৰ সকলো শিক্ষক শিক্ষয়ত্ৰীৰ পৰাই মৰম স্নেহ পাইছিলো। বিনিময়ত আমিওঁ তেখেত সকলক বহু সন্মান কৰিছিলো।

আমাৰ ঘৰ সাগৰৰ দাতিৰ এখন সৰু গাৱঁত। গাওঁখনৰ সৰহভাগ মানুহে সাগৰত মাছ ধৰি বেচি আৰু তেনেকৈ জীৱিকা চলাই। কিন্তু আমাৰ ঘৰখন অতিপাত দুখীয়া। ঘৰত মাত্ৰ তিনিটা প্ৰানী। মা, মই আৰু ভাইটি। দেউতা আজি কেইবা বছৰৰ আগতে ঢুকাইছে। দেউতাই হেনু সেইদিনা গাৱঁৰ কেইজন মান মানুহৰ লগত সাগৰত মাছ ধৰিবলৈ গৈছিল। দুভাৰ্গ্যবশতঃ সেইদিনা সাগৰত অতিপাত ধুমুহা অহাত নাওঁ ডুবি দেউতা সাগৰৰ 'ঢৌৰ' লগত মিলি গ'ল। তেওঁ আৰু ঘুৰি নাহিল। আঠাই সাগৰত আমাক পেলাই থৈ পাৰ নোপোৱাকৈ এৰি থৈ গ'ল। আমি সংসাৰখন জলা-কলা দেখিলো। মা প্ৰায় পাগলীৰ দৰে হয়। মই মা আৰু ভাইটিক সাৱতী ধৰি পাৰোমানে কান্দিলো। এনেকৈ কান্দিলেনো কি হ'ব? মই ধৈৰ্য্য ধৰি মা আৰু ভাইটিক শান্ত কৰিবলৈ ছালো।

অৱশেষত মই ঘৰখনৰ দায়িত্ব লব লগাত পৰিলো। যিহেতু মা সম্পূৰ্ণ পাগলীৰ দৰে হল। অতি কম বয়সতে মই ঘৰখনৰ কথা চিন্তা কৰিব লগিয়াত মোৰ স্বাস্থ্য একেবাৰে ভাগি পৰিল। মই অনভিজ্ঞ ভাবেই যেনেতেনে ঘৰখন চলাই নিবলৈ ধৰিলো। মই আৰু ভাইটিয়ে পঢ়াশুনা এৰিব লগাত পৰিলো। মই লোকৰ ঘৰত চাকৰ কৰিবলৈ যাওঁ আৰু যি এপইছা পাওঁ তাৰেই কথমপি ঘৰখন চলাবলৈ হয় আৰু তাৰ উপৰিও মাৰ অলপ দৰৱ পাতি আনিদিওঁ। ভাইটিয়েওঁ লোকৰ ঘৰত হাজিৰা কৰে, গৰুচৰাই। মাক উপযুক্ত চিকিৎসা কৰিব নোৱাৰাত দিনক দিনে মা শুকাই খিনাই যাবলৈ ধৰিলে। সেইদৰে অধিক ধৈৰ্য্য ধৰি মই সংসাৰ চলাই নিবলৈ ধৰিলো।

প্ৰথম দুদিনমান আমি ওচৰচুবুৰীয়া আৰু পূজনীয় শিক্ষাগুৰুসকলৰ পৰা সহায় সহযোগ সৎ পৰামৰ্শ আদি পাই আছিলো। কিন্তু আৰু কিমান দিন তেওঁলোকে সহায় কৰিব। যেনেকৈ দেউতাই আমাক দলনিত পোনা মেলিদি এৰিথৈ গুছি গ'ল তেনেকৈ তেওঁলোকেও আমাক গা এৰা দিব বিছাৰিলে। দিনকদিনে আমাৰ অৱস্থা বেয়াৰ ফালে ঢাল খালে। আমি নিথৰুৱা হৈ পৰিলো।

মা এতিয়া সয্যাগত। তেওঁ অসুখ দিনক দিনে বেছিহৈ আহিব ধৰিছে। কাৰণ এতিয়া আৰু মাকৰ আৱশ্যকীয়, ঔষধ নালাগে, ভালকৈ এবাজ ভাতকে দিব নোৱাৰাত তেনেস্থলত কাৰো ঘৰত হাজিৰা কৰিবলৈ নাই। অন্যহাতে আজি কেইবাদিনো পেটত খুদকন এটাও পৰা নাই। অৱশেষত মই গাৱঁৰ ধনীৰাম মহাজনৰ ঘৰলৈ গৈ তেওঁক লগ কৰি তেওঁৰ দোকানৰ পৰা এককেজি চাউল ধাৰলৈ বিছাৰিলো। কিন্তু চাউলৰ বিনিময়ে তেওঁ মোক বহুতো ঠাট্টা তিৰস্কাৰহে কৰিলে। কাৰণ মোৰ আগৰ বাকীয়েই বোলে বহুত আছে। মই উপায় নাপাই মোৰ হাতৰ খাঁৰো পাতকে খুলি সজোৰে কঁলো লওঁক, এইপাত লওঁক আৰু তাৰ মূল্যৰে আপোনাৰ দোকানৰ বাকীখিনি মাৰি লওক আৰু বাকী যিমান পইছা থাকে তাৰে চাউল দিয়ক।

মই ঘুৰি আহি পদুলিমুখ পোৱাৰ লগে লগে মায়ে কঢ়াৰ শব্দ শুনিলো আৰু এক্জাপেই গৈ মাৰ কাষ পালোগৈ। ভাইটিয়ে তেতিয়া মাৰ কাষতে বহি ফেকুৰী কান্দি আছিল। মই তাক হাতেৰে সাৰতী ধৰি কথমপি নকন্দাকৈ বুজাবলৈ চেষ্টা কৰিলো। "ভাইটি তুমি নাকান্দিবা মা, ভাল হব নহয়, সোন তুমি নাকান্দিবা, কান্দিব নাপাই নহয়, তোমিতো জানাই বিপদত ধৈৰ্য্য ধৰাইহে মানুহৰ কৰ্ত্তব্য"। মই এই বুলি কবলৈহে পালো, পুনঃ সি হুকহুকাই কান্দিবলে ধৰিলে। মইও কিন্তু এইবাৰ ধৈৰ্য্য ৰাখিব নোৱাৰিলো। মোৰ ধৰ্য্যৰ বান্ধ সুলকি গ'ল। মই ভাইটিক জোৰেৰে সাৰতী ধৰি কান্দিবলৈ ধৰিলো। মা মাত্ৰ নিৰৱ দৰ্শক হৈ আমালৈ চাই আছে আৰু এবাৰ হুবাৰ কাঢ়ে কেকাই মাত মাতিব নোৱাৰে দুগালেদি মাত্ৰ চকুলুহে বাগৰিব ধৰিছে।

আমি এইদৰে পাৰেমানে কান্দিলো, তেতিয়া ৰাতি প্ৰায় মাজভাগ। কান্দি কান্দি ভাইটি মোৰ কাষত বাগৰী পৰিল, লগে লগে মাৰ ভীষণ কাঢ় আহিল, কঢ়াৰ লগে লগে তেজ পৰিবলৈ ধৰিলে। মাৰ যান্ত্ৰনা দেখি মই চাই থাকিব নোৱাৰিলো। মই চকুৰেদি ধোঁৱা কোঁৱা দেখিলো মই এতিয়া কি কৰো। ডাক্তৰ বা ইমান ৰাতি ক'ত পাম। মই সেই ৰাতিতো পাৰ কৰি নিবলৈ ঈশ্বৰক খাটিলো। মাৰ লাহে লাহে কাঁঢ় অলপ থাম কাটিবলৈ ধৰিলে। কিন্তু কি হব। ৰাতি পুৱাবলৈ তেতিয়াও বহুত বাকী। মাৰ পুনঃ কাঁঢ় আৰম্ভ হ'ল। এইবাৰ কাঢ়ৰ লগত আগতকৈ বেছি তেজ পৰিবলৈ ধৰিলে। কাঢ় কাঢ়ি মা প্ৰায় লেবেজান হৈ পৰিল। এইবাৰ কিন্তু মই স্থিৰেৰে থাকিব নোৱাৰিলো। আমাৰ গাৱঁৰ প্ৰায় সিটো মূৰত হাজৰীকা ডাক্তৰৰ ঘৰ। মই অন্য কোনো উপায় নেদেখি ভাইটিক মাৰ ওচৰত বখিয়া থৈ হাজৰিকা ডাক্তৰৰ ঘৰলৈ লৰ মাৰিলো। মই গৈ হাজৰিকা ডাক্তৰৰ ঘৰ পাই মাতিবলৈ ধৰিলো ডাক্তৰ খুড়া উঠকহেন। কিন্তু ভিতৰৰ পৰা ডাক্তৰৰ পৰিবাৰে মাত লগালে। কোন, কোন ইমান ৰাতি কি লাগে। মই কলো 'মই ৰিজু আমাৰ মা ......... কথাষাৰ সম্পূৰ্ণ কৈ নহলেই ভিতৰৰ পৰা কঠোৰে মাত আহিল, কিহল ইমান ৰাতি তোৰ লোকক অশান্তি দিবলৈ কিহল। ইয়ালৈ কি কৰিবলে আহিছ, ছিঃ এজনী গাভৰু ছোৱালী ৰাতিখন এনেকৈ ঘুৰি ফুৰেগে,। যা, ইয়াৰ পৰা অতি সোনকালে আতৰি যা। নহয় থুৰি দেউ আমাৰ মাৰ টান নবীয়া। আমাৰ মা ..... এই বুলি কৈ মই হুক হুককৈ কান্দিলো। এই বাৰ ডাক্তৰৰ পৰিবাৰে উধাই মোধাই, গালি পাৰিবলৈ ধৰিলে মাত্ৰ হাতে চুবলৈহে বাকী

থাকিল। ঐ ইয়াত কান্দি দেখুৱাবলৈ আহিছ। মাৰৰ বেমাৰ হৈছে—দিনত আহিব নোৱাৰ। ৰাতি ৰাতি লোকৰ ঘৰত অশান্তি কৰিবি। তাই এইবাৰ ডাক্টৰৰ পৰিবাৰৰ ভৰিত ধৰি কাকুতি কৰিব ধৰিলে। নহয় খুৰিদেউ "আমাৰ মাক ৰক্ষা কৰক। নহলে আমি জীয়াই থাকিবকে নোৱাৰো। মাঁক বচাওক খুৰিদেউ। মা যদি বাছি যায় মই এমাহদিন বিনা পইছাই চাকৰু কৰি দিম খুৰিদেউ।

ইতিমধ্যে ডাক্তৰো ভিতৰৰ পৰা ওলাই আহিল ৰিজুৱে ডাক্তৰৰ ভৰিত ধৰি প্ৰণাম কৰিলে। ডাক্তৰে কিছু তিক্ততা বোধ কৰিছিল যদিও কলে মাৰৰ বেমাৰ ভাল কৰিবলৈ তোৰ হাতত জানো পইছা। আজি কালি বিনা পইছাই ডাক্তৰে বেমাৰ নাচায় গতিকে..........। এই বুলি কৈ ডাক্তৰে ৰিজুৰ মুখলৈ চালে। তাই অলপ সময় নিৰবে ঠাকি পুনঃ কান্দি কান্দি কবলৈ ধৰিলে। নাই ডাক্তৰ খুৰা, যদি পইছা থাকিলে হেঁতেন তেন্তে আজি তিনিদিন লঘোনে থাকিব নালাগিল হেতেন। কথাষাৰ অলপ ঠোকা ঠোকিকৈ কৈ ডাক্তৰৰ উত্তৰলৈ বাট চালো কিন্তু ডাক্তৰে একো উত্তৰ নিদিয়াত তাই এটা হুমুনীয়া পেলালে। আৰু কানৰ সোণৰ কানফুলি যোৰ খুলকাই ডাক্তৰৰ ফালে হাত মেলি দিলে আৰু কলে এইসোণ লওঁক খুৰা। ইয়াৰে যিমান হয় মাক চিকিৎসা কৰি দিয়ক। এইবুলি কৈ কান্দিবলৈ ধৰিলে। ডাক্তৰে কিছু ইতষ্টতঃ কৰিছিল যদিও ডাক্তৰৰ পৰিবাৰে হাতমেলি লৈ কলে হব বাৰু। তই ইমান চিন্তা নকৰিবি আবেলিকে খুৰাৰ এপাক গৈ আহিব বাৰু। ডক্তৰে ভিতৰলৈ গৈ অলপ জুলীয়া ঔষধ আৰু দুটামান 'কেপচুল' তাইৰ হাতত দিলে, আৰু কলে, বাৰু আবেলিলৈ মই এপাক গৈ আহিম ডাক্তৰৰ পৰা ঔষধ নিয়ম কানুন বুজি লৈ তাই যাবলৈ ওলাল। ঘৰলৈ বুলি তাই বেগাই খোজ ললে। ইতিমধ্যে পুব দিগন্তত ৰঙা সূৰ্য্যই দেখা দিলে।

অন্যহাতে মাকৰ অসুখ ক্ৰমান্বয়ে টানহৈ আহিবলৈ ধৰিলে। এইবাৰ কাহৰ লগে লগে হুলোকা হুলোকে তেজ ওলাবলৈ ধৰিলে। ডাক্তৰে দিয়া ঔষধে একো কামত নাহিল। আবেলি ডাক্তৰ আহিল আৰু পৰীক্ষা কৰি কলে, যে হেৰি-নহয় ৰিজু বেমাৰটো বহুত পুৰণি। তথাপিতো চিন্তা কৰিব লগিয়া কাৰণ নাই। এটা বেজিৰ কাম। একেবাৰে জৰণি মাৰি যাব। কিন্তু বেজিটোৰ হলে বৰ দাম পৰিব। কাৰণ এইটো ঔষধ ফাৰ্মাচিত কিনিবলৈ নাই গতিকে......। এই বুলি ডাক্টৰে ৰিজুৰ মুখলৈ চালে। হব খুৰা তাৰবাবে চিন্তা নকৰিব। এইবাৰ এই আঙঠিটোকে ৰাখক। আৰু অনুগ্ৰহ কৰি মাক বচাই দিয়ক। তাই কথাষাৰ প্ৰায় কান্দি কান্দি কৈছিল। ডাক্তৰে মাকক কেইটামান কেপচুল আৰু এটা বেজি দি ঘৰলৈ গ'লগৈ।

লাহে লাহে সন্ধ্যা লাগি আহিল। মাক তেতিয়া নিশ্চল হৈ শুই আছিল। ভাইটিয়ে ওচৰতে বহি নিজৰ অদৃষ্টৰ কথা ভাবি উচুপি উচুপি কান্দি আছিল তাই সন্ধ্যা প্ৰাৰ্থনাৰ কাৰণে ধুপ আৰু বন্তি জ্বলাই প্ৰাৰ্থনাত বহিছেহে মাত্ৰ। এনেতে মাকৰ কঢ়া আৰু ভায়েকৰ হিয়া ভৰা কান্দোনৰ বোল তাইৰ কাণত পৰিল আৰু সেই কান্দোলনে তাইক পাখিলগা কাঁৰৰ দৰে বিন্ধা দি বিন্ধিবলৈ ধৰিলে। তাই মাকৰ ওচৰলৈ দৌৰি গ'ল। তাত যি দেখিলে, তাই জ্ঞান হেৰুৱাই মাতিত ধঁাচ কৰে পৰিগ'ল।

অৱশেষত যেতিয়া তাই জ্ঞান পালে তেতিয়া তাই অনুভৱ কৰিলে যে, তাই এখন বিছনাত ভায়েক ওচৰতে বহি কান্দি আছে, আৰু তাই চাৰিওফালে কেইগৰাকী মান তিৰুতা। তাইৰ মনৰ আগত গুতেই ঘটনাতো ভাঁহি উঠিল। তেতিয়া তাই পুনৰ মাঁ বুলি কৈ চিঞৰি, জ্ঞান হেৰুৱাই পেলালে।

কেইদিন মানৰ পাছত ডাক্তৰে সিহঁতক তেওঁ লোকৰ ঘৰলৈ লৈ গ'ল। ৰিজুৱে প্ৰথমতে যাবলৈ মান্তি হোৱা নাছিল যদিও পৰিস্থিতিয়ে বাধ্য কৰালে প্ৰথম কেইদিনমান সিহঁতক খুব ভাল ব্যৱহাৰ কৰিছিল। কিন্তু প্ৰায় এমাহ মানৰ পাছত সিহঁতৰ ওপৰত অমানবীয় অত্যাচাৰ চলাবলৈ ধৰিলে। ভাইটিয়ে সদায় হালবাব, গৰুচৰাব, খৰিফালিব লাগে; ইয়াবোপৰিও ঘৰৰ বহুত ধৰণৰ কাম সি কৰিব লগিয়া হ'ল। আনহাতে ৰিজুৱে সদায় ঘৰৰ যাৱতীয় কাম কৰাৰ উপৰিও সিহতৰ চুৰা কাহিবাতি আদি বহুত ধৰণৰ কাম বিলাক কৰিব লগিয়া হৈছিল। ইয়াৰ বিনিময়ত সিহঁতে দুষাজ ভাতো ভালকৈ খাবলৈ নাপাইছিল। ৰাতি পুৱা গধূলী সিহঁতৰ ভাগত পৰিছিল পইতা, কৰ্কৰা, আৰু সিহঁতে এনেহেন পুহমহিয়া জাবতো ভালকৈ গৰম কাপোৰ এডোখৰ নাপাইছিল। ৰাতিপুৱা গধূলী সিহঁতৰ ভাগত পৰিছিল পইতাভাত, সেই অনুপাতে সিহতৰ আন্থা পানীত হাঁহ নচবাৰ দৰে হৈছিল।

এদিন ৰিজুৰ হাতৰ পৰা সধাৰণ চিনামাতি এটা পাত্ৰ পৰি ভাগি থাকিল। সেইদিনা ডাক্তৰৰ ঘৈনীয়েকে ৰিজুক বৰকৈ মৰিয়াবলৈ ধৰিলে, আগতেওঁ এনেদৰে বহুৱাৰ মাৰে কিন্তু সেইদিনা তাই চুলি খিনি টানি চিঙি পেলাইছিল। আনকি তাইৰ গালত ছোবাত পাতৰ কোব পৰিল। ভায়েকে বায়েকৰ এনে অত্যাচাৰ দেখি খুৰিয়েকৰ হাতৰ পৰা ছোবাতৰ দালতো কাঢ়ি লৈ দলিয়াই দিলে। অৱশেষত তাই ভাগৰি পৰিল। তাই খঙত ফোপাবলৈ ধৰিলে। আনহাতে সিহতে যান্ত্ৰনাত কান্দিবলে ধৰিলে। প্ৰায় তিনিদিন মানৰ পাছত সিহঁতে তাৰ পৰা পলাই যাবলৈ স্থিৰ কৰিলে। সেই উদ্দেশ্যে সেই দিনা ৰাতি তাৰপৰা পলাই গ'ল। পিছদিনা ডাক্তৰৰ পৰিবাৰ আৰু অন্য বোৰ মানুহে সিহঁতক দেখা নাপায় আচৰিত হ'ল। আৰু সেই সকলোবোৰ কথা পুলিচৰ আগতকৈ দিব বুলি কিছু ভয়ো খালে। সেয়েহে তাই এটা বুদ্ধি সাজিলে।

ডাক্তৰৰ পৰিবাৰে থানালৈ গৈ এখন মোকদ্দমা দিলে যে, যোৱাকালি সিহঁতৰ ঘৰত থকা চাকৰণী জনী আৰু তাৰ ভায়েকে সিহঁতৰ ধন, সোণ, অলংকাৰ পাতি লৈ পলাই গৈছে। আনহাতে সিহত গৈ এখন টাউনত উঠিলেগৈ। তিনিদিনৰ পিছত সিহঁত যেতিয়া গুৱাহাটী পালেগৈ, আন সেই সন্ধি ক্ষণত গুৱাহাটী ৰেল ষ্টেচনতে পুলিছে সিহতক গ্ৰেপ্তাৰ কৰে পুলিছে সিহঁতক জগৰীয়া কৰি চুৰি কৰি অনা বস্তু বোৰ ঘুৰাই দিবলৈ কলে। কিন্তু সিহতে হতভয় হৈ একো উত্তৰ নিদিলে আৰু অৱশেষত এটাই মাত্ৰ বাক্য প্ৰকাশ কৰিলে যে আমি একো বস্তু অনা নাই মাত্ৰ আমাক কৰা অত্যাচাৰ সহ্য কৰিব নোৱাৰিহে আমি পলাই আহিছো।

কিন্তু পুলিছে সেই কথাত অমান্তি হৈ সিহতক অশ্লীল অত্যাচাৰ লগতে মাৰ ধৰ কৰিলে অৱশেষত পুলিছৰ অত্যাচাৰতেই সিহঁতৰ প্ৰাণবায়ু উলাই গ'ল। সিহতে মুক্তি বিছাৰি চিৰমুক্তিক পালেগৈ।

# ভাৰতীয় সতীয় জী

শ্ৰীঅতুল চন্দ্ৰ নাথ,
স্নাতক তৃতীয় বাৰ্ষিক

অসম আমাৰ মাতৃ,
কৰিছে শোষণ ভাৰত পিতাই
শুহিছে আমাৰ তেজ।
অসম যদি ভাৰতৰে অঙ্গৰাজ্য হয়,
কিয় বাৰু ভাৰত পিতাই
শোষণ কৰি লয়!
গণতন্ত্ৰৰ নামসনা ভাৰতবৰ্ষে আজি
কৰিছে অসম মাতৃক উপনিবেষ সাজি।
ভাষা, বিদেশী বহিস্কাৰ, কত আন্দোলন
কৰিছিল অসমীয়াই অহিংসাৰ পন!
ভাৰতে দিলে তাৰ প্ৰত্যোত্তৰ গুলি
শ্বহিদ, পঙ্গু, আৰু ধৰ্ষিতা বুলি।
কিয় জানো অকস্মাতে জ্বলি উঠে মন,
স-সস্ত্ৰ বিপ্লৱেই আমাৰ যেন পন।
বিপ্লৱ বিনে গতি নাই অসম মাতৃৰ,
জনগন, অসমৰ স্মৃতি অগ্ৰগতিৰ।

=+=

# নি নিদাঘ ঘ

শ্ৰীযুত লীলা বৰা,
অধ্যাপক, অসমীয়া বিভাগ।

কবিতা শোৱে সোঁৱৰণী সুৰ,
নিমাতে নিশ্চুপে
খাবলু পাৰৰ বিবিনা কঁপনি
হৃদয়ত বয়
এনেকৈয়ে প্ৰতি ফাগুনত।
যৌৱনৰ হেম্বেলনীত মৰি পৰে
এচকু নিয়ৰ বন্য হৈ.
কহুৱা ফুলাৰ সময়তে।
আকাশত শগুণ উৰিছে
কবিতাৰ জুইত গলোৱা তপত শিহত
গাই যাওঁ আকৌ হেম বৰুৱা।
লানি নিছিগা নিঠৰুৱা শীতত
বালুৰ নখোৰাৰ উদ্দাম নাচ
শেতেলী উদং ঠেংনামনিত মকৰা জাল।
শিয়াৰ খোৰা কামোৰা
শেষ নৌ হয় এঠোন
মেজিৰ তলত শুনিমনে অচিৰতে
"পুহাইল ৰজনী" .........?

# অসমত আকৌ জুই জ্বলাই দিয়া হ'ব ।

শ্ৰীবুদ্ধিন কুমাৰ দাস
সম্পাদক আছু গোট
এল: টি, কে, কলেজ

সুদীৰ্ঘ ছবছৰীয়া অসমৰ অস্তিত্ব ৰক্ষা তথা বিদেশী বিতাৰণৰ অৰ্থে ব্যাপক গণ আন্দোলন চৰকাৰী যন্ত্ৰৰ ব্যাপক গণহত্যা অত্যাচাৰী দমন নীতি, সুবিধাবাদী ৰাজনৈতিক দলৰ স্বাৰ্থত গঢ় লৈ উঠা সাম্প্ৰদায়িক সংঘৰ্ষৰ অন্ত পেলাই ১৯৮৫ চনত অসমলৈ আত্মবিশ্বাস আৰু প্ৰত্যয়ৰ আশ্বাস লৈ শান্তিক ঘূৰাই অনা হ'ল । সেই কাল চোৱাৰ ভয় সন্ত্ৰাস তিক্ত অভিজ্ঞতা সামৰি থৈ অসমৰ ৰাইজে শান্তিপূৰ্ণ এক জীৱন ধাৰাত পুনৰ অভ্যস্ত হৈ পৰিল । শান্ত পৰিবেশ ঘূৰি অহাৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ণ কৰা কৰ্ত্তব্যত, শ্ৰমিক কৰ্মচাৰীয়ে নিজা কৰ্তব্যত আৰু গৃহিনী সকলে তেওঁলোকৰ দৈনন্দিন কাম-কাজত পুনৰ ব্যস্ত হৈ পৰিল । কিন্তু ক্ষমতালোভী ৰাজনৈতিক নেতা । চৰকাৰে কিনি ৰখা গোলাম আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষই অসমৰ জনসাধাৰণ শান্তিত থকাটো একেবাৰেই বাঞ্চা নকৰে। সেই বাবেই ৮৩ ৰ সেই ৰক্তাক্ত দিনবোৰ পুনৰ আমাৰ মাজলৈ ঘূৰি আহিল । আচলতে ঘূৰাই অনা হ'ল । কংগ্ৰেছ (ই, ৰ হাতৰ পুতলা আৰু ভাৰতবৰ্ষতে প্ৰথম ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰৰ মুকলি ঘাঁহনিত শপত গ্ৰহন কৰা প্ৰধান মন্ত্ৰী চন্দ্ৰ শেখৰৰ কেন্দ্ৰীয়) চৰকাৰে আমাক আকৌ এবাৰ প্ৰৱঞ্চনা কৰিলে। নিৰ্বাচনৰ পৰিবৰ্ত্তে অসমৰ জন-সাধাৰনৰ ওপৰত জাপি দিলে ২৭।১১।৯০ তাৰিখে ৰাষ্ট্ৰপতি শাসন কৰা আইন ঘোষণা কৰা হ'ল । অসম এতিয়া অশান্ত অঞ্চল । কথা হ'ল-অসমৰ ছাত্ৰ সমাজৰ লগতে মুঠ ১২ টা সংগঠনে অসমত নিৰ্বাচন পাতিব লাগে বুলি কোৱা সত্ত্বেও—কেন্দ্ৰীয় চৰকাৰে কিয় অসমত নিৰ্বাচনৰ পৰিবৰ্ত্তে—ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্ত্তন কৰিলে। ইয়াৰ ৰহস্য অসমৰ জন সাধাৰনে ভালদৰে বুজি পাইছে ।

অসমৰ ইতিহাসত কলীয়া আখৰেৰে লিখা আছে ১৯৭৯ চনৰ ১২ ডিচেম্বৰ, ১৯৮১ চন ১৯৮২ চনৰ ১২ মাৰ্চ্চ ৰাষ্ট্ৰপতি শাসন, ১৯৮৩ ৰ ৰক্তাক্ত নিৰ্বাচন । ৬ বছৰীয়া নিৰ্য্যাতন, অত্যাচাৰ, হত্যা ধৰ্ষন লুণ্ঠন আদি এইবিলাক পঙ্গু কৰি যোৱা অসমৰ আবাল বৃদ্ধ বনিতাৰ কথা, অসমীয়া জাতিৰ যৌৱনলৈ অকাল বাৰ্দ্ধক্য নমাই অনাৰ কথা। আৰু যি কণ বাকী আছিল এতিয়া সামৰিক বাহিনীৰ অপাৰেচন 'বজ্ৰাংগ' অভিযান, দ্বাৰা শেষ কৰাৰ প্ৰচেষ্টা চলাইছে । এই অভিযান আৰম্ভ হোৱাৰ পিছত জনসাধাৰণৰ মনৰ পৰা সকলো আশা গুচাই গৈছে। মানুহৰ চকুত টোপনি নোহোৱা হ'ল । ভয়ত পেপুৱা লাগিছে আৰু লক্ষ্য হেৰাই গৈছে । আজি সেনা বাহিনীয়ে ঘৰে ঘৰে আহি তালাচীৰ নামত নিৰ্ম্মম অত্যাচাৰ চলায়, কাক ধৰি নিয়ে কাক গুলীয়াই, কাক ধৰ্ষণ কৰে তাৰ কোনো ঠিকনা নাই । আনকি অসমৰ শৈক্ষিক পৰিবেশ নষ্ট কৰি বিদ্যালয় সমূ-

হঁত নেছে কীয়া পৰীক্ষা কাৰ্য্যসূচী হঠাৎ স্থগিত ৰাখিব লগা হ'ল। আগন্তুক উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰীক্ষাৰ বাবে অসমৰ ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়ণত ব্যাঘাত জন্মিছে। ফলত ছাত্ৰ-ছাত্ৰী সকল কেৱল শাৰিৰীকেই নহয় মানসিক হাৰাশাস্তিৰ সন্মুখীন ও হৈছে।

স্বাধীন দেশৰ নাগৰিক হৈ আজি মুক্তভাৱে বিচৰণৰ অধিকাৰ নাই। আনকি শিক্ষানুষ্ঠান সমূহত পাঠ দানৰ কাৰ্য্যসূচী ও সঠিক গ্ৰহন কৰিব পৰা নাই ভাৰতীয় সামৰিক বাহিনীৰ তথা পুলিচৰ হাতত শাৰীৰিক অত্যাচাৰৰ সন্মুখীন হৈ ছাত্ৰ-ছাত্ৰী লগতে সৰ্বসাধাৰণ ৰাইজৰ মাজত এটা ভীতিগ্ৰস্ত মানসিকতাই গা কৰি উঠিছে। এই মানসিকতাই অসমৰ সকলো সুন্দৰ পৰিবেশ নষ্ট কৰিছে।

সুস্থ গণতন্ত্ৰক প্ৰতিষ্ঠা কৰাৰ নামত অসমৰ লক্ষীপথাৰ, চৰাই পুং, লক্ষীমপুৰ, ঢলপুৰ, নাৰায়ণপুৰ, ৰঙাই, ফুলবাৰী, বিহপুৰীয়া, পানিগাওঁ, খগা, বাহঁপাতি, গড়েহগা আদি অঞ্চল সমূহত ভাৰতীয় সেনাই ঘৰে ঘৰে তাললাচী চলাই উদীয়মান চেমনীয়া ডেকা গাভৰু হঁতৰ লগতে সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত অমানবীয় অত্যাচাৰ চলাই নিদোৰ্ষী ভাই বন্ধু, ছাত্ৰ বন্ধু, সকলক গ্ৰেপ্তাৰ কৰি গুৰুণা গুৰুকৈ পিতি ৪।৫ দিনৰ পাছত পুনৰ এৰি দিয়ে। আৰু কিছুমানক কোনো কাৰণ নোহোৱাকৈ আতক কৰি ৰাখিছে। মাধৱদেৱ মহাবিদ্যালয়ৰ স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ মহেন্দ্ৰ ফুকনক বিনা কাৰণত ঘৰৰ ভিতৰতে ভাৰতীয় সেনাই গুলীয়াই হত্যা কৰা, বিহপুৰীয়া দণ্ডিবিল গাৱঁৰ। আদিবাসী ১৫ বছৰীয়া যুৱতী ফুলমনি তপ্প আৰু কৰুণ তানিক, চমুৱা গাৱঁৰ, শঙ্কৰদেৱ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিকৰ ছাত্ৰী গুঞ্জমনি ৰবা ডিব্ৰুগড় জিলা ৰূপহুৱা গাৱঁৰ বিনা গগৈ, যমুনা গগৈ, (বোৱাৰী) শান্তি গগৈ পুন্য গগৈ, বিনা গগৈ, লক্ষী গগৈ (ছাত্ৰী) আৰু অসমৰ চৌ দিশে ভাৰতীয় সামৰিক বাহিনীয়ে ধৰ্ষণ কৰা ঘটনাই অসমত এক ব্যাপক প্ৰতিক্ৰিয়া কৰাই নহয়, আজিৰ অসমীয়া যুৱতী-বোৱাৰীয়ে বলিশালৰ ঘাতকৰ হাতত নিজৰ সতীত্ব বিসৰ্জন দিয়ালৈ এক নীতি হৈ পৰিছে। অথচ দেশত দ্ৰোহী হিতেশ্বৰ শইকীয়া, তুলাল বাৰৰাৰ দৰে তথাকথিত মহান নেতাই তসমত সামৰিক বাহিনীয়ে নিদোৰ্ষী মানুহৰ ওপৰত অত্যাচৰ চলোৱা নাই বুলিয়েই কৈছে। ৰাষ্ট্ৰপতি শাসনৰ জৰিয়তে নিজৰ মুনাফা আদায় কৰিবৰ বাবে অসমৰ নিৰীহ জন-সাধাৰণৰ ওপৰত যি অত্যাচাৰ হৈছে আৰু ধৰ্ষণ বলাৎকাৰ আদিৰ নিচিনা অমানবীয় নিষ্ঠুৰ তাক চকুৰে নেদেখা বুলি কৈ অস্বীকাৰ কৰা আত্মদ্ৰোহী অসমীয়া জাতি হত্যাৰ পুৰোহিত শইকীয়া, বৰুৱা হঁতৰ দৰে আগশাৰীৰ নেতা বিলাকক অসমৰ ছাত্ৰ সমাজে আৰু জনসাধৰণে সময়ত যোগ্য প্ৰত্যুত্তৰ দিব।

"ৰাইজ আমি সোণৰ অসম গঢ়িম। ১০ টকা ভেটী খোৱা বিষয়াক শাস্তি দিয়া হব আদি বৰ দাণ্ডৰ দাণ্ডৰকৈ লেকচাৰ দিয়ে হাতীয়েই হাতী, হাতী বিনে নাই গতি" অসম গণ পৰিষদৰ দিচপুৰৰ গাদীত থকা সেই যে কেবিনেটত গোলাপী নিচাত বমি কৰা, মানাহৰ বিউটি বিছৰা দেশ প্ৰেমী আদি চেঙা মতা হাতী জাকৰ কথা কৈছে — অসমত ৰাষ্ট্ৰপতি শাসন জাপি দিয়া মূল শিপা দাণ্ডেই উল্লেখিত জাকটো। সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱা হলে অসমত এনে পৰিস্থিতি উদ্ভৱ কেতিয়াও নহয়। বৰ্ত্তমান ভোটৰ আশাত কাৰোবাক হত্যা কৰা, ধৰ্ষণ কৰা, অত্যাচাৰ কৰাৰ পাছত অ. গ. প. ৰ নিপোটল হাতী জাকে

অসমৰ ৰাজ্যপালৰ প্ৰতিবেদনত উল্লেখিত ১৯৮৭ চনৰ পৰা আলফা নামৰ সংগঠনটোৱে মুঠ ১১৩, অঞ্চল বিলাকত ব্যাপক সহাৰি জনাইছেগৈ। সম্পূৰ্ণ ৫টা বছৰৰ (অ গ প) ভিতৰত অসমৰ সমগ্ৰ অঞ্চলতে ভূমিকাৰ নাৰী ধৰ্ষণ, লুণ্ঠন, অপহৰণ, হত্যা আদিকে প্ৰমূখ্য কৰি সংঘটিত ঘটনা ৱলীৰ ক্ষেত্ৰত তেতিয়া নিৰ্ভীক আৰু মুক্তিনিষ্ঠ ব্যৱস্থা লোৱাৰ কোনো উদাহৰণ নাই। এতিয়া অসম বন্ধ, জিলা বন্ধ, ধৰ্ষণৰ প্ৰতিবাদত ধৰ্মঘট অনশন আদি কাৰ্য্যসূচী হাতত লৈ ৰাইজৰ আগত ভেকু-ভাওঁনাৰ অথবা কৰা অভিযান চলাইচে। আচলতে এই সকলো খিনি নিতান্ত অৰ্থহীন প্ৰচেষ্টা।

একে সময়তে অসমৰ হকে নিকা এক আদৰ্শৰে অসমৰ সন্তান বিশ্বাসী বন্ধু, উঠি অহা যুৱক যুৱতীহতে ঘৰ সংসাৰ ত্যাগ কৰি হাবি জংঘলত আশ্ৰয় লৈছো দেশৰ বাবে খুজ দিয়াত আত্মোৎসগা কৰিছে আৰু সেই একে সময়তে নিপোটল হাতী (দিচপুৰ) জাকে দৰিদ্ৰ জন-সাধাৰণক প্ৰৱঞ্চনা কৰি দিচপুৰত অমৰাৱতী কৰি ধন-জন আৰু ক্ষমতাৰ সুখ-ভোগ যুগমীয়া কৰি দিল্লী হাৰিয়ানা কলিকতা বাঙ্গালোৰত ঘৰ মাটি কৰিলে। চাহ বাগান কিনিলে, শ শ বিঘা মাটি চৰকাৰী দান ভূমিহীনক দিয়াৰ অজুহাতত আত্মসাৎ কৰিলে, গুৱাহাটীত চাৰি তাৰকা হোটেলৰ মালিক, নৈশ-নৈশবাচ কেন্তাৰ গাড়ী আছে এই বিলাকৰ মালিক হ'ল। অসমত সন্ত্ৰাসৰ সৃষ্টি কৰা, ডকাইত ডুনীতি কোনে কৰিলে, অসমৰ জন-সাধাৰণে সেই সকল মহান নেতাক কেতিয়াবাই চিনি পালে। অসমৰ জন-সাধাৰণে ইহঁতক ক্ষমা কৰিব পাৰিব জানো ?

হে ভগৱান- এনেকুৱা এখন চৰকাৰ যেন আমাৰ ভাগ্যত লৈ আৰু কোনো কালে নাহে। আচলতে অন্যায়ক অন্যায় বুলি কোৱা আৰু শিষ্টাচাৰক শিষ্টাচাৰ বুলি কোৱা পাপ জানো ? জন নিৰপৰাধী লোকক হত্যা কৰিছে। অসমত লুণ্ঠন, অপহৰণ আদি কাৰ্য্যই সন্ত্রাসৰ সৃষ্টি কৰিছে কিন্তু আলফা নামৰ সংগঠনটোৱে বড়ো উগ্ৰপন্থীৰ সকলৰ দৰে অসমত সন্ত্রাসৰ সৃষ্টি কৰা নিশ্চয় নাছিল। ২।৩ বছৰতে বড়ো উগ্ৰ পন্থীয়ে অসমত ২০০ জনৰো অধিক নিৰপৰাধীক হত্যা কৰিলে, আৰু বিভিন্ন অমানবীয় কাৰ্য্য কৰিলে সেই সম্পৰ্কে অসমৰ ৰাজ্যপাল একেবাৰে নিমাত কিয় ? পঞ্জাৱৰ দৰে অসমত সন্ত্ৰাসৰ সৃষ্টি হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰে পঞ্জাৱৰ সন্ত্ৰাসবাদী সকলক যে আলোচনা মেজলৈ আহিবলৈ আহ্বান জনাইছিল, অসমৰ ক্ষেত্ৰতো আলফাৰ বে আইনী বুলি ঘোষণা নকৰি আলোচনা মেজলৈ আহিবলৈ আহবান নজনালে কিয় ? অসম বিদেশী ৰাজ্য নেকী ?

অসমৰ এনে এটা এলেকা নাই য'ত সেনা বাহিনীৰ সন্ত্ৰাস চলা নাই জন সাধাৰণৰ ওপৰত পাশৱিক অত্যাচাৰ চলোৱা নাই। এই বিলাকৰ অভিযোগত আমি ছাত্ৰ সমাজে, বিভিন্ন সংগঠন বিলাকে দণ্ডাধীশ পৰ্য্যায়ৰে তদন্তৰ দাবী কৰিছে। কিন্তু এটা কথা নকৈ নোৱাৰো ১৯৭৯ চনৰ ১০ ডিচেম্বৰ তাৰিখে শ্বহীদ খগেশ্বৰ তালুকদাৰক পুলিচ মিলিটাৰিয়ে নৃশংভাৱে হত্যা কৰিলে। তাৰ কোনো বিচাৰ হোৱা বা দোষী ব্যক্তিক শাস্তি দিয়া উদাহৰণ অসমৰ ৰাইজে দেখা পালেনে ? তথাপিও আমি ছাত্ৰ সন্থাই (AASU) ঘোষণা কৰা কাৰ্য্যসূচী নিষ্ঠাৰে পালন কৰিছো সচেতন ছাত্ৰ হিচাপে। কিন্তু মনত আছে অসমৰ জন-সাধাৰণক লৈ ধেমালী কৰা সেই মূখা পিন্ধা নেতা জনৰ কথা।

জীৱন যোৱা নোপোৱা বেদনাৰে আমি জৰ্জ ৰিত, তথাপিও পুৱণি স্থৱিৰতাৰ বিপৰিতে নতুন প্ৰগতিশীল সমাজ গঢ়াৰ কষ্ট অব্যাহত ৰাখিছো। আমাৰ নিষ্ঠাবান, নিস্বাৰ্থ সংগ্ৰামী দৃঢ়তাই নিশ্চয় এদিন কঢ়িয়াই আনিব যুগজয়ী সাফল্যতা। **

# এটি খতীয়ান

শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ গোহাঁই

আমাৰ মহাবিদ্যালয় খনিয়ে ২০।৮।৯০ তাৰিখত একাদশ বছৰৰ সম্পূৰ্ণ কৰিছে। প্ৰতিষ্ঠাৰ পৰা বৰ্ত্তমানলৈকে শিক্ষকতা ব্ৰতী হৈ অহাৰ বাবে স্মৰণে ঢুকি পোৱা এটি সংক্ষিপ্ত বিৱৰণ প্ৰবন্ধ আকাৰে যুগুতাই ছাত্ৰ-ছাত্ৰী সকলে প্ৰকাশ কৰিবলৈ লোৱা আলোচনীৰ সৌষ্ঠৱ বৰ্দ্ধনত সহায়িকা হব বুলি আশা কৰি কলেজ খনিৰ সম্পৰ্কে সামান্যতক হলেও সম্যক জ্ঞান অৰ্জনত সহায়িকা হিচাপে পৰিগণিত হব বুলি ধৰা হৈছে। লক্ষীমপুৰ জিলাৰ লক্ষীমপুৰ আৰু তেলাহী দুয়ো মৌজাৰ ক্ৰমে দক্ষিণাঞ্চল আৰু উত্তৰাঞ্চলৰ জনগণে বৃটিছৰ দিনতে ১৯৪৬ চনৰ তেতিয়াৰ শুৱালৰ গুৱী আৰু বৰ্ত্তমান আজাদৰ এখনি মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰে। প্ৰাৰম্ভনিতে এই বিদ্যালয়ত কাৰিকৰী শিক্ষাদান আৰু প্ৰশিক্ষণ দিয়া হৈছিল আৰু ইয়াৰ নাম ৰাখিছিল আজাদ এম ই স্কুল। সময় পাৰ হৈ যোৱাৰ লগে লগে আঞ্চলিক অগ্ৰনী বাইজে ১৯৬০-৬১ চনত গড়েগা বাঁহপোতি উচ্চ ইংৰাজী বিদ্যালয় খনি প্ৰতিষ্ঠা কৰে আৰু ই বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয় (ক'লা বিভাগ) হিচাপে চলি আছে। চেকেগুৰী পৰ্য্যায়লৈকে ওচৰ চুবুৰীয়া ল'ৰা ছোৱালীয়ে ঘৰৰ পৰাই শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষা লবলৈ উত্তৰ লক্ষীমপুৰত অৱস্থিত। বিভিন্ন মহাবিদ্যালয়লৈ যাবলগাত পৰিছিল। আৰ্থিক দিশত টনকীয়াল অভিভাৱকে নিজৰ নিজৰ ল'ৰা ছোৱালীক নগৰৰ ভাৰা ঘৰত ৰাখি বা বাহিৰৰ অন্য শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰিবলৈ ধৰে। কিন্তু ছাত্ৰী আৰু আৰ্থিক ভাৱে দুৰ্ব্বল লোকৰ ছাত্ৰ ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণত বঞ্চিত হৈ ঘৰতে বহি থাকিব লগিয়া হোৱা অৱস্থা হ'ল। উল্লেখযোগ্য যে এই অঞ্চলত আৰ্থিক ভাৱে দুৰ্বলৰ জনসংখ্যা অধিক হোৱাৰ হেতুকে দূৰ্ভগীয়া সকলৰ মনৰ আশা মনতে মাৰ যাব লগীয়া হৈছিল। সংবিধানিক স্বতই বোলক, নিৰ্দ্দেশক নীতিৰ অৱস্থিতিৰ কথাই নকওক কিয় লক্ষীমপুৰ মৌজাৰ দক্ষিণাঞ্চল সমগ্ৰ তেলাহী মৌজাৰ সু-বিস্তৃৰ্ণ অঞ্চল আৰু কমলাবৰীয়া মৌজাৰ প্ৰায় ৭০ হাজাৰো অধিক জন গণৰে ল'ৰা ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণৰ পৰা বিৰত থাকিব লগিয়া অৱস্থা প্ৰায় হৈছিল।

আনহাতেদি ভাৰতৰ ভিতৰতে অনুন্নত ৰাজ্য হিচাপে অসমৰ মধ্যও নামনি অসমৰ কথাই নকওঁ কিয় উজনী অসমৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ মহাবিদ্যালয়ৰ সংখ্যা লক্ষীমপুৰ জিলাতকৈ সন্তুসজনক। অসমৰ ভিতৰতে শিক্ষা দীক্ষা আদিত একেবাৰে পিছপৰা বুলি স্বীকৃতি পোৱা লক্ষীমপুৰ জিলাৰো, বিহপুৰীয়া, নাৰায়ণপুৰ, ঘিলামৰা ঢকুৱাখানা আনকি নেলাগে চিলাপথাৰতো মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি স্থানীয় ৰাইজে বিশ্ববিদ্যালয় আৰু চৰকাৰৰ পৰা কৃপাদৃষ্টি আকৰ্ষণ কৰি নিজৰ ল'ৰা ছোৱালী হওঁক কম খৰছতে উচ্চ শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰি দিয়া দেখা গৈছিল। উত্তৰ লক্ষীমপুৰত অৱস্থিত, উত্তৰ লক্ষীমপুৰ কলেজ, লক্ষীমপুৰ মহীলা মহাবিদ্যালয় আৰু লক্ষীমপুৰ বাণিজ্য মহাবিদ্যালয়ে জিলাখনৰ ছাত্ৰছাত্ৰীৰ চাহিদা পূৰণ কৰিব নোৱাৰা অৱস্থা প্ৰাপ্ত এথোন। সেয়েহে নগৰৰ নিকটবৰ্ত্তি এই অঞ্চলৰ চিন্তা নায়ক সকলে উচ্চ শিক্ষা কেন্দ্ৰ এটিৰ অতীৱ প্ৰয়োজনবোধ

কৰি সত্তৰ দশকৰ আৰম্ভনিৰে পৰা মেল মিতিং পাতিবলৈ আৰম্ভ কৰিলে। এই ক্ষেত্ৰত শ'লাল তেলাহী কমলাবৰীয়া উচ্চ ইংৰাজী বিদ্যালয়ত পানী গাওঁ নিবাসী শ্ৰীযুত বংশীধৰ ভূঞা ডাঙৰীয়াৰ পৌৰহিত্যত বহা সাধাৰণ সভা খনেই বাট্‌কটীয়া বুলি ধৰিব পাৰি। পিছে কলেজৰ বাবে প্ৰয়োজনীয় মাটিৰ অভাৱ আৰু অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আগবাঢ়ি যোৱাৰ নিস্বাৰ্থী লোকৰ অভাৱ আদিৰ বাবদ এখনি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰণত অজানিত পলম হোৱা যেন অনুমান কৰি আজাদ বাসী ইন্দ্ৰেশ্বৰ শৰ্ম্মা মহোদয়ে আজাদৰ আশে-পাশে থকা শিক্ষা প্ৰেমী লোকৰ লগত মৌখিক ভাৱে-আলাপ আলোচনা কৰিবলৈ ধৰিলে, শ্ৰদ্ধেয় শৰ্মা দেৱে উত্তৰ লক্ষীমপুৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত উপদেষ্টা হিচাপে সেৱা আগবঢ়াই বৃদ্ধ বয়সজনীত কাৰণত অব্যাহতি লৈ ঘৰতে বহি থাকিব লগীয়া হৈছিল। স্বাধীনতাৰ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি জেল খাইছিল, ৺ ফকৰ উদ্দিন আলি আহমেদ, গড়মূৰীয়া সত্ৰাধিকাৰ, কোশল কোঁৱৰ আদিৰ লগত। সেয়েহে তেখেতে তাম্ৰ পত্ৰ পোৱাৰ যোগ্যতা অৰ্জন কৰিছিল।

এই খিনিতে তেখেতৰ লগত হোৱা এটি বহাগৰ আবেলিৰ কথা মনলৈ আহে। এদিন প্ৰবন্ধকাৰ উত্তৰ লক্ষীমপুৰ নগৰ পৰা ঘৰলৈ বুলি ঘূৰি আহোতে আজাদৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ জুপনাৰ ওচৰতে তেখেতৰ লগত মুখা মুখী হোৱাৰ সৌভাগ্য ঘটিল। তেখেতৰ লগত আছিল প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ শ্ৰীযুত গুণকান্ত গগৈ এম, এঃ বিঃ টিঃ দেৱ। ভাল বেয়া খা খবৰ লোৱাৰ পাছত তেখেতৰ বক্তব্যৰ বিষয়বস্তু শিক্ষা সক্ৰান্ত ও তত্ত্ব গধূৰ হোৱা দেখি গগৈ দেৱে তেখেতৰ আৱাহ গৃহলৈ আমাৰ দুয়োকো মৌখিক নিমন্ত্ৰন কৰি নিলে। আমি দুয়ো বহাৰ লগে লগে প্ৰশিক্ষণ কেন্দ্ৰৰ চৌ পাশতে থকা উপদেষ্টা ও শিক্ষা প্ৰেমী শ্ৰীযুত নবীন দত্ত এম, এঃ বিঃ টিঃ দেৱো উপস্থিত হ'লগৈ। শৰ্মা চাৰৰ মুখত এখন কলেজ স্থাপন কৰাৰ অৰ্দম্য বক্তব্য দেখি শ্ৰদ্ধেয় গগৈ দেৱ আৰু দত্ত দেৱে অভাজনক নিভ্ৰজ্ঞলীয়া যুৱক দেখি জোৰকৈ আগবাঢ়ি আহিবলৈ আহবান জনালে আৰু প্ৰয়োজন সাপেক্ষে সৰ্ব্বতো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু পাঠ দানৰ সহায় আগবাঢ়িবলৈ মৌখিক সন্মতি জনালে। স্থানীয় শিক্ষিত যুৱক হিচাপে শ্ৰীযুত শৰ্মা চাৰক সাংগঠনিক দিশত, আগবাঢ়িবলৈ অনুৰোধ কৰি শক্তি অনুসাৰে সেৱা আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দি জা-জলপান খায় ঘূৰলৈ আহিলো। কেইদিন মানৰ পাছত গম পালো যে তেতিয়াৰ লক্ষীমপুৰৰ বিধায়ক ৺ গোবিণ চন্দ্ৰ বৰা দেৱৰ পৌৰহিত্যত আজাদ নিম্ন বুনিয়াদী বিদ্যালয়ত এক বিৰাট ৰাজহুৱা সভা অনুস্থিত কৰিছে। উক্ত সভাত যোগদান কৰাৰ সৌভাগ্য ঘটিল। সেই সভাতে ৺ ইন্দ্ৰেশ্বৰ শৰ্মাক সভাপতি, মঃ নুৰুদ্দিন আহমেদক উপসভাপতি শ্ৰীযুত তীৰ্থ দত্ত দেৱক উপ-সভাপতি আৰু শ্ৰীযুত কুমুদ শৰ্মাক সাধাৰণ সম্পাদক ৺ প্ৰভাত চন্দ্ৰ বৰগোহাঁই (এম, এ) শ্ৰীযুত নিৰ্মল চন্দ্ৰ বৰা (বি, এ, বি, টি) আৰু শ্ৰীযুত আনন্দ দত্ত (এম, এ, বি, টি) দেৱক যুটীয়া সম্পাদক আৰু প্ৰায় ৯৬ জন সদস্যৰে এখনি প্ৰস্তুতি কমিতি গঠন কৰা হয়। লগতে আগন্তুক শিক্ষা বছৰ অৰ্থাৎ ১৯৭৭ চনৰ আগষ্ট মাহৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ পাঠদান কাৰ্য আৰম্ভ কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

প্ৰস্তুতি কমিতিৰ বৈঠকে স্থানীয় স্নাতকোত্তৰ

পায়।

অধ্যক্ষ ডাঙৰীয়া প্ৰায় এমাহ দিন কলেজত নহা হোৱাত সভাপতি মহোদয়ে ২।১।৭৮ তাৰিখে প্ৰবন্ধকাৰক হাঁহি হাঁহি অধ্যক্ষৰ ঘূৰনীয়া চকীত বহোৱাই কলে "অধ্যক্ষ গগৈদেৱ কলেজলৈ নহালৈকে আৰু কলেজ পৰিচালনা সমিতিৰ সিদ্ধান্ত নোহোৱালৈকে অধ্যক্ষ হিচাবে কলেজৰ দৈনন্দিন কাম-কাজ তুমিয়েই চলাই যোৱা"। লগে লগে একাপ ফিকাচাহ আৰু এটা কুকিচ বিস্কুট সকলোয়ে খালো। সেই সময়ত কলেজৰ ১ম বার্ষিক শ্ৰেণীৰ (প্ৰাক্ বিশ্ববিদ্যালয়) ছাত্ৰৰ ভিতৰত শ্ৰীমান গজেন দত্ত, শ্ৰীমান মৰম দত্ত, শ্ৰীমান দেৱশংকৰ দত্ত, বাহঁপাতিৰ শ্ৰীমান ডম্বৰু নাথ, শ্ৰীমান গোবিন বৰা আদি মুৰব্বী ছাত্ৰ। তেওঁলোকে পঢ়াৰ মাছুল কেইটাক দিবলৈ টান পায়। কলেজৰো পুঁজি নাই। গতিকে স্বৰসতী পূঁজাৰ আয়োজন হ'ল। ল'ৰাহঁতে বাটৰুৱাৰ পৰা চান্দা সংগ্ৰহ কৰি ১ম বাৰৰ বাবে স্বৰসতী পূঁজা পাতিলে প্ৰতিমা আনি। ভৱিষ্যতলৈ প্ৰতিমাৰ বাবে পুনৰ পইচা খৰছ নকৰাকৈয়ে হোৱাকৈ উক্ত ১ম প্ৰতিমা খনি কলেজৰ কাৰ্য্যালয়তে পিছৰ বাৰৰ বাবে সজাই পৰাই ৰখা হ'ল। কলেজৰ আদিম চকীদাৰ শ্ৰীমান প্ৰফুল্ল হাজৰীকাই নিতৌ কাৰ্য্যালয় চাফ-চিকুণ কৰি এডাল ধুপ জ্বলোৱা এটা নিয়ম হৈ পৰিল। পিছৰ বছৰ উক্ত প্ৰতিমাতে পুনৰ ৰং সানি পিছৰ বছৰ অৰ্থাৎ ২য় বছৰৰ স্বৰসতী পূঁজা অনুষ্ঠিত কৰা হয়।

কলেজ পুৰাদমে চলিল হয়, কিন্তু বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পোৱা নাই। সেয়েহে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈ গম পালো যে, ১। কলেজৰ নিজৰ নামত কমেও ৪৫ বিঘা মাটি লাগে। ২। ডাক ঘৰৰ সঞ্চয়ৰ আঁচনিত নিৰ্দিষ্ট সময়ৰ ভিতৰত উঠাই আনিব নোৱাৰাত ১৫,০০০ (পোন্ধৰ হাজাৰ) টকাৰ জমা পত্ৰ ইত্যাদি ইত্যাদি বহুতো দৰকাৰ হ'ল। মাটিৰ পট্টনৰ বাবে ৺ইন্দ্ৰেশ্বৰ শৰ্ম্মা অৰু অভাজন লক্ষীমপুৰ জিলাৰ উপয়ুক্তৰ ওচৰলৈ এখন অবেদন লৈ গলো। তেতিয়া উপায়ুক্ত হিচাপে আছিল শ্ৰীযুত নীতেন মুখাৰ্জী I. A. S. ডাঙৰীয়া। আমাৰ আবেদন মৰ্মে তেখেতে লক্ষীমপুৰ মৌজাৰ এঠাকটীয়া V. G. R.ত ৬০ বিঘা মাটি কলেজৰ নামত সংৰক্ষণ কৰি কলেজখন প্ৰতিস্থাৰ কাম-কাজ চলাই নিবলৈ ২৫ বিঘা মাটি কলেজৰ নামত পট্টন দিয়াৰ ব্যৱস্থা কৰিলে। তেতিয়া লক্ষীমপুৰ চাৰ্কোলৰ উপপ্ৰতি সমাহৰ্ত্তা শ্ৰীযুত বিধান ভট্টচাৰ্য্য আৰু লক্ষীমপুৰ জিলাৰ ভূমি বন্ধবস্তি প্ৰাৰ্থি কাৰী শ্ৰীযুত সদা দাস ডাঙৰীয়াদেৱে এই ক্ষেত্ৰত আমাক অশেষ সহায় কৰিছিল। কলেজৰ মাটিৰ চাৰিসীমা চমজাই দিয়াৰ বাবে তেতিয়া লাট মণ্ডল বন্ধুবৰ শ্ৰীযুত কমলেশ্বৰ কলিতা, শ্ৰীযুত বুদ্ধেন হাজৰীকা, শ্ৰীযুত বুদ্ধেশ্বৰ শইকীয়া, অগ্ৰজ প্ৰতিম শ্ৰীযুত টক্ক দাস দেৱৰ ভূমিকা চমক প্ৰদ। এই খিনিতে বিশেষ ভাৱে ৰাজহ বিভাগৰ গ্ৰেজিং ক্লাৰ্ক শ্ৰীযুত সুভন শৰ্ম্মা, নআজিজুৰ ৰহমান চাহাব আৰু শ্ৰীলীলা দত্তৰ নাম উল্লেখযোগ্য। পিছে "পত্ হলে ভাত নাই, ভাত হলে পত্ নাই" ৰ দৰেই কলেজৰ নিজা মাটি হ'ল হয় কিন্তু গড়কাপ্তানি পথৰ পৰা কলেজলৈ অহাযোৱা কৰাৰ বাবে বাট নাই। পিছে গড়হুগা তেকীয়াল গাওঁৰ নিবাসী

শ্ৰীযুত ভাবিৰাম কাকতি দেৱে তেখেতৰ ৪কঠা মাটি কলেজৰ বাটৰ বাবে দান সূত্ৰে এৰি দিয়াৰ প্ৰতিশ্ৰুতি দিলেওঁ মাননী হিচাবে ৬০০.০০টকা বিচাৰে। কলেজ কৰ্তৃপক্ষই টকা যোগাৰ কৰোতেই ইতিমধ্যে উক্ত মাটি অন্য এজন ধনী ভদ্ৰলোকে ক্ৰয় কৰে। সেয়ে বাটৰো মূদা মৰিল। পৰিচালনা সমিতিয়ে ওচৰে পাজৰে মাটি থকা লোকসকলৰ ঘৰলৈ গৈ এবিঘা মাটিৰ পৰিবৰ্ত্তে দুবিঘা মাটি দিয়াৰ প্ৰতিশ্ৰুতি দিয়াতো মাটি দিয়া নোলাল। কিন্তু সৌভাগ্য ক্ৰমে তিনিকুৰীয়া গাওঁৰ নিবাসী শ্ৰীযুত লেখন ফুকন দেৱে গড়কাপ্তানী পথৰ পৰা কলেজৰ নিজা মাটিলৈ বহলে ১৮ ফুটআৰু দীঘলে প্ৰায় ২৫০ গজ মাটি দান সুত্ৰে দিয়ে। অনুৰোধ ৰাখে যাতে উক্ত পথটিৰ নাম "মিণ্টু ফুকন পথ" হয়। পথৰ মাটি পোৱাত কলেজৰ নিজা মাটিলৈ অহাযোৱা কৰিবৰ বাবে জয় জয়তে তেতিয়াৰ মহকুমা পৰিষদৰ ডেপুটি চীফ কাউন্সিলাৰ শ্ৰীযুত খগেন হিলৈদাৰীৰ যৌজন্যত লক্ষীমপুৰ গাওঁ পঞ্চায়ত, তেলাহী গাওঁ পঞ্চায়ত আৰু কমলাবৰীয়া গাওঁ পঞ্চায়তৰ পৰা ৩৩৩.০০ টকাকৈ এহেজাৰ টকীয়া এটি মঞ্জুৰী আগবঢ়ায়। অধ্যাপক আনন্দ চন্দ্ৰ দেৱৰ তত্বিয়তে কলেজৰ ছাত্ৰ, গড়েগো বাহঁপাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ আৰু আজাদ বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা উক্ত কলেজৰ পথটি অহা যোৱাৰ কৰাৰ উপযোগী কৰি দিয়ে। উল্লেখযোগ্য যে উক্ত শ্ৰীযুত দত্ত দেৱে কলেজৰ শ্ৰমিক বাহিনীৰ নায়ক হিচাবে শ্ৰমিক সকলৰ চৰদা হিচাবে কেইবাঠাইতো মাটি কটাৰ ঠিকা লৈ পুঁজি সংগ্ৰহ কৰিছিল। বৰ্ত্তমান কলেজৰ গৃহ অৱস্থান হোৱা ঠাই ডোখৰ আগেয়ে বৰ জঙ্গল আছিল। দিনতে বনৰীয়া মহে মানুহ মাৰে। গৰু, ম'হ আৰু মানুহৰ হাড় মূৰ পৰি হাবি বননীয়ে ভৰা আছিল। সেয়েহে গত ইং তাৰিখে শ্ৰীশ্ৰী গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰী কৃষ্ণচন্দ্ৰ দেৱ গোস্বামীৰ দ্বাৰা আধাৰ শিলা স্থাপন কৰা হয়।

হাই স্কুলত ১৭ বছৰ শিক্ষকতা কৰিলেও কলেজৰ ক্ষেত্ৰত অনভিজ্ঞ হিচাবে এনে ক্ষেত্ৰত মততে দিহা পৰামৰ্শ পাবৰ বাবে উত্তৰ লক্ষীমপুৰ কলেজৰ অধ্যক্ষ ৺ যোগেনন্দ্ৰ বৰগোহাই চাৰৰ ওচৰলৈ সঘনে গৈ থাকিব লগা হৈছিল। বৰ্ত্তমান ছোৱালী কলেজৰ অধ্যক্ষ শ্ৰীযুত মোহন চন্দ্ৰ ৰায় ডাঙৰীয়া তেতিয়া উত্তৰ লক্ষীমপুৰ কলেজৰ প্ৰবক্তা আৰু ছোৱালী কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাম কৰি আছিল গুনে তেখেত দুয়ো গৰাকী শিক্ষা গুৰুৰ পৰা সময়োচিত পৰামৰ্শ পাইছিলো।

কলেজৰ নিয়মীয়া পাঠদান চলিল। পৰিচালনা সমিতিয়ে তিনিও মৌজাৰ জন-সাধাৰণ পৰা ছাত্ৰা বৰঙণি সংগ্ৰহ কৰি প্ৰচাৰ কাৰ্য্য চলালে। সকলোৰে পৰা সাধ্যনুসৰি বৰঙণি আৰু সংপৰামৰ্শ তথা শুভেচ্ছা পোৱা হ'ল। পিছে ১৯৭৭-৭৮ শিক্ষা বছৰতে আৰম্ভ কৰা প্ৰি ডিগ্ৰী শ্ৰেনীৰ ছাত্ৰ ছাত্ৰীয়ে পিছৰ বছৰত ১৯৭৮-৭৯ চনত ২য় বাৰ্ষিক শ্ৰেণীলৈ প্ৰমোচন পালে। গতিকে ১৯৭৯-৮০ চনত প্ৰি ডিগ্ৰী মহলাৰ শেষ পৰীক্ষাত অৱতীৰ্ণ হবৰ হল। তেতিয়ালৈকে কলেজে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা উক্ত কলেজ প্ৰতিস্থা কৰাৰ অনুমতি পোৱা নাই। গতিকে

সমস্যা ডাঙৰ। অধ্যক্ষ হিচাপে উত্তৰ লক্ষীমপুৰ কলেজৰ অধ্যক্ষ মহোদয়ৰ ওচৰ পালো। তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা কোনো লিখিত হুকুম নাপালে একো কৰিব নোৱাৰে বুলি জনালে। সেয়েহে বিশ্ববিদ্যালয়ৰ ওচৰ চাপিলো। তাতো একে জবাব। পক্ষীয়ক আৰু পৰীক্ষা নিমন্ত্ৰকে জনালে যে যিহেতুকে কলেজ খোলাবে অনুমতি নাই। গতিকে সেই কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়ে কেনেকৈ। গতিকে বিপদৰ সন্মুখীন হলো। তেতিয়া লক্ষীমপুৰৰ বিধায়ক শ্ৰীযুত শূল বৰা ডাঙৰীয়াক দিচপুৰত গৈ জনালো। তেখেতে লক্ষীমপুৰ জিলাৰ বিধায়ক কেইজন আৰু ধেমাজীৰ শ্ৰীযুত ৰমেশ মোহন কুলি (তেতিয়া তেখেত অসম চৰকাৰৰ মন্ত্ৰী) চাৰিও লগ লাগি আলোচনা ক্ৰমে সেই সময়ৰ শিক্ষা মন্ত্ৰী শ্ৰীযুত লক্ষধৰ চৌধুৰী ডাঙৰীয়াৰ ওচৰলৈ গ'ল। লগতে ময়ো গলো। শ্ৰীযুত ৰমেশ মোহন কুলিয়ে গাড়ী আদিৰ ব্যৱস্থা কৰি দিলে। শ্ৰীযুত চৌধুৰী ডাঙৰীয়াৰ ঘৰ গুৱাহাটী মহানগৰীৰ গুৱাহাটীৰ ক্লাবৰ কাষতে। বাতিপুৱা চাহ খাই বাৰাণ্ডাত বহি আছে। তেনেতে আমি হাজিৰ। শ্ৰীযুত প্ৰেম বৰা দেৱে তেখেতক দাদা বুলি সম্বোধন কৰি কলে যে লক্ষীমপুৰৰ পৰা আহিছো। ব্ৰেক ফাষ্ট খোৱাৰ লাগে আৰু এটা বিশেষ সমস্যাৰ পৰা উদ্ধাৰ কৰি দিব লাগে। বিষয়টো ব্যাখ্যা কৰে শ্ৰীযুত শূল বৰা দেৱে। বৰাদেৱৰ ব্যাখ্যা শুনি চৌধুৰী দেৱে কলে স্বাধীন দেশৰ ছাত্ৰ ছাত্ৰীয়ে শিক্ষা পাবৰ বাবেই স্কুল কলেজ বিশ্ববিদ্যালয়ৰ প্ৰয়োজন তেখেত নিজেই এই অসমৰ শিক্ষা জগতৰ মন্ত্ৰনাৰ লগত জড়িত। গতিকে আপোনালোকৰ বাইজে প্ৰতিষ্ঠা কৰা কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিব নোৱাৰিব ই কেতিয়াও হব নোৱাৰিব। গতিকে তেখেতে আমাক চাহ জলপান খোৱাই অভ্যাগতকে দুপৰীয়া ১০ বজাত জনতা ভৱনলৈ যাবলৈ এখন কাৰ্ড (Permission দি আহবান জনালে।

সেই মতে দুপৰীয়া জনতা ভৱনৰ শিক্ষা মন্ত্ৰীৰ কক্ষত প্ৰবেশ কৰি মন্ত্ৰী মহোদয়ৰ ব্যক্তিগত সচীৱক কাৰ্ডখন দেখুৱালো। তেখেতে কাৰ্ড লৈ ভিতৰলৈ সোমাল। মন্ত্ৰী মহোদয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডাঙৰীয়ালৈ এখন চিঠি মোৰ হাতত দি কলে যে ২/৩ দিনৰ পাছত তেখেতো ডিব্ৰুগড়লৈ যাব। গতিকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই কি কৰে ডিব্ৰুগড়তে তেখেতক জনাবলৈ কলে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য ডঃ শৈলধৰ গগৈ ডাঙৰীয়া Common Wealth Countreis বিশ্ববিদ্যালয় সমূহৰ উপাচাৰ্য সকলৰ সভাপতি হিচাপে লণ্ডনলৈ গল। দায়িত্বত আছিল অংক-শাস্ত্ৰ বিভাগৰ মূৰব্বী অধ্যাপক ডঃ শ্ৰী ৰাস্কৰ ডাঙৰীয়া। তেখেতে চিঠি পায়ো অনুমতি দিবলৈ অপাৰগতা স্বীকাৰ কৰিলে। সেয়েহে মই ডিব্ৰুগড়তে ৩/৪ দিন ৰব লগীয়া হল। ডিব্ৰুগড় চাকিট হাউচত পুনৰ মন্ত্ৰী চৌধুৰী ডাঙৰীয়াক কথা তো অৱগত কৰালো। তেখেতে কোনেৰে পঞ্জীয়ক, কলেজ পৰিদৰ্শক আৰু দায়িত্বত থকা উপাচাৰ্য তিনিওকো মাতি পঠালে। আৰু ফলস্বৰূপে আমাৰ কলেজৰ ১ম বৰ্ষৰ লৰা ছোৱালীৰ Pre-Degree Test পৰীক্ষা দিব পাৰিলে।

কলেজ খোলাৰ অনুমতি নোপোৱাকৈকে নিজা কলেজতে Test পৰীক্ষা লৈ শেষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাতো আমাৰেই কলেজৰ সৌভাগ্য ঘটিল। সেয়েহে ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই লগে লগেই কলেজ পৰিদৰ্শনক ৰোৱাৰ Permission আৰু Offiliation দিবলৈ বাধ্য হল। * *



# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ১৯৮৯-৯০ চন

মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ আৰম্ভনীতে যি সকল অসমীয়া সুযোগ্য সন্তানে, অসমৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত নিজ স্বাৰ্থক ত্যাগ কৰি, দেশৰ ভৱিষ্যতৰ অসমীয়া সন্তান সকলৰ বাবে হাঁহি হাঁহি প্ৰাণ আহুতি দিলে সেই সকল অসমীয়া বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণিপাত যাছিছো। আৰু যি সকল বীৰ বীৰঙ্গনাই, অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে নিৰ্যাতিত, পঙ্গু আৰু ধৰ্ষিতা হৈ আছে, তেখেঁত সকলৰ মহৎ ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো আৰু তেখেত সকলৰ আসু আৰোগ্যৰ বাবে ভগৱানৰ ওচৰত প্ৰণিপাত জনাইছো। এই মহাবিদ্যালয়ৰ ছাত্ৰ শ্বহীদ মহেন্দ্ৰ নাথ, মহাবিদ্যালয় প্ৰতিস্থাপক অধ্যক্ষ ৺ দেৱব্ৰত গগৈ, প্ৰতিষ্ঠাপক সভাপতি, ইন্দ্ৰেশ্বৰ শৰ্মা আৰু প্ৰয়াত অধ্যক্ষ কৰুণা শৰ্ম্মা দেৱকো এই শুভ মুহুৰ্ত্তত শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু তেখেত সকলৰ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰে লক্ষীমপুৰ, তেলাহী কমলাবৰীয়া এই তিনিটা মৌজাৰ সংগম স্থলত অৱস্থিত, গাৱলীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰী শিক্ষাৰ একমাত্ৰ ঘাই কেন্দ্ৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় খনিয়ে প্ৰতিষ্ঠা দিনৰে পৰা শিক্ষাৰ ক্ষেত্ৰত ভাল স্থান অধিকাৰ কৰি আহিছে। এই মহান অনুষ্ঠানটিৰ ছা একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থাকিবলৈ পাই নিজেই গৌৰৱ অনুভৱ কৰিছো। সেয়েহে এই মহাবিদ্যালয়ৰ সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। যি সকলৰ সহায় সহযোগেৰে আৰু অকৃত্ৰিম মৰম স্নেহেৰে এই অভাজনক এনে গধুৰ দায়িত্ব পালনৰ সুযোগ দিলে আৰু মোৰ মনৰ সঞ্চিত মহাবিদ্যালয়ৰ প্ৰতি থকা কৰ্ত্তব্য বোধ খিনিক বাস্তৱত ৰূপ দিবৰ বাবে মোক ঐকান্তিক প্ৰচেষ্টা প্ৰেৰণা যোগোৱা মোৰ প্ৰিয় ছাত্ৰ বন্ধু বান্ধৱী সকলৰ প্ৰতিও মোৰ হিয়া ভৰা আন্তৰিক মৰম যাছিছো। অৱশ্যে মোৰ কাৰ্য্যকালৰ সফলতা বিফলতা নিৰ্ণয়ৰ ভাৰ মহাবিদ্যালয়ৰ মহান বন্ধু বান্ধৱী সকলৰ হাতত। সেই মৰ্ম্মে মোৰ কাৰ্য্যকালৰ এটি চমু খতিয়ান সংক্ষিপ্তকৈ এই প্ৰতিবেদনৰ জৰিয়তে জনোৱাৰ প্ৰয়াস কৰিছো।

**কাৰ্য্যভাৰ গ্ৰহণঃ—** এই অভাজনে এনে সন্ধিক্ষণত সাধাৰণ সম্পাদক ৰূপে কাৰ্য্যভাৰ হাতত লৈছিলো। যিটো সময়ত আমাৰ মহাবিদ্যলয়ৰ পুৰণা ছাত্ৰ একতা সভাই পদত্যাগ কৰিছিল আৰু আমি নতুন বছৰৰ নতুন উল্লাসেৰে আমাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিছিলো। যোৱা ১৯৮৯ চনৰ ২০ ডিচেম্বৰ তাৰিখে সাধাৰণ সম্পাদক ৰূপে নিৰ্ব্বাচিত হোৱাৰ পাছত ১৯৯০ চনৰ জানুৱাৰী মাহৰ ১০ তাৰিখে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ সাধাৰণ সভাত কাৰ্য্যভাৰ গ্ৰহণ কৰো। সেইদিনাই ১০।১।৯০ তাৰিখে আমি নতুন ছাত্ৰ একতা সভাই সেই সাধাৰণ সভাতেই আগন্তুক ১৯৯০ চনৰ মহাবিদ্যালয়ৰ সপ্তাহ পালনৰ বাবে শ্ৰীশ্ৰী স্বৰসতি পূজা উৎযাপনৰ বিষয়ে ৰাজহুৱা ভাৱে আলোচনা কৰা হয়। ১১ জানুৱাৰী তাৰিখে মহাবিদ্যালয় সপ্তাহ আৰু উৎযাপনৰ বিষয়ে ছাত্ৰ একতা সভাৰ প্ৰথম কাৰ্য্যকৰী বৈঠক অনুস্থিত হয়।

**উৎসৱ সমূহঃ—** (ক) মহাবিদ্যালয়ৰ সপ্তাহঃ— মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক শাৰিৰীক বিকাশৰ বাবে বিভিন্ন খেল-ধেমালী প্ৰতিযোগীতা, সাহিত্য প্ৰতিযোগীতা সাংস্কৃতিক প্ৰতিযোগীতাৰ আয়োজন হয়। আমি দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পাছত ১৮ জানুৱাৰীৰ পৰা ২১ জানুৱাৰীলৈ লঘু ক্ৰীয়া প্ৰতিযোগীতা আৰু ২২ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ গুৰু ক্ৰীয়া প্ৰতিযোগীতা সমূহ অনুস্থিত হয়। ২৫ জানুৱাৰী দিনা দিনৰ ১১ বজাৰ পৰা মুকলী ও বটা বিতৰণী সভা অনুষ্ঠান আৰু সন্ধিয়া ৬ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

**শ্ৰীশ্ৰীসৰস্বতী পূজাঃ—** গতানু গতিক ভাবে এই বাৰো ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰী ১৯৯০ চন আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ শ্ৰীশ্ৰীসৰস্বতী মাতৃৰ চৰণত এপাহী গন্ধ পুষ্প দিয়াৰ মানসৰে পূজা আৰম্ভ পুৰ্ণ ভাৱে পালন কৰা হয়।

**শ্ৰীশ্ৰীশংকৰ দেৱৰ তিথিঃ—** ২২।৮।৯০ তাৰিখে অধ্যাপক মঃ হামিদুৰ ৰহমান দেৱৰ সভাপতিত্বত আৰু এই অভাজনক সম্পাদক হিচাবে লৈ অসমীয়া জাতিৰ অস্থিত ৰক্ষক জগতগুৰু আৰু যুগ নায়ক শ্ৰীমন্ত শংকৰ দেৱৰ তিথি ভক্ত বৃন্দ ও ছাত্ৰ-ছাত্ৰ সকলৰ সহযোগত নাম প্ৰসঙ্গ আৰু ছাত্ৰ ছাত্ৰী সকলৰ মাজত গুৰুজনাৰ প্ৰতিভাৰ ওপৰত আলোচনা চক্ৰ আয়োজন কৰা হয়।

**নবাগত আদৰণীঃ—** ১৯৯০ চন ২০ চেপ্তেম্বৰ তাৰিখে লঃ তেঃ কঃ মহাবিদ্যালয়লৈ অহা নতুন স্কুৰ্ুক যথাৰীতি অনুস্থানিক ভাৱে আদৰণী জনোৱা হয়।

(ঙ) ইং ২।১০।৯০ তাৰিখে আমাৰ বিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে যথা ৰীতি" ফাতেহা দোৱাজ দাহম" উৎসৱ পালন কৰা হয়।

সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যসূচীঃ—

২৬,২৭ ডিচেম্বৰ ১৯৮৮ চন, উত্তৰ লক্ষীমপুৰত অনুস্থিত হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাত আৰু নতুন কাৰ্য্য নিবাহকে কাৰ্য্যভাৰ গ্ৰহণ কৰা নাই যদিও যোগদনা কৰো।

২৭।১।৯০ তাৰিখ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে বৰ্ত্তমান অসমৰ শিক্ষাৰ ওপৰত অসম চৰকাৰৰ মোহিৰ প্ৰতিবাদত অসম চৰকাৰলৈ আবেদন প্ৰেৰণ কৰা হয়। আৰু আৱৰ্ত্ত

ভৰনত সন্মুখত আমাৰ মাহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লৈ প্ৰতিবাদ দিবস পালন কৰো

২৭।৬।৯০ তাৰিখে অসমৰ শাসনাধিক গন পৰিষদ চৰকাৰৰ দ্বাৰা ঘোষিত অসম বন্ধ কৰ্য্য সূচী উঃ লক্ষীমপুৰ ছাত্ৰসন্থাৰ সৌজন্যত বন্ধ বিৰুধিতা কৰো।

# শোক সভা

১। ২২।১।৯০ তাৰিখ সোমবাৰে অসম গণ পৰিষদৰ বিধায়ক তথা পুৰ্ণ পৰ্যায়ৰ প্ৰাক্তন শক্তি আৰু পৰিবহন মন্ত্ৰী ললিত চন্দ্ৰ ৰাজখোৱা দেৱৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয়।

২। ইং ২০।৩।৯০ তাৰিখে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী কৰ্ম্মচাৰী ও ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই একত্ৰিত হৈ আজাদ বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰৰ পৰিচালক তথা লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা আৰু ৰাজনীতি বিভাগৰ অধ্যাপক ৺প্ৰভাত চন্দ্ৰ বৰ গোঁহাই দেৱৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়।

৩। যোৱা ইং ২'৪।৯০ তাৰিখে উঃ লঃ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৺চৈত্যেন্দ্ৰ নাৰায়ণ ঝা দেৱৰ মৃত্যুত ও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ও শিক্ষ কৰ্মচাৰী বৃন্দই গভীৰ শোক প্ৰকাশ কৰে।

ইং ৩০।৬ ৯০ তাৰিখে লক্ষীমপু। জিলাৰ প্ৰাক্তন অতিৰিক্ত উপায়ুক্ত আৰু আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মঃ জেদ, ৰহমান দেৱৰ মৃত্যুত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰী বৃন্দ একত্ৰিত হৈ ২।৭।৯০ তাৰিখে তেখেতৰ মৃত আত্মাৰ চিৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা জনোৱা হয়।

কাৰ্য্যকাল:—

অভাজনে ১০।১।৯০ তাৰিখে দিনৰ ১২ বজাত দায়িত্ব গ্ৰহণ কৰো। বিগত কাৰ্য্য নিৰ্বাহকে উল্লেখযোগ্য কোনো তথ্যপাতি নিদিয়াৰ বাবে প্ৰথম অৱস্থাত কাৰ্য্যপন্থা হাতত লবলৈ কিছু অসুবিধা বোধ কৰিছিলো। তথাপি কিছুমান জলন্ত সমস্যালৈ আমাৰ কাৰ্য্যনিৰ্বাহকে এখন দাবিচনদ প্ৰস্তুত কৰি বিভিন্ন সমস্যা সমূহ সামাধানৰ বাবে চেষ্টা কৰিছিলো। সমস্যাবোৰ সমাধান কৰা ক্ষেত্ৰত ভাৱ পাপ্ত অধ্যক্ষ দেৱ শিক্ষাগুৰু সকলৰ পৰামৰ্শ ও ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰেৰণাই উল্লেখযোগ্য।

১। মহাবিদ্যালয় খনিলৈ এটা সুস্থীৰ শৈক্ষিক পৰিবেশ ঘূৰাই অনাৰ বাবে আহোপুৰুষাৰ্থ চেষ্টাৰ ফলত সফল হৈছিলো ও, সমূহ নিয়মীয়া হবলৈ কতৃপক্ষৰ লগত আলোচনা কৰি শ্ৰেণী সমূহ নিয়মীয়া কৰা হৈছিল।

২। ছাত্ৰ ছাত্ৰী সকলৰ সুবিধাৰ বাবে ভগ্ন অৱস্থাত থকা ডেস্ক-বেঞ্চ বোৰ মেৰা-মেতিৰ বাবে কতৃপক্ষক অনুৰুধ জনোৱা হয় আৰু কাৰ্য্যক্ষেত্ৰত পৰিণত কৰা হয়।

৩। ভগ্ন অৱাত থকা শৌচাগাৰ আৰু প্ৰসাৱ গাৰ ইত্যাদি মেৰামতি কৰি পৰিস্কাৰ কৰা হয়।

৪। মহাবিদ্যালয়ৰ চৌহদটি পৰিস্কাৰ কৰা হয়।

৫। মহাবিদ্যালয়ৰ খেল-পথাৰখনি অৱস্থা আধুনীক বৈজ্ঞানিক প্ৰনালীৰ উন্নত কৰিব লগে।
৬। শ্বহীদ বেদীটো পৰিস্কাৰ কৰা হয়, আৰু ইয়াৰ কাষত ফুল ৰোৱা হয়।
৭। সামাজিক বননীকৰণত কাটাতাৰবোৰ ভালকৈ বেৰ দিয়া হয়।
৮। পেক্ষাগৃহৰ ভগ্ন দুৱাৰ খিৰিকি সমূহ মেৰামেত কৰা হয়।

উক্ত দাবী সমূহৰ ওপৰিও যিখিনি সম্পুৰ্ণ হৈ ৰল সেই খিনি পৰৱৰ্তী কাৰ্য্যনিব্বাহকে সম্পূৰ্ণ কৰিব বুলি আশা ৰাখিলো।

মহাবিদ্যালয়ৰ জলন্ত সমস্যা ও দাবী সমূহ সমাধানৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ একত্ৰা সভাৰ তৰফৰ পৰা যোৱা ইং ১৩।৮।৯০ তাৰিখে এখন ২১ দফিয়া স্মাৰক প্ৰত্ৰ মাননীয় অসম চৰকাৰৰ, মূখ্য মন্ত্ৰী, শিক্ষা মন্ত্ৰী গড় কাপ্তনী মন্ত্ৰীক দিছপুৰ জনতা ভৱনত ছাত্ৰ একত্ৰী সভা আৰু ছাত্ৰ সন্থাৰ এটা ৬ জনীয়া সঙ্গাতি দলে অৰ্পন কৰা হয়। উক্ত ২১ দফিয়া দাবী চনাখন আছিল।

(১) লঃ তেঃ কঃ মহাবিদ্যালয়ত এজন স্থায়ী অধ্যক্ষ নিয়োগ কৰিব লাগে।
(২) লঃ তেঃ ক মহাবিদ্যালয়ত সমাজ শাস্ত্ৰ বিভাগত আৰু এজন অধ্যাপক নিয়োগ কৰিব লাগে।
[৩] মহাবিদ্যালয়ত নিয়মীয়া পাঠদান কৰিব লাগে।
[৪] মহাবিদ্যালয় শ্ৰেণীসমূহত উপাযুক্ত পৰিমানে ডেক্স, বেঞ্চ, ব'ড. টেবুল, চকী আদিৰ যোগান ধৰিব লাগে। কতৃপক্ষৰ লগত আলোচনা কৰি উপাযুক্ত পৰিমাণৰ সামগ্ৰী যোগান ধৰা হয়।
[৫] মহাবিদ্যালয় সময়মতে শিক্ষক কৰ্মচাৰী উপস্থিতি ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে কৰা হৈছে।
[৬] তৰ্ক ও অংক শাস্ত্ৰ বিষয়টি আমাৰ মহাবিদ্যালয়ৰ পাঠদানৰ অন্ত ভূক্ত কৰিব লাগে।আৰু আৱশ্যক মতে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।
[৭] মহাবিদ্যালয়লৈ অহা পথত পকীকৰণ কৰিব লাগে।
[৮] মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ডটো পৰিবা ডাঙৰ কৰি সাজ আৰু পকীকৰণ কৰিব লাগে।
(৯) ছাত্ৰ-ছাত্ৰী সকলৰ উপযোগীকৈ কমেও দুটা জীৱণী কোঠা নিৰ্মান কৰিব লাগে।
(১০) প্ৰত্যেক শ্ৰেণীকোঠাত একোখনকৈ শিক্ষকৰ প্লেটফৰমৰ ব্যৱস্থা কৰিব লাগে।
(১১) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে আৰু দুটামান প্ৰসাৱ আৰু শৌচাগাৰ নিৰ্মান কৰিব লাগে।
(১২) মহাবিদ্যালয়ৰ পথত এখন তোৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।
(১৩) মহাবিদ্যালয়ৰ গ্ৰন্থগাৰটি পৰিৱৰ বৃদ্ধি কৰি অধ্যয়ণৰ কোঠা আৰু প্ৰয়োজনীয় পাঠ্যপুথি যোগান ধৰিব লাগে।
(১৪) খেলা ধূলাৰ ক্ষেত্ৰত পিছ পৰি থকা আমাৰ মহাবিদ্যালয় খনিত স্থায়ীকৈ এখন বেডমিণ্টন কৰ্ট নিৰ্মান কৰিব লাগে।
(১৫) সম্ভৱ হলে প্ৰত্যেক বিষয়তে Major দিয়াৰ ব্যৱস্থা কৰিব লাগে।
(১৬) যি সকল ছাত্ৰ ছাত্ৰীয়ে অন্য পৰিৱিত ছাত্ৰ বৃত্তি পোৱা নাই সেই সকল ছাত্ৰ-ছাত্ৰীক অনতি পলমে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(১৭) শ্ৰেণী কোঠা বোৰত একোখনকৈ বৈদ্যুতিক পাংখা আৰু পোহৰৰ ব্যৱস্থা কৰিব লাগে।
(১৮) মহাবিদ্যালয়ৰ খেল পথাৰখনি আধুনিক বৈজ্ঞানিক পদ্ধতিৰে নিৰ্মান কৰিব লাগে।
(১৯) ছাত্ৰ-ছাত্ৰী সকলৰ বাবে দুটা ছাত্ৰ আৰু ছাত্ৰী বাস নিৰ্মান কৰিব লাগে।
(২০) মহাবিদ্যালয়ৰ চাৰীসীমাৰ বেৰটি পকী দেৱাল দিয়াৰ ব্যৱস্থা কৰিব লাগে।
(২১) ছাত্ৰ-ছাত্ৰীৰ অনুপাতে আৰু শ্ৰেণী কোঠা নিৰ্মান কৰিব লাগে।

উপৰোক্ত সমস্যা সমূহ সমাধানৰ অৰ্থে চৰকাৰ আৰু মহাবিদ্যালয় কতৃপক্ষক দাবী জনোৱা পিছতো কোনো সহাৰি নোপোৱাত শেৰত চাম পুত্ৰ যোগে ছাত্ৰ একতা সভাই আন্দোলনৰ পথ লবলৈ বাধ্যত পৰে। —ঃআন্দোলনৰ কাৰ্য্যসূচীঃ—

লক্ষীমপুৰ তেলাহী কমলাবাৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ উনৈশ দফীয়া সমস্যা সন্দৰ্ভত মোৰা ইং ৩।৯।৯০ তাৰিখৰ পৰা ৫।৯।৯০ তাৰিখলৈ শ্ৰেণী বৰ্জন, ৬।৯।৯০ তাৰিখৰ পৰা ৮।৯।৯০ তাৰিখলৈ মহাবিদ্যায় বন্ধ কাৰ্য্যসূচী সফল আৰু শান্তিপূৰ্ণ ভাৱে পালন কৰা হয়।

ইয়াৰ পাছত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ আহ্বান ক্ৰমে ইং ১১।৯।৯০ তাৰিখে ছাত্ৰ একতা সভা অছুগোট, মহাবিদ্যালয়ৰ শিক্ষক গোট ও পৰিচালনা সমিতিৰ সৈতে হোৱা আলোচনাত নিম্ন লিখিত সিধান্ত কেইটি গ্ৰহন কৰা হয়।

১] ১নং দাবীৰ সম্পৰ্কত অহা ১ নবেম্বৰৰ ভিতৰত স্থায়ী অধ্যক্ষ নিযুক্তি দিবলৈ পৰিচালনা সমিতিয়ে প্ৰতিশ্ৰুতি দিয়ে।
২] ২নং দাবীৰ সম্পৰ্কত অহা ১নবেম্বৰত অৰ্থাৎ ২০।৯।৯০ তাৰিখৰ ভিতৰত সমাজ শাস্ত্ৰ বিভাগৰ আৰু এজন অধ্যাপক নিযুক্তি দিয়াৰ সম্পৰ্কে প্ৰতিশ্ৰুতি দিয়ে।
৩। তিনি নম্বৰ দাবীৰ নিয়মীয়া পাঠ দানৰ ব্যৱস্থা ইতিমধ্যে কাৰ্য্যকৰী সম্পৰ্কে আমাক জনায়।
৪। চাৰি নম্বৰ দাবীৰ সম্পৰ্কে ৩ অহামাহৰ ভিতৰত বেঞ্চ, ডেস্ক আদি যোগান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।
৫। পাঁচ নম্বৰ দাবী কাৰ্যকৰী ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে বুলি আমাক জনায়।
৬। ছয় নম্বৰ দাবীৰ সন্দৰ্ভত চৰকাৰৰ লগত যোগা-যোগ চলি আছে।
৭। ৭ নং দাবীৰ অহা অক্টোবৰ মাহৰ পৰা পথ বিভাগ পকীকৰণ কৰাৰ ব্যৱস্থা লৈছে।
৮। ৮ নং দাবী ইতিমধ্যে নিৰ্ম্মাণ কৰা হৈছে।
৯। নং দাবীৰ সম্পৰ্কত বৰ্ত্তমান নিৰ্ম্মান কাৰ্য্য চলি আছে।
১০। দহ নং দাবীৰ সম্পৰ্কত কাৰ্যকৰী ব্যৱস্থা হাতত লোৱা হব।
১১। ১১ নং পৰিচালনা সমিতিত আলোচনা কৰি খুব সোনকালে কাৰ্য্য ব্যৱস্থা লোৱা হব।
১২। বৰ্ত্তমান অস্থায়ী ভাৱে নাম ফলক এখন দিয়াৰ ব্যৱস্থা কৰা হৈছে।
১৩। তেৰ নং দাবীতো সদ্যহতে বিহীত ব্যৱস্থা হাতত লব পৰা নেযায়।
১৪ চৌধ্য নং দাবীৰ সম্পৰ্কত সোনকালে ইয়াৰ কাৰ্যকৰী ব্যৱস্থা হাতত লোৱা হব।
১৫। পোন্ধৰ নং দাবীৰ সম্পৰ্কত কোনো সিধান্ত লব পৰা নহল।

১৬। ষোল্ল নং দাবী উপযুক্ত ছাত্ৰ-ছাত্ৰীয়ে নোপোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হব
১৭। সোত্তৰ নং দাবী সম্পৰ্কত প্ৰয়োজনীয় ব্যৱস্থা অহা বছৰত লোৱা হব।
১৮। ওঠৰ নং দাবী সম্পৰ্কত মাত্ৰ খেল পথাৰ খনীৰ অৱস্থা উন্নতিৰ প্ৰতি দিয়া হয়।
১৯। উনৈশ নং দাবীসম্পৰ্কত সদ্যহতে কোনো সিধান্ত লব পৰা নহল।
২০। বিশনং দাবী বৰ্ত্তমান প্ৰয়োজনীয় ব্যৱস্থা হাতত লব পৰা নহল। কিন্তু বেৰটিৰ কটাকাৰ মেৰামেত কৰা হব।
২১। একৈশ নং দাবী সম্পকত বৰ্ত্তমান প্ৰয়োজনীয় কাৰ্য্য হাতত লোৱা হৈছে। অহা অক্টোবৰ মাহত সম্পুৰ্ণ কৰা হব।

উক্ত দাবী সমূহৰ সম্পৰ্কে আমাৰ কাৰ্য্যনিৰ্ব্বাহকে আলোচনা কৰি যিমান খিনি সফল যোগাইছিলো তাৰ এটা চমু আভাস দাঙি ধৰিলো। এই ক্ষেত্ৰত বিফল হোৱা দাবী সমূহ পৰৱৰ্ত্তী কাৰ্য্যনিৰ্ব্বাহকে সম্পুৰ্ণ কৰিব বুলি আশা ৰাখিলো।

বিষয় বাব আৰু দায়বদ্ধতাঃ— মোৰ কাৰ্য্যকাল যথা সময়ত বিভাগীয় সম্পাদক সকলৰ অনুপস্থিতিত ও যাৱতীয় কাম সমূহ পৰিচালনা কৰিবলৈ সক্ষম হৈছিলো। এই ক্ষেত্ৰত মোৰ সহযোগী শ্ৰীবিতু শইকীয়া দেৱে আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হামিদুৰ ৰহমান দেৱে প্ৰতিটো মুহুৰ্ত্ততে উপৰোক্ত বিভাগ সমূহ তৎপৰতাৰে চলাই নিয়াত মহাবিদ্যালয়ৰ বিভিন্ন উৎস সমূহ সফল কৰি নিয়াত মোক যি সহায় কৰিলে তাৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰ ঋণী।

মোক উৎসাহিত কৰা ব্যক্তি সকলঃ— আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্ব্বাহকে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পৰা আমাৰ কাৰ্য্য প্ৰতিভাৰ লগতে সৎ দিহাপৰামৰ্শৰে অনুপ্ৰাণীত কৰা মোৰ চিৰ কৃতজ্ঞ শ্ৰদ্ধাৰ শিক্ষাগুৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ হামিদুৰ ৰহমান, সৰ্ব্ব শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গগৈ, নাৰায়ণ বৰুৱা, লীলা বৰা, শ্ৰীযুতা সোণেশ্বৰী শইকীয়া, জ্যোতি বৰুৱা, লাৱণ্য বুঢ়াগোহাঁই, শ্ৰীৰমেশ কাকতি, মঃ বাহৰুল ইচলাম আৰু মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। তেখেত সকলৰ সৎ দিহা পৰামৰ্শ আৰু আশীৰ্বাদ প্ৰেৰণা নোহোৱা হলে মই মোৰ কৰ্ত্তব্যত বহুতো বিপদৰ সন্মুখীত হব লগাত পৰিলোহেঁতেন।

কৃতজ্ঞতা স্বীকাৰ— মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্য্যতে সহায় সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ।

বিশষকৈ মোক প্ৰতিটো সময়তে আমাৰ কাৰ্য্যনিৰ্ব্বাহক প্ৰতিজন সদস্যই সহায় সহযোগ আগবঢ়োৱাৰ বাবে মই তেখেত সকলৰ ওচৰত ঋণী। মোক যিকোনো মুহুৰ্ত্তত সহাৰি জনোৱা বন্ধু বান্ধৱী সকল হ'ল— সৰ্ব্ব শ্ৰীপ্ৰৱিত্ৰ বৰ গোহাঁই, বিতু শইকীয়া, তোলন দাস, মানিক গগৈ, মদন কলিতা, কৃষ্ণ শইকীয়া, বুদ্ধিন কুমাৰ দাস, ভৱানন্দ সোণোৱাল, দয়াল কৃষ্ণ নাথ, বিজয় নাথ বৰা, লাৱণ্য বাজখোৱা, যোগমায়া হাজৰীকা, কিৰণ শইকীয়া, কল্যানী বৰ গোহাঁই, বিনীতা নাথ, মালিনী নাথ, ৰামকান্ত নাথ, নৰেণ দলে, বজেন চুতীয়া, লিলী শইকীয়া এই ছাত্ৰ বন্ধু-বান্ধৱী সক-

লক মই মোৰ জীৱনত কোনো দিনাই পাহৰিব নোৱাৰো।

ক্ষমাভিক্ষা ঃ

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ এখনি পবিত্র সংবিধানৰ মৰ্যাদা অখুন্ন ৰাখিবলৈ যাওঁতে মই মোৰ কৰ্ত্তব্যত থকা অৱস্থাত কেতিয়াবা অজানিতে হৈ যোৱা ভুলৰ বাবে আৰু কৰ্ত্তব্যৰ খাতিৰত কাৰোবাক যদি তান কথা কৈছিলো তাৰ বাবে ক্ষমা ভিক্ষা মাগিছো,

১৯৯১ চনৰ জানুৱাৰীত ল তে ক মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সাধাৰণ নিৰ্ব্বাচন অনুস্থিত হয়। দ্বিতীয় সপ্তাহত নতুন কাৰ্য্যনিৰ্বাহকক মই মোৰ দায়িত্ব ভাৰ অৰ্পন কৰো। এই দায়িত্ব ভাৰৰ অৰ্পনৰ লগে লগে মোৰ গধুৰ দায়িত থকা বিষয়ববীয়াৰ লগতে মোৰ স্মৰণীয় দিন-বিলাকো অন্তপৰে।

সদৌশেষত বঢ়াটুতা ভাষাৰে এই প্ৰতিবেদন দাঙি ধৰি আপোনালোকক যি আমনি দিলো। তাৰ বাবে ক্ষমা বিছাৰিলো লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যায়ৰ চালুকীয়া অনুষ্ঠানটিৰ ভৱিষ্যত উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ সম্পাদকীয় প্ৰতিবেদন সামৰণী মাৰিলো।

জয় আই অসম

জয়তু সদৌ অসম ছাত্র সন্থা


জয়তু লঃ তেঃ কঃ মহাবিদ্যালয়ৰ

ছাত্র একতা সভা।

ধন্যবাদ সহকাৰে

শ্ৰীঅতুল চন্দ্ৰ নাথ

সাঃ সম্পাদক, লঃ তেঃ কঃ মহাবিদ্যালয়



## লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সহকাৰী সাধাৰন সম্পাদকৰ প্ৰতিবেদন হিচাবে দুৰাষাৰ লিখিবলৈ আৰম্ভ কৰোতেই মহাবিদ্যালয়ৰ যি সকল ছাত্ৰছাত্ৰীয়ে এই অভাজনক বিগত বছৰটোৰ

বাৰে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰন সম্পাদক পদত নিৰ্ব্বাচিত কৰি মহাবিদ্যালয় খনক তথা ইয়াৰ শিক্ষাৰ্থীসকলক এখন্তেক সেৱা কৰিবলৈ যি সুবিধা প্ৰধান কৰিলে তাৰ বাৰে তেখেত সকলক কৃতজ্ঞতা সুৰঁৰিছো।

ইয়াৰ লগে লগে আমাৰ পৰম শ্ৰদ্ধাৰ লঃ তেঃ কঃ মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ তথা প্ৰতিষ্ঠাপক ৺দেৱব্ৰত গগৈদেৱ আৰু প্ৰয়াত অধ্যক্ষ ৺কৰুনা শৰ্ম্মা তথা অধ্যাপক ৺প্ৰভাত বৰগোঁহাইদেৱৰ স্বৰ্গীয় আত্মাৰ চিৰশান্তি কামনা কৰিছো। লগতে অসমৰ জাতীয় আন্দোলনত প্ৰান আহুতি দিয়া এই মহাবিদ্যালয়ৰে ছাত্ৰ শ্বহীদ মহেন্দ্ৰ নাথৰ জৰিয়তে সমূহ শ্বহীদসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

হে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱ, ছাত্ৰ-ছাত্ৰীসকল আপোনালোকৰ নিৰ্ব্বাচিত প্ৰতিনিধি হিচাপে বিগত বছৰত কি কৰিব পাৰিলো বা নোৱাৰিলো সেইয়া আপোনালোকৰ কম বেছি পৰিমানে বিদিত। উল্লেখ কৰিব খুজিছো যে মোৰ ছাত্ৰ একতা সভাৰ যি পদৱী তাক স্বাধীন বুলিব নোৱাৰি, সেয়েহে যিকোনো কাম কৰিবলৈ সাধাৰন সম্পাদকৰ সহায় বিচাৰিব লগা হোৱা কাৰনে নিজস্ব বুলিবলৈ আপোনালোকৰ আগত একো উল্লেখ কৰিব নোৱাৰিলো। তাৰ বাবে মই দুখীত।

যি কি নহওক মহাবিদ্যালয়ৰ ১৯৮৯-৯০ চনৰ নিৰ্ব্বাচনৰ জৰিয়তে ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰন সম্পাদক হিচাবে নিৰ্ব্বাচিত হওঁ। আৰু ১৯৯০ চনৰ ১০ জানুৱাৰী তাৰিখ বুধবাৰে দিনৰ ১২টা বজাত আমাৰ নৱ নিৰ্ব্বাচিত কাৰ্য্যনিৰ্ব্বাহকে আনুষ্ঠানিক ভাবে কাৰ্য্যভাৰ গ্ৰহন কৰে। এই কাৰ্য্যভাৰ গ্ৰহন কৰি মহাবিদ্যালয়ৰ অৰ্থ নৈতিক দিশ বা অন্যান্য দিশত একো অভাৱ লবলৈ নোপাওঁতেই ১৯৮৯-৯০ চনৰ মহাবিদ্যালয়ৰ সপ্তাহ উদ্‌যাপন কৰিব লগা হোৱাত আমি বহুতো কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। এই মহাবিদ্যালয় সপ্তাহ ২২,১,৯০ তাৰিখ সোমবাৰৰ পৰা আৰম্ভ হৈ ২৫,১,৯০ তাৰিখ বৃহস্পতিবাৰে সামৰণি পৰে। এই মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন কৰাৰ লগতে শিক্ষক সকলৰ আৰ্থিক সহযোগে আমাক বহুতো উৎসাহ উদ্দিপনা প্ৰদান কৰিছিল।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বহুতো অভাৱ অভিযোগ আছিল। আমি ছাত্ৰ একতা সভাই এই বোৰ আলোচনা কৰি দুৰ কৰিবলৈ চেষ্টা কৰিছিলো। মনত অফুৰন্ত আশা লৈ বহুতো কাম কৰিম বুলি ভাবি আগুৱাই যাব খোজোঁতেই বাধাৰ সন্মুখীন হব লগা হয়। যিহেতু মোৰ স্থিতি ছাত্ৰ একতা সভাৰ শীৰ্ষত নহয়। সেয়েহে মহাবিদ্যালয়লৈ সোমাই অহা পথটো পকীকৰন কৰিবৰ কাৰনে ব্যৱস্থা কৰোতে সাধাৰন সম্পাদকক মোৰ ফালৰ পৰা যথেষ্ট জোৰ দিয়া হৈছিল আৰু গড়কাপ্তানী বিভাগৰ মুখ্যবাৰ ওচৰলৈ আমি গৈ এই বিষয়ে আলোচনা কৰিছিলো। এনেকৈয়ে সাধাৰন সম্পাদকৰ সকলো কামতেই সহকাৰী হিচাবে গাৰ ছাঁৰ দৰে ঘূৰি ফুৰিছিলো। উল্লেখনীয় দিশ হ'ল যে এই মহাবিদ্যালয়ৰ ফালৰ পৰা কোনো ধৰনৰ পুঁজি সাধাৰন সম্পাদকৰ নাই। সেয়েহে আয় ব্যয়ৰ ক্ষেত্ৰত মোৰ শূন্য বুলি কলেও বঢ়াই কোৱা নহয়।

মহাবিদ্যালয়ৰ পুঁজাৰ পাৰ্ব্বন আদিত মই সাধাৰন সম্পাদকৰ ওপৰিও কৃষ্টি শাখাৰ সম্পাদক আৰু অন্যান্য সম্পাদক সকলক সহায় কৰিছিলো। সাধাৰন সম্পাদকৰ অনুপস্থিতিত কাৰ্য্যনিৰ্ব্বাহকৰ আলোচনা কাৰ্য্যত মই মোৰ উপস্থিতি সকলো সময়তে নিশ্চিত কৰি ৰাখিছিলো। এনেদৰেই মোৰ কৰ্ত্তব্য মই পালন কৰাত ক্ৰুতি কৰা নাছিলো।

সদৌ শেষত মই আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ সকলে মোৰ কাৰ্য্যকালত দিহা পৰামৰ্শ দি সহায় সহযোগ কৰাৰ কাৰনে মই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে এবছৰীয়া কাৰ্যকালত কৰা দোষ ক্ৰুতিৰ কাৰনে সকলোৰে ওৰতচ ক্ষমা ভিক্ষা কৰি সহকাৰী সম্পাদকৰ প্ৰতিবেদন সামৰিছো।

লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ভৱিষ্যতৰ উত্তঃকত্ত কামনা কৰি।

শ্ৰী গুন কান্ত নাথ

# আভ্যন্তৰীণ ক্ৰীয়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে বিশ্ব ইতিহাসত ৰেখাপাত হোৱা, অসম মাতৃৰ অস্তিত্ব ৰক্ষা আন্দোলন যি সকল অসমী আইৰ বীৰ সন্তানে কলিজাৰ কেঁচা তেজ দি শ্বহীদ হৈ গ'ল সেই সকল জ্ঞাত অজ্ঞাত শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তৰফৰ পৰা অভ্যন্তৰীন ক্ৰীয়া সম্পাদক হিচাবে মই মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা সকলো মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী সকললৈ জ্ঞাপন কৰিছো। যিহেতু মোক বন্ধু-বান্ধৱী সকলে অপ্ৰতিদন্দ্বীভাৱে প্ৰাৰ্থীত্ব জয়ৰ সুযোগ দিলে। সেই খিনি আছিল সকলো বন্ধু-বান্ধৱীৰ মৰম আৰু স্নেহ।

মোৰ কাৰ্য্যকাল ১৯৯০ চনৰ ১০,১,৯০ তাৰিখে ছাত্ৰ একতা সভাৰ সাধাৰন সভাত শপত গ্ৰহন কৰি পৰনি সম্পাদকৰ পৰা দায়িত্ব গ্ৰহন কৰিছিলো। মোৰ কাৰ্য্যকালৰ সময় ছোৱাত এই দায়িত্ববোৰ কিমান সফলতাৰে পালন কৰিলো তাক আপোনালোকৰ দৃষ্টিয়ে বিচাৰ কৰিব। কিন্তু মোৰ কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পাছৰ পৰাই মই সকলো সময়তে সৰ্ব্বতোপ্ৰকাৰে দায়িত্ব পালন কৰি যাবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাছিলো।

এখন পুৰ্ণাঙ্গ শিক্ষা কেন্দ্ৰ হ'বলৈ হলে শিক্ষাদানেই অকল মাত্ৰ যথেষ্ট নহয়। শিক্ষাদনৰ বাবে খেল-ধেমালি, কলা-কৃষ্টি আদিৰো বহুত নিৰ্ভৰ কৰে। ছাত্ৰ ছাত্ৰী সকলোৰে অধ্যয়নৰ মাজেদি মাথো প্ৰতিভা বিকাশ কৰিব নোৱাৰে। খেলা ধূলা আদিৰ মাধ্যমেৰে নিজৰ প্ৰতিভা বিকাশ হলে শিক্ষাৰ এটা অঙ্গ।

কাৰ্য্যভাৰ লবলৈ দেখাত খুউৱ সহজ যদিও কিন্তু নিয়াবিকৈ পৰিচালনা কৰা বৰ কঠিন। যি হেতু মোৰ অভিজ্ঞতাৰ ফালৰ পৰা নিজে গম পাইছো। অভ্যন্তৰিন ক্ৰীয়া সমাৰোহৰ বাবে কিছু-মান বিশেষ সুবিধাৰ দৰকাৰ হয়। এই বিকেশ সুবিধাবোৰ যেতিয়া ছাত্ৰ-ছাত্ৰীৰ মাজত পুৰন হব তেতিয়াহে ছাত্ৰ ছাত্ৰী সকল সুখি হব। আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত (১৯৯০ চনৰ) দেখা গ'ল মোৰ বিভাগত খুউৱ কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগ দান কৰিলে। মহাবিদ্যালয়ৰ সপ্তাহত ছাত্ৰ-ছাত্ৰী সকলৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰ কাৰনে সুৱৰ্ণ সুযোগ। মই আশা ৰাখিছো যে

যোগ নিদিয়া প্ৰতিযোগী সকলে অহা বছৰৰ বাৰ্ষিক সপ্তাহত অতি উলহ মালহে যোগদান কৰিব। লগতে মই মহাবিদ্যালয়ৰ কতৃপক্ষক বিনম্ৰ অনুৰুধ ৰাখিছো যে, অভ্যান্তৰীন ক্ৰীযাৰ বাবে এটা সুবিধাজনক কোঠাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এখন টেবুল টেনিছ বৰ্ড বহুৱাবৰ বাবে এখন ডাঙৰ ঠাইৰ আৱশ্যক হয়, এই ঠাই খন সাধাৰনতে স্থায়ী হব লাগে।

১৯৮৯-৯০ চনত হোৱা বাৰ্ষিক সপ্তাহৰ অভ্যান্তৰীন বিভাগৰ ফলাফল সমুহঃ—

কেৰেম যুটীয়া ল'ৰা—

| | |
|---|---|
| শ্ৰীবিটু শইকীয়া | প্ৰথম |
| " গোপাল ৰাজখোৱা | " |
| " লেখন দত্ত | দ্বিতীয় |
| " দিগন্ত দত্ত | " |

একক কেৰেম—

| | |
|---|---|
| শ্ৰীলোহিত শইকীয়া | প্ৰথম |
| " চন্দ্ৰ নাথ দত্ত | দ্বিতীয় |

চাইনিছ চেকাৰ ল'ৰা—

| | |
|---|---|
| শ্ৰীমুকুতা ভূঞা | প্ৰথম |
| " দিগন্ত দত্ত | দ্বিতীয় |

ডা ল'ৰা—

| | |
|---|---|
| শ্ৰীবকুল নাথ | প্ৰথম |
| " গোপাল ৰাজখোৱা | দ্বিতীয় |

চাইনিছ চেকাৰ ছোৱালী—

| | |
|---|---|
| শ্ৰীমতী কল্যাণী বৰগোহাঁই | প্ৰথম |
| " " জুগমাই হাজৰিকা | দ্বিতীয় |

কেৰেম একক ছোৱালী—

| | |
|---|---|
| শ্ৰীমতী ভাৱতী দত্ত | প্ৰথম |

কেৰেম যুটীয়া ছোৱালী—

| | |
|---|---|
| শ্ৰীমতী কল্যাণী বৰগোঁহাই | প্ৰথম |
| " " জুগমাই হাজৰিকা | " |
| শ্ৰীমতী ভাৰতী দত্ত | দ্বিতীয় |
| " " লাৱণ্য হাজৰীকা | " |

বেডমিণ্টন একক ল'ৰা—

| | |
|---|---|
| শ্ৰীপবিত্ৰ বৰগোহাঁই | প্ৰথম |
| " অমূল্য গগৈ | দ্বিতীয় |

বেডমিণ্টন একক ছোৱালী—

| | |
|---|---|
| শ্ৰীমতী ভাবতী দত্ত | প্ৰথম |
| " " প্ৰনতী বৰা | দ্বিতীয় |

শ্ৰীতোলন দাস
আঃ ক্ৰীয়া সম্পাদক

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ সমাজ সেৱা বিভাগৰ জৰিয়তে মহাবিদ্যালয় তথা ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱী সকলক সেৱা কৰিবলৈ যি অপৰিসীম হেপাহ আছিল, তাৰ সম্পূৰ্ণ সহাৰি জনাই ছাত্ৰ-ছাত্ৰী সকলে ১৯৮৯-৯০ চনৰ বাবে লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মোক নিৰ্ব্বাচিত কৰাৰ বাবে মই এই সন্ধিক্ষণতে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে সেই সকলক শ্ৰদ্ধাৰে প্ৰণিপাত যাচিছো। অসমী আইৰ

জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত চিৰদিনৰ বাবে আমাক কন্দুৱাই যোৱা জ্ঞাত-অজ্ঞাত শ্বহীদলৈ অশ্ৰু অঞ্জলি যচাৰ লগতে তেখেতসকলৰ আত্মাৰ সদ্গতি কামনা কৰিছো। তেখেত সকলৰ আদৰ্শ ইতিহাসৰ পাতত কলিজাৰ ৰঙা তেজৰ দৰে জিলিকি থাকিব।

এই অভাজনে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছৰ সকলো সময়তে সৰ্ব্বতো প্ৰকাৰে মোৰ দায়িত্ব পালন কৰি যাবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাছিলো। অৱশ্যে এই ক্ষেত্ৰত যিমানখিনি সফলতা লাভ কৰিছিলো সেয়া একমাত্ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল আৰু আমাৰ বিভাগীয় অধ্যাপক উপদেষ্টা মাননীয় শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গগৈদেৱৰ অকৃত্ৰিম সহযোগত আমি কাৰ্য্যভাব লোৱাৰ কেইদিনমানৰ পাছত মহাবিদ্যালয়ৰ বাৰ্ষিক অধিবেষণ আৰম্ভ হয়। মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰাৰ দায়িত্ব আমাৰ ওপৰত আহি পৰে। মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰা হয়।


সৰস্বতী পূজা, শংকৰ দেৱৰ তিথি আদিত আমাৰ সেৱা আগবঢ়াইছিলো।

লঃ তেঃ কঃ মহাবিদ্যালয় ১৯৮৯-৯০ চনৰ ২৩।১।৯০ তাৰিখ মঙ্গলবাৰৰ দিনা মহাবিদ্যালয়ৰ সন্মুখত এখনি ফুলনী বাগিচা স্থাপন কৰা হয়। লগতে বাগিচাখন বেৰা দিয়া হয়।

মহাবিদ্যালয়লৈ সোমাই যোৱা ৰাষ্টাত কিছুমান শিল আৰু বালি পেলাই ৰাষ্টাৰ বোকা পানী বোধ কৰা হৈছিল।

উত্তৰ লক্ষীমপুৰ খেলপথাৰত এখনি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি মূলক সভা হৈছিল, তাত আমাৰ মহাদ্যালয়ৰ ফালৰ পৰা সভাৰ কামত কিছু সহায় আগবঢ়োৱা হৈছিল।

শেষত মোৰ কাৰ্য্যকালৰ আধাৰোৱা কামখিনি নতুনকৈ হবলগা সম্পাদকৰ হাতত অৰ্পন কৰিম। তেখেতে যেন এটা নতুন মন আৰু উদ্যমেৰে কৰ্ত্তব্য পালন কৰি যায়। মোৰ অজানিতে ভুলৰ বাবে মাৰ্জ্জনা বিছাৰি লঃ তেঃ কঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা উত্তৰোত্তৰ মঙ্গল কামনা কৰি সম্পাদকৰ প্ৰতিবেদন সামৰণি মাৰিলো।



জয় আই অসম

শ্ৰীবিজু দত্ত

# বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

১) ১০০ মিঃ দৌৰ (লৰা) প্ৰথম, সৰ্ব্বশ্ৰীলোহিত শইকীয়া। H,S, Ist yr. দ্বিতীয়, ৰাজু শইকীয়া, H,S, 2and yr. তৃতীয়, হিৰেণ দত্ত, H,S, ist yr.

২) ১০০ মিঃ দৌৰ [ছোৱালী] প্ৰথম, সৰ্ব্বশ্ৰীমতী প্ৰণতী বৰা, T,D,C, 2and yr. দ্বিতীয়, কুঞ্জ শইকীয়া, H,S, Ist yr. তৃতীয়, কনু দাস, T,D,C, 2and yr.

৩] ২০০ মিঃ দৌৰ ল'ৰা— প্ৰথম সৰ্ব্ব শ্ৰীৰাজু শইকীয়া, H.S. 2nd yr. দ্বিতীয় লোহিত শইকীয়া, H, S Ist yr. তৃতীয় ৰূপেশ্বৰ বড়ো, H.S. Ist yr.

৪] ২০০ মিঃ দৌৰ ছোৱালী— প্ৰথম সৰ্ব্বশ্ৰীমতী প্ৰণতী বৰা, T.D.C. 2nd. yr. দ্বিতীয়, নিভা নাথ, H,S, Ist yr, তৃতীয়, কুঞ্জ শইকীয়া, H,S Ist yr.

৫] ৪০০ মিঃ দৌৰ ল'ৰা— প্ৰথম সৰ্ব্বশ্ৰীৰাজু শইকীয়া, H,S 2and yr. দ্বিতীয় মন্তো গগৈ, H,S, Ist yr তৃতীয় লোহিত শইকীয়া, H,S, Ist yr.

৬। ৮০০ মিঃ দৌৰ ল'ৰা— প্ৰথম সৰ্ব্বশ্ৰীপৰেশ ফুকন H,S, 2nd yr. দ্বিতীয়, ৰাজু শইকীয়া H,S, 2nd yr, তৃতীয় হিৰেণ দত্ত H,S, Ist yr.

৭। ১৬০০ মিঃ দৌৰ ল'ৰা প্ৰথম সৰ্ব্বশ্ৰীৰূপেশ্বৰ বড়ো, H,S, Ist yr. দ্বিতীয়, বল্লভ শইকীয়া, H,S, Ist yr. তৃতীয় ৰাজেন দত্ত, H,S, Ist yr. চতুৰ্থ ইন্দ্ৰেশ্বৰ গগৈ, H,S, Ist yr. পঞ্চম, মুকুতা ভূঞা, T,D,C, 3rd yr.

৮। দীঘল জাপ লৰা প্ৰথম সৰ্ব্বশ্ৰীলোহিত শইকীয়া, H,S, Ist yr. দ্বিতীয়, ৰাজু শইকীয়া, H,S, 2and yr. তৃতীয় ৰাজেন দত্ত H,S, Ist yr.

৯। দীঘল জাপ ছোৱালী সৰ্ব্ব শ্ৰী নিভা নাথ H,S, Ist yr. দ্বিতীয়, কুঞ্জ শইকীয়া. H. S, Ist yr. তৃতীয় প্ৰণতী বৰা, T,D,C, 2and yr.

১০। উখ জাপ লৰা প্ৰথম সৰ্ব্বশ্ৰীৰূপেশ্বৰ বড়ো H,S, Ist yr. দিতীয় জ্যোতি প্ৰসাদ বৰগোহাই H,S, Ist yr. তৃতীয় লোহিত শইকীয়া, H,S, Ist yr.

১১। ডিচকাচ ছোৱালীৰ প্ৰথম সৰ্ব্বশ্ৰীমতী কনু বৰা H,S, 2and yr. দ্বিতীয় কুঞ্জ শইকীয়া, H,S, Ist yr. তৃতীয় বেনু কোঁৱৰ, H,S, Ist yr.

১২। পলভল ল'ৰা— প্ৰথম সৰ্ব্ব শ্ৰী ৰাজু শইকীয়া, H,S, 2and yr. দ্বিতীয় ৰূপেশ্বৰ বড়ো, H,S, Ist yr. তৃতীয় চন্দ্ৰ নাথ দত্ত, T,D,C, Ist yr.

১৩। চট্‌পুট ল'ৰা প্ৰথম সৰ্ব্ব শ্ৰীৰাজু শইকীয়া, H,S, 2and yr. দ্বিতীয় ৰূপেশ্বৰ বড়ো, তৃতীয় বদন কলিতা, T,D,C, 3rd yr.

১৪। চট্‌পুট ছোৱালী প্ৰথম সৰ্ব্বশ্ৰীমতী বিনীতা নাথ, H,S, Ist yr. দ্বিতীয় ভাৰতী দত্ত, T,D,C, Ist yr তৃতীয় কুঞ্জ বৰা, H,S, Ist yr,

১৫। হোপ, ষ্টেপ্ এণ্ড জাম্প ল'ৰা— প্ৰথম সবৰশ্ৰীবাজু শইকীয়া, H,S, 2and yr; দ্বিতীয় বিতু শইকীয়া, T,D,C, 2and yr, তৃতীয় মন্তো গগৈ, H,S, Ist yr,

১৬। ভেকচন প্ৰতিযোগিতা— প্ৰথম সববশ্ৰীমন্তো গগৈ, H,S, Ist yr, দ্বিতীয় প্ৰেম কান্ত শইকীয়া, H,S, Ist yr, তৃতীয় ৰঞ্জু দত্ত, H,S, Ist yr, চতুৰ্থ প্ৰশান্ত কোঁৱৰ, H,S, Ist yr,

১৭। ডিচকাচ ল'ৰা— প্ৰথম সববশ্ৰীবাজু শইকীয়া, H,S, 2and yr. দ্বিতীয় বিতু শইকীয়া, চন্দ্ৰ নাথ, T,D,C, Ist yr,

৮। ভলি ফাইনেলৰ বিজয়ীদল— T,D,C, Group leader ১। সববশ্ৰীচন্দ্ৰ নাথ দত্ত, ২। প্ৰবিত্ৰ বৰগোহাঁই, ৩। অবনী শইকীয়া, ৪। মুকুটা ভূঞা, ৫। বিতু শইকীয়া ৬। তুলন দাস, ৭। ৰঞ্জু দত্ত,

১৯। ভলি ফাইনেলৰ অবিজয়ী দল H,S, ১। সবব[illegible]লোহিত শইকীয়া, ২। ৰূপেশ্বৰ বড়ো ৩। ৰাজেন দত্ত, ৪। ইনেশ্বৰ গগৈ, [illegible]বল্লভ শইকীয়া, ৬। জ্যোতি প্ৰসাদ বৰগোহাঁই,

শ্ৰীসোনাৰাম নাথ
লঃ তেঃ কঃ মহাবিদ্যালয়,
বহি ক্ৰড়া সম্পাদক।

# কৃষ্টি ও সাংস্কৃতি বিভাগৰ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন

বৰগীতঃ— শ্ৰীনৰেন দলে ১ম, স্বৰূপ দাস ২য়, আনন্দ্ৰ বৰা ৩য়, ভজনঃ— শ্ৰীমতী কুঞ্জ শইকীয়া ১ম, কল্যাণী বৰগোহাঁই ২য়, শ্ৰীআনন্দ্ৰ বৰা ৩য়, লোকগীতঃ— শ্ৰীস্বৰূপ দাস ১ম, দিলিপ নাথ ২য়, আনন্দ্ৰ বৰা ৩য়, জ্যোতি সংগীতঃ-- শ্ৰীস্বৰূপ দাস ১ম, শ্ৰীমতী কল্যাণী বৰগেহাঁই ২য়, শ্ৰীকিৰন শইকীয়া ৩য়, বনগীতঃ— শ্ৰীমতী কল্যাণী বৰগোহাঁই ১ম, শ্ৰীস্বৰূপ দাস ২য়, দিলিপ নাথ ২য়, নৰেন দলে ৩য়, বিহু গীতঃ— শ্ৰীআনন্দ্ৰ বৰা ১ম, শ্ৰীমতী কল্যাণী বৰগোহাঁই ২য়, কুঞ্জ শইকীয়া ৩য়, মিচিং ঐনিতমঃ— শ্ৰীনৰেন দলে ১ম, আনন্দ্ৰ বৰা ২য়, হেমচন্দ্ৰ মিলি ৩য়, বিয়া নামঃ— শ্ৰীমতী কল্যাণী বৰগোহাঁই ১ম, শ্ৰীআনন্দ্ৰ বৰা ২য়, শ্ৰীমতী কুঞ্জ শইকীয়া ৩য়, ৰাভা সংগীতঃ--- শ্ৰীস্বৰূপ দাস ১ম, আনন্দ্ৰ বৰা ২য়, নৰেন দলে ৩য়, পাৰ্ব্বতী প্ৰসাদৰ গীতঃ— ১ম নাই, শ্ৰীমতী কুঞ্জ শইকীয়া ২য়, শ্ৰীআনন্দ্ৰ বৰা ৩য়, ভূপেন্দ্ৰ সংগীতঃ— শ্ৰীস্বৰূপ দাস ১ম, নৰেন দলে ২য়, আনন্দ্ৰ বৰা ৩য়, আধুনিক গীতঃ— শ্ৰীস্বৰূপ দাস ১ম, মঃ চিদ্দিকন ৰহমান ২য়, নৰেন দলে ৩য়, বিহু নৃত্যঃ--- ১ম নাই, শ্ৰীআনন্দ্ৰ বৰা ২য়, মতী কুঞ্জ শইকীয়া ৩য়, একক অভিনয়ঃ--- প্ৰশান্ত কোঁৱৰ ১ম, মঃ বাহাৰুল ইছলাম ২য়, আনন্দ্ৰ বৰা ৩য়, বছৰৰ সৰ্ব্বশ্ৰেষ্ঠ গায়কঃ--- স্বৰূপ দাস।

ধন্যবাদ সহকাৰে
শ্ৰীভোলা কলিতা সঃ
কৃষ্টি সাংস্কৃতি বিভাগ
লঃ তেঃ কঃ মঃ ছাত্ৰ একতা সভা
আজাদ, উঃলঃ

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰথম স্থান লাভ কৰে। ( Grup-- A )

ইয়াত প্ৰতিযোগী সকল আছিল--

১ম শ্ৰীপবিত্ৰ বৰগোহাঁই, ২য় শ্ৰীপৰমা শৰ্মা, ৩য় শ্ৰীদিগন্ত দত্ত।

দ্বিতীয় স্থান লাভ কৰে। ( Grup-- *D* )

ইয়াৰ প্ৰতিযোগী সকল আছিল--

১ম শ্ৰীলুহিত শইকীয়া, ২য় শ্ৰীমতী কল্যানী বৰগোহাই, ৩য় শ্ৰীমতীযুগমায়া হাজৰিকা।

"জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়" "জয়তু লঃ তেঃ কঃ মঃ ছাত্ৰ একতা সভা"

ইতি--

ভৱদীয়

শ্ৰীদিগন্ত বৰা,

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

লঃ তেঃ কঃ মহাবিদ্যালয়;

ছাত্ৰ একতাসভা।